● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

যিয়ে শিকিবলৈ এৰি দিয়ে তেওঁ বৃদ্ধ হৈ পৰে, লাগিলে ২০ বছৰীয়াই হওক অথবা ৮০। যিয়ে শিকি থাকে তেওঁ সদায় যুৱক হৈ থাকে।

হেনৰী ফৰ্ড
*আমেৰিকাৰ উদ্যোগপতি*



www.dainikagradoot.in

৭ অ'মিক্ৰন প্ৰতিৰোধত কঠোৰ ইউৰোপ
১৫ বিশ্ব বেডমিণ্টনত কিদাম্বিৰ ৰূপ
৪ বেংক ব্যক্তিগতকৰণে কাৰ স্বাৰ্থ পূৰণ কৰিব?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৭৪তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৪ পুহ ১৪২৮ ভাস্কৰাব্দ ২০ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 20 December 2021 মূল্য ঃ ৯.০০ টকা

## বিক্ৰীয়েই মুক্তিৰ একমাত্ৰ পথ?

■ প্ৰাঞ্জলসেন ডেকা

**কেন্দ্ৰীয়** চৰকাৰে সংসদত উত্থাপন কৰিবলগীয়া বেংকিং আইন (সংশোধনী) ২০২১ বিধেয়কৰ বিৰোধিতাৰে যোৱা সপ্তাহত দেশৰ ৰাজহুৱা খণ্ডৰ বেংকসমূহে দুদিনীয়া কৰ্মবিৰতি পালন কৰিলে। বৃহস্পতি আৰু শুকুৰবাৰে প্ৰায় ন লাখ বেংক বিষয়া-কৰ্মচাৰীয়ে এই কৰ্মবিৰতি পালন কৰাৰ ফলস্বৰূপে দেশজুৰি বেংকৰ সকলো ধৰণৰ কাম-কাজ বন্ধ হৈ পৰে। ইউনাইটেড ফ'ৰাম অফ বেংক ইউনিয়নছ নামৰ নটাকৈ বেংক বিষয়া-কৰ্মচাৰীৰ সংগঠনৰ ছত্ৰ সংগঠনটোৰে আহ্বান দিয়া এই কৰ্মবিৰতিৰ ১০ পৃষ্ঠাত চাওক

■ মেঘালয়ত নিশ্চিহ্ন হোৱাৰ শংকাত ভুগিছে বিৰোধী কংগ্ৰেছ ■ বৃহৎ প্ৰবঞ্চনা আখ্যা সদ্য দলত্যাগী প্ৰাক্তন মুখ্যমন্ত্ৰী মুকুল চাংমাৰ ■ কনৰাড নেতৃত্বাধীন চৰকাৰলৈ ইছ্যুভিত্তিক সমৰ্থন

# বিজেপিলৈ সমৰ্থন ঘোষণা কংগ্ৰেছৰ



*মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান এবছু আৰু বড়ো সাহিত্য সভাৰ সভাপতিদ্বয়ৰ, দিছপুৰত দেওবাৰে।*

■ নিউজ ব্যুৰ'

**শ্বিলং, ১৯ ডিচেম্বৰ ঃ** মেঘালয়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মুকুল চাংমাৰ নেতৃত্বত ১২ জন কংগ্ৰেছ বিধায়কে তৃণমূল কংগ্ৰেছত যোগদান কৰাৰ পাছতে তৎ হেৰুৱাইছে কংগ্ৰেছে। বিপৰ্যস্ত কংগ্ৰেছে শাসক-বিৰোধীৰ মাজত ব্যৱধান ধূসৰ কৰি বিজেপি-এনপিপি মৰ্চা চৰকাৰক ইছ্যু ভিত্তিক সমৰ্থন দিব বুলি ঘোষণা কৰাত ইয়াৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে তৃণমূল কংগ্ৰেছ। উল্লেখ্য যে তৃণমূল কংগ্ৰেছ সম্প্ৰতি ৰাজ্যখনৰ





সৰ্ববৃহৎ বিৰোধী দল। কনৰাড চাংমা নেতৃত্বাধীন মৰ্চা চৰকাৰক কংগ্ৰেছৰ সমৰ্থন দিয়া কাৰ্যক বৃহৎ প্ৰৱঞ্চনা বুলি অভিহিত কৰিছে মুকুল চাংমাই।

ইপিনে, কংগ্ৰেছে এই কথা স্বীকাৰ কৰি লৈছে যে বিৰোধী দলৰূপে ইতিমধ্যে কংগ্ৰেছৰ পৰিচয় ধূসৰ আৰু বিভ্ৰান্তিকৰ হৈছে। বিগত সপ্তাহত কংগ্ৰেছ বিধায়িনী দলৰ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তই চৰকাৰ আৰু বিৰোধীৰ মাজত থকা ব্যৱধান ধূসৰ কৰি তোলে। ইপিনে, মুকুল চাংমাই ১০ পৃষ্ঠাত চাওক

## আজি অসম-নগালেণ্ড সীমান্তৰ লাহৰীজানত বেদখল উচ্ছেদ

অগ্ৰদূত বাৰ্তা

**বোকাজান, ১৯ ডিচেম্বৰ ঃ** অসম চৰকাৰে ৰাজ্যখনত বেদখলমুক্ত কৰিবৰ বাবে যি অভিযান অব্যাহত ৰাখিছে, তাৰে অংশৰূপে কাইলৈ পুৱাৰ পৰাই অসম-নগালেণ্ড সীমান্তৰ কাৰ্বি আংলঙৰ লাহৰীজানৰ দুদু ১০ পৃষ্ঠাত চাওক

■ দুশখন নতুন হাইস্কুল স্থাপন-চাৰিশ শিক্ষক পদ সৃষ্টি ■ বড়ো মাধ্যমৰ বাবে পৰ্যায়ক্ৰমে হ'ব বিশেষ টে'ট পৰীক্ষাক লৈ আলোচনা

## বিটিআৰত প্ৰথম পৰ্যায়ত ২৬ খন মহাবিদ্যালয় প্ৰাদেশিকীকৰণৰ সিদ্ধান্ত

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ** বড়ো বসতিপ্ৰধান অঞ্চলসমূহত পৰ্যাপ্ত পৰিমাণৰ বড়ো ভাষাৰ পদ সৃষ্টি কৰাৰ উপৰি বিটিআৰৰ ২৬খন মহাবিদ্যালয়ৰ প্ৰাদেশিকীকৰণ কৰা হ'ব। আজি এবছু আৰু বড়ো সাহিত্য সভাৰ স'তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এবছুৰ সভাপতি দ্বিপেন বড়োৱে জনোৱা মতে, আলোচনাত তেওঁলোকে ৩৩টা বিষয় উত্থাপন কৰে। আজি গ্ৰহণ কৰা এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত অনুসৰি বিটিআৰ অঞ্চলত দুশখন নতুন হাইস্কুল স্থাপন কৰি চাৰিশটা শিক্ষক পদ সৃষ্টি কৰা হ'ব। এইসমূহত পি জি টি (স্নাতকোত্তৰ টে'ট) শিক্ষকক নিযুক্তি দিয়া হ'ব। দুঘণ্টাৰো অধিক সময়ৰ এক দীঘলীয়া বৈঠকত এবছু আৰু বড়ো সাহিত্য সভাই দাঙি ধৰা ৩৩টা বিষয় সন্দৰ্ভত দুই পৃষ্ঠাত চাওক

**৩৩টা দাবীৰে মুখ্যমন্ত্ৰীৰ স'তে আলোচনা এবছু-বড়ো সাহিত্য সভাৰ**

## মুকালমুৱাৰ চাপৰিত দুই ফৈদৰ সংঘৰ্ষত কে'বাজনো আহত

**মুকালমুৱা, ১৯ ডিচেম্বৰ ঃ** মুকালমুৱাৰ চান্দাত ব্ৰহ্মপুত্ৰৰ চাপৰিৰ খেতিক কেন্দ্ৰ কৰি আজি দুটা ফৈদৰ মাজত ভয়ানক সংঘৰ্ষৰ সৃষ্টি হয়। এই সংঘৰ্ষত কে'বাজনো লোক আহত হয়। ইয়াৰে পাঁচজনৰ আঘাত গুৰুতৰ ১০ পৃষ্ঠাত চাওক

## তিনিচুকীয়াৰ পাঁচ নিৰুদ্দিষ্ট যুৱকৰ আলফা (স্বাধীন)ত যোগদান

**ডিগবৈ, ১৯ ডিচেম্বৰ ঃ** আলফা (স্বাধীন)ৰ তৰফৰ পৰা একপক্ষীয়ভাৱে অস্ত্ৰবিৰতি অব্যাহতি ৰখাৰ মাজতে সংগঠনটোত সদস্য ভৰ্তি প্ৰক্ৰিয়াও অব্যাহত আছে। বিশেষকৈ তিনিচুকীয়া জিলাৰ বহু যুৱক-যুৱতীয়ে ইজনৰ ১০ পৃষ্ঠাত চাওক

## খকগুগুৰিত অনিমেষ ভূঞাক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

প্ৰত্যক্ষদৰ্শীক সাক্ষী দিবলৈ অহাৰ আহ্বান উপায়ুক্তৰ

অগ্ৰদূত বাৰ্তা

**বৰুৱা বামুনগাঁও, ১৯ ডিচেম্বৰ ঃ** ৰাজ্য কপাঁই যোৱা যোৰহাট কাণ্ডত হত্যাৰ বলি হোৱা দেৰগাঁৱৰ অনিমেষ ভূঞাৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আজি সম্পন্ন হয়। দেৰগাঁৱৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ এক নম্বৰ খকগুগুৰি গাঁৱৰ অনিমেষৰ বাসগৃহৰ সমীপৰ ১০ পৃষ্ঠাত চাওক

■ এক লাখ নিযুক্তিক লৈ বিধানসভাত পথ প্ৰশস্ত হ'ব ■ জানুৱাৰীৰ পৰা বন্ধ এমএমচি হাস্পতাল

## চোৰাং গৰু সৰবৰাহ কৰা বাহন জব্দ কৰিলেই বিক্ৰীৰ সিদ্ধান্ত চৰকাৰৰ

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ** অসম চৰকাৰে নিৰ্বাচন প্ৰতিশ্ৰুতি ৰক্ষা কৰি এক লাখ নিবনুৱাক চাকৰি প্ৰদানৰ প্ৰক্ৰিয়া কাইলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া বিধানসভাৰ শীতকালীন অধিবেশনৰ জৰিয়তে নিশ্চিত কৰিব বুলি আজি সদৰী কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। জনতা ভৱনত আজি নেচনেল হাইৱেজ এণ্ড ইনফ্ৰাষ্ট্ৰাচাৰ ডেভেলপমেণ্ট কৰ্প'ৰেচন লিমিটেড (এ এইছ আই ডি চি এল)এ আগবঢ়োৱা এম্বুলেঞ্চ সেৱা মুকলি কৰাৰ পাছত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয়, 'এইবাৰৰ অধিবেশন কে'বাটাও দিশেৰে উল্লেখযোগ্য হ'ব। তাৰ ভিতৰত বিশেষ উল্লেখযোগ্য ১০ পৃষ্ঠাত চাওক

■ আজিৰ পৰা পাঁচদিনীয়া শীতকালীন অধিবেশন ■ বিভিন্ন অভিযোগক লৈ প্ৰথম দিনাই উত্তাল হোৱাৰ সম্ভাৱনা ■ এখন নতুন ১৫ খন সংশোধনী বিধেয়ক উত্থাপন কৰিব চৰকাৰে

## বিশাল ৰাজকীয় আয়োজনেৰে বিধানসভা

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ** কাইলৈৰ পৰা অহা ২৪ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব অসম বিধানসভাৰ শীতকালীন অধিবেশন। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অধিবেশনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনাৰ বাবে আজি শাসক-বিৰোধী সকলো পক্ষৰ পৰা সহযোগিতা বিচাৰে। তাৰ বাবে সকলো দলৰ প্ৰতিনিধিৰ লগত আজি অধ্যক্ষই এক বৈঠকত মিলিত হয়। প্ৰতিনিধিসকলেও অধ্যক্ষক সদন পৰিচালনাত সহযোগিতাৰ আশ্বাস দিয়ে। অৱশ্যে ৰাইজৰ স্বাৰ্থজড়িত বিষয়ত নিজৰ নিজৰ দলৰ স্থিতি বিধানসভাত সময় সাপেক্ষ ৰণকৌশলেৰে আগবঢ়াই নিব বুলি ১০ পৃষ্ঠাত চাওক



## দেশৰ ভিতৰতে চুবুৰীয়া ৰাজ্যৰ লগত সৰ্বাধিক সীমাৰ বিবাদ অসমৰ

চৰকাৰে উদ্যোগহে লয়-ফলাফল নোলায়

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** কালৰ গতিত অসম খণ্ডিত হৈ এদিন সাতভনীত পৰিণত হৈছিল। সেই ভনীৰে কে'বাজনীৰ লগত সীমাক লৈ অসম দীৰ্ঘদিনৰ পৰা সংঘাতত লিপ্ত হৈ আছে। সমগ্ৰ ভাৰতৰ ভিতৰত অসমেই হৈছে সীমাক লৈ সৰ্বাধিক চুবুৰীয়া ৰাজ্যৰ লগত বিবাদত লিপ্ত হৈ থকা ৰাজ্য। এনে সংঘাতৰ ওৰ পেলাবলৈ চৰকাৰৰে বিভিন্ন সময়ত ব্যৱস্থা গ্ৰহণৰ শ্ল'গান আওৰাই আহিছে। সেইবোৰে ১০ পৃষ্ঠাত চাওক

অসম ক্ৰিকেট সন্থাত প্ৰদীপ বুঢ়াগোহাঁইৰ বিয়াগোম বিত্তীয় কেলেংকাৰি

## পত্নী-পুত্ৰৰ নামতো এচিএৰ ধন আত্মসাৎ কৰিছিল প্ৰাক্তন সম্পাদকে

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ** এটাৰ পাছত আন এটা বিতৰ্কই লগ নেৰা অসম ক্ৰিকেট সন্থাত ২০১৬ৰ পৰা ২০১৯ লৈ সম্পাদকৰ দায়িত্বত থকা ধৃত প্ৰদীপ বুঢ়াগোহাঁইৰ দিনত সংঘটিত বিয়াগোম বিত্তীয় কেলেংকাৰিৰ ন ন তথ্য পোহৰলৈ আহিছে। আজি অসম ক্ৰিকেট সন্থাৰ কাৰ্যালয়ৰ সভাকক্ষত সম্পাদক দেৱজিৎ শইকীয়াই এক সংবাদমেলত কাৰো নাম নোলোৱাকৈ কয় যে খেলুৱৈৰ উত্তৰণৰ বিপৰীতে কেৱল অংকৰ বাবেই অসম ক্ৰিকেট সন্থাত বহু এক্সপ'জাৰ ট্যুৰ কৰা হৈছিল। শ্ৰীলংকাকে ধৰি অপ্ৰয়োজনীয় কিছু স্থানত খেলিবলৈ গৈ লাখ লাখ টকা ব্যয় কৰা হৈছিল। সেই খেলসমূহৰ জৰিয়তে খেলুৱৈসকলে যি অভিজ্ঞতা বা ১০ পৃষ্ঠাত চাওক

■ মোক ধৰাৰ পূৰ্বে ফেৰেংগা-বিদাই-চাওৰাইগৌৰাক ধৰি দেখাওক

## প্ৰমোদ বড়োৱে আমাক খাবলৈ নিদিলেও ৰাইজে খুৱাব ঃ ক্ষুব্ধ বাথা



■ পাঁচ বছৰৰ পাছত নতুন চৰকাৰ হ'লে ভাল দিন আহিব

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১৯ ডিচেম্বৰ ঃ** এনডিএফবিৰ দুৰ্ধৰ্ষ নেতা বিনোদ মুছাহাৰী ওৰফে এম বাথা মূলসুঁতিলৈ ঘূৰি অহাৰ পাছত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা (নিয়া)ৰ বিশেষ আদালতে তেওঁক পলাতক ঘোষণা কৰাৰ পাছতে আজি তেওঁ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। সম্প্ৰতি কোকৰাঝাৰৰ ডেজিগনেটেড শিবিৰত থকা বাথাই নিয়াই পলাতক বুলি বিজ্ঞাপন দিয়াৰ পাছতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'মোক ধৰাৰ পূৰ্বে ফেৰেংগা, বিদাই আৰু চাওৰাইগৌৰাক ধৰক। এয়া ২০১৫ৰ গোচৰ আৰু সেই সময়ত ১০ পৃষ্ঠাত চাওক

■ টকা ধাৰলৈ লৈ জলকে-জলকে পানী খাইছে বহু লোকে ■ জিম্মাত ৰাখি থয় ভূমিৰ নথি-পাছবুক-এটিএম কাৰ্ড ■ উচ্চ হাৰত সুদ আদায়

## উকা দলিলত চহী কৰাই ঋণ দিয়ে, নগাঁৱত তাণ্ডৱ চলাইছে সুদখোৰে

বিশেষ সংবাদদাতা

**নগাঁও, ১৯ ডিচেম্বৰ ঃ** অভাৱী লোকৰ অভাৱৰ সুযোগ গ্ৰহণ কৰি নগাঁও জিলাত একাংশ সুদখোৰে উচ্চ সুদৰ হাৰত টকা সুদলৈ দি অবাধ শোষণ চলাই অহা পৰিলক্ষিত হৈছে। এই সুদখোৰৰ কৱলত পৰি জিলাখনৰ অসংখ্য লোকৰ জীৱন দুৰ্বিষহ হৈ পৰিছে। আনকি এই সুদৰ ব্যৱসায়ীৰ পৰা অতি উচ্চ হাৰৰ সুদত টকা ধাৰলৈ লোৱা বহু লোক পথৰ ভিক্ষাৰীও হ'বলগীয়া হৈছে। জিলাখনৰ নগাঁও চহৰ অঞ্চলতেই শতাধিক লোক আছে যি নিজৰ টকা অতি উচ্চ হাৰৰ সুদত ধাৰলৈ দি সম্পূৰ্ণ আইন বিৰোধীভাৱে এক ৰমৰমীয়া ব্যৱসায় চলাই আছে। আনকি জিলাখনৰ সৰু-বৰ চহৰৰ লগতে গ্ৰামাঞ্চলতো শ শ সুদখোৰ ব্যৱসায়ীয়ে অভাৱী লোকৰ অভাৱৰ সুযোগ গ্ৰহণ কৰি অবাধ শোষণ চলাই আছে। নগাঁও চহৰৰ সুদৰ ব্যৱসায়ীসকল দুই ধৰণৰ। একাংশ সুদ ব্যৱসায়ীয়ে চৰকাৰী বিষয়া-কৰ্মচাৰী, বেচৰকাৰী প্ৰতিষ্ঠানত কৰ্মচাৰী, মজলীয়া ব্যৱসায়ীক টকা ১০ পৃষ্ঠাত চাওক

## মৰিয়নিত অবৈধ প্ৰেমৰ পৰিণতিত আত্মহত্যা পুৰুষ-মহিলাৰ

এডাল ৰছীতে ওলমি থকা দুই মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৯ ডিচেম্বৰ ঃ** মৰিয়নি আৰক্ষী থানাৰ অন্তৰ্গত নিউ সোণোৱালৰ এটা ভাড়াঘৰত কালি চিপ লৈ থকা অৱস্থাত এহাল পুৰুষ-মহিলাৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। এয়া আত্মহত্যাৰ ঘটনা বুলিয়ে সন্দেহ কৰা দুই পৃষ্ঠাত চাওক

## বনভোজৰ পৰা উভতি অহাৰ পথত দুৰ্ঘটনাত শিক্ষয়িত্ৰীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা


**মুছলপুৰ, ১৯ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ দ্বাৰাগাঁৱত আজি সংঘটিত এক দুৰ্ঘটনাত এগৰাকী যুৱতীৰ মৃত্যু হয়। বনভোজৰ পৰা উভতি অহা অৱস্থাত দুৰ্ঘটনাগ্ৰস্ত হৈ মৃত্যু হোৱা যুৱতীগৰাকী হৈছে হোজাই জিলাৰ লংকাৰ ১০ পৃষ্ঠাত চাওক

■ ২০খনৰ মাত্ৰ ছখনৰহে কাম চলিছে

## উন্নয়নৰ প্ৰহসন! এশ কোটিটকীয়া আঁচনি স্থবিৰ হৈ পৰিছে লখিমপুৰত

বিশেষ সংবাদদাতা

**লখিমপুৰ, ১৯ ডিচেম্বৰ ঃ** লখিমপুৰ নগৰৰ উন্নয়ন-সৌন্দৰ্য বৰ্ধনৰ হকে চিআইডিএফ শিতানত আবন্টিত এশ কোটি টকাৰ আঁচনি ৰূপায়ণ প্ৰায় স্থবিৰ হৈ আছে প্ৰায় তিনিটা বছৰ ধৰি। উক্ত আঁচনিত ২০ খন আঁচনি অন্তৰ্ভুক্ত কৰা হয় যদিও তিনিটা বছৰে ইয়াৰে মাথোঁ ছখন আঁচনিৰ কাম-কাজেহে চলিছে। কাম-কাজ চলি থকা এই আঁচনিকেইখনৰ আদৰ্শ এই পৰ্যন্ত সম্পূৰ্ণ হোৱা নাই। সৰ্বাধিক ৬০ শতাংশহে কাম ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ১২° |
| ডিব্ৰুগড় | ২৪° | ১১° |
| দিল্লী | ১৮° | ০৬° |
| কলকাতা | ২৪° | ১২° |
| মুম্বাই | ৩১° | ২১° |
| চেন্নাই | ২৯° | ২৩° |
| বাংগালুৰু | ২৫° | ১৩° |
| শ্বিলং | ১৭° | ০৬° |

*১৯ ডিচেম্বৰ, ২০২১*

## চেঙা তেল



*আপোনালোকে আৰু কিমান আঁচনি বনায়? আগতে এইখিনিকে ৰূপায়ণ কৰি লওকচোন!*

'চিৰদিন মই অসমীয়া' আদৰ্শৰে সন্মিলিতভাৱে ভৱিষ্যৎ শক্তিশালী কৰিব লাগিব ঃ ড° শৰ্মা

## মালিকৰ সৃষ্টি-কৰ্মই অসমীয়াক প্ৰেৰণা যোগাব

জাতি গঠনত অসমীয়া মুছলমানৰ যথেষ্ট বৰঙণি আছে

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ** অসমীয়া চৈয়দ কল্যাণ ন্যাসৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত সাহিত্যাচাৰ্য, পদ্মভূষণ চৈয়দ আব্দুল মালিকৰ স্মৃতিচাৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰি সাহিত্যাচাৰ্যগৰাকীয়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ আগবঢ়োৱা অনন্য বৰঙণিৰ স্মৃতিচাৰণ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে চৈয়দ আব্দুল মালিকৰ সৃষ্টি আৰু কৰ্মই অসমীয়া জাতিক সদায়ে প্ৰেৰণা যোগাই যাব। এইগৰাকী মহান মনীষীয়ে অসমীয়া ভাষা-সাহিত্য তথা সংস্কৃতিলৈ অনন্য বৰঙণি যোগাই গৈছে। ন্যাসৰ দ্বাৰা চলোৱা এই প্ৰয়াসে নৱ প্ৰজন্মক এইগৰাকী মহান সাহিত্যিকৰ বিষয়ে জনাৰ সুযোগ প্ৰদান কৰাৰ উপৰি তেওঁৰ সৃষ্টিৰাজিৰে অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণৰ দিশত ১০ পৃষ্ঠাত চাওক






দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ৪ পুহ ১৪২৮ ভাস্কৰাব্দ ২০ ডিচেম্বৰ ২০২১

# ধপাত-সুৰাৰ বিজ্ঞাপন

**আমাৰ** দেশত ধপাত জাতীয় দ্ৰব্য আৰু সুৰাৰ বিজ্ঞাপন আইনগতভাৱে নিষিদ্ধ। আইনগতভাৱে দেশত যিবোৰ দ্ৰব্যৰ বিজ্ঞাপন নিষিদ্ধ সেইবোৰৰ ভিতৰত সুৰা আৰু ধপাতৰ উপৰি আছে মানৱ অংগ, কেতবোৰ ঔষধ যিবোৰে যাদুকৰী নিৰাময় দাবী কৰে, ভ্ৰূণৰ লিংগ চিনাক্তকৰণ, পুৰস্কাৰ ফাণ্ড, অধিবক্তা আইনৰ অধীনত কেতবোৰ আইনী সেৱা আছে।

আমাৰ সমাজত সুৰা, ধপাত ইত্যাদি ৰাগিয়াল সামগ্ৰীৰ ব্যৱহাৰ নিষিদ্ধ কৰাৰ বাবে চৰকাৰে ভালেমান আইন প্ৰণয়ন কৰিছে। বাণিজ্যিক দিশলৈ চাই ধপাত আৰু সুৰাৰ ব্যৱহাৰ তথা বিপণন চৰকাৰে বন্ধ কৰা নাই যদিও এই কেইবিধ সামগ্ৰীৰ ব্যৱহাৰ তথা বিপণন চৰকাৰে নিয়ন্ত্ৰিত কৰি ৰাখিছে। ধপাত আৰু সুৰাৰ স্বাস্থ্যৰ প্ৰতি ক্ষতিকাৰক দিশবোৰ প্ৰচাৰ কৰি চৰকাৰে যিমান পাৰে এনেবোৰ নিচা জাতীয় দ্ৰব্যৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰি আহিছে। প্ৰত্যেক ৰাজ্য চৰকাৰে এই উদ্দেশ্যে মাদকদ্ৰব্য নিবাৰণী পৰিষদ গঠনো কৰিছে। তদুপৰি ধপাতে যে কেন্সাৰ ৰোগ সৃষ্টি কৰিব পাৰে আৰু সুৰা যে স্বাস্থ্যৰ পক্ষে ক্ষতিকৰ সেই কথা চিগাৰেট তথা ধপাতৰ পেকেটত আৰু সুৰাৰ বটলতো উল্লেখ কৰাটো বাধ্যতামূলক কৰিছে।

পিছে চৰকাৰৰ এই সকলো প্ৰচেষ্টাক আওকাণ কৰি তথা এনে প্ৰচেষ্টাৰ সুৰুঙা উলিয়াই ধপাত আৰু সুৰা কোম্পানীসমূহে এনেবোৰ ৰাগিয়াল সামগ্ৰীৰ বিক্ৰী যাতে বৃদ্ধি কৰিব পাৰে তাৰ বাবে আওপকীয়া বিজ্ঞাপনৰ ব্যৱস্থা কৰিছে। পাণ মছলাৰ পেকেটত বিখ্যাত চিগাৰেট বা ধপাতজাতীয় দ্ৰব্যৰ ব্ৰেণ্ড নামৰ উল্লেখ কৰা হয় যাতে উপভোক্তাসকলে সহজেই বুজি পায় যে এয়া নিৰ্দিষ্ট ব্ৰেণ্ডৰ ধপাত বা সুৰা। গানৰ চি ডি, তাচপাত, চ'ডা, যেনে বাকাৰ্ডি ব্লাষ্ট মিউজিক চি ডি, বেগপাইপাৰ ক্লাব চ'ডা, অফিচাৰ্ছ ছইচ্ প্লেইং কাৰ্ড ইত্যাদি। বিজ্ঞাপনৰ ভাষাত এনে আওপকীয়া বিজ্ঞাপনক চাৰোগেট বিজ্ঞাপন বুলি কোৱা হয়।

অলপতে ডিৰেক্টৰেট জেনেৰেল অৱ হেল্থ ছাৰ্ভিচেছ-এ দিলবাগ পাণ মচলাত ধপাতৰ ব্ৰেণ্ডৰ নাম উল্লেখ কৰা বাবে তেনে পাণ মছলাৰ বিপণন নিষিদ্ধ কৰাৰ বাবে জাননী দিছিল। সম্প্ৰতি দিল্লীৰ এক আদালতে দিলবাগ পাণ মছলাৰ বিপণন বন্ধ কৰাৰ জাননী স্থগিত ৰাখিছে যদিও আদালতত গোচৰ চলি আছে। দিলবাগ পাণ মছলাই ধপাতৰ উপৰি ছিগ্‌নেচাৰ ব্ৰেণ্ডৰ সুৰাৰ নামেৰে পাণ মছলা বজাৰত বিক্ৰী কৰি আওপকীয়াকৈ ছিগনেচাৰ ব্ৰেণ্ডৰ সুৰাৰ বিজ্ঞাপন প্ৰচাৰ কৰে। একেদৰেই কেতবোৰ পানীয় চ'ডাৰ নামো কেতবোৰ বিশেষ ব্ৰেণ্ডৰ সুৰাৰ নামেৰে নামকৰণ কৰি আওপকীয়া বিজ্ঞাপন প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে।

প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়াই প্ৰকাশ কৰা আদৰ্শ বিজ্ঞাপন নীতিতো সংবাদপত্ৰই যাতে চাৰোগেট বা আওপকীয়া বিজ্ঞাপন প্ৰকাশ নকৰে তাক কোৱা হৈছে; কিন্তু ছাইনব'ৰ্ড, হৰ্ডিঙৰ পৰা আৰম্ভ কৰি টিভি আৰু অন্যান্য মাধ্যমতো এনে ধৰণৰ সুৰা আৰু ধপাত সামগ্ৰীৰ অবৈধ আওকপীয়া বিজ্ঞাপন প্ৰচাৰিত হৈ আহিছে। চৰকাৰে সেয়েহে জনস্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি অবিলম্বে এনেধৰণৰ বে-আইনী আওপকীয়া বিজ্ঞাপন বন্ধ কৰাৰ ব্যৱস্থা কৰা বাঞ্ছনীয়।

## খো লা ম ঞ্চ

# অসমীয়া বৰ্ণাঢ্য সাজ-পাৰ হেৰাই যাব নেকি ?



**আদিম** যুগৰ মানুহে লজ্জা নিবাৰণ আৰু শীত তাপ নিয়ন্ত্ৰণৰ কাৰণে গছৰ বাকলি, জন্তুৰ ছাল আৰু নোমেৰে সাজ তৈয়াৰ কৰি লৈছিল। যুগৰ পৰিৱৰ্তনৰ লগে লগে ইয়ে গৈ মানুহৰ মৌলিক প্ৰয়োজনত পৰিণত হয়। ভৌগোলিক স্থান আৰু ঋতু অনুসৰি সাজপাৰৰ ভিন্নতা হোৱাটো স্বাভাৱিক। তাৰ উপৰি জাতি, জনগোষ্ঠী অনুসৰিও সাজপাৰৰ ভিন্নতা দেখা যায়।

অসমত বাস কৰা অসমীয়া, বড়ো, ৰাভা, মিচিং আদি জাতি-জনগোষ্ঠীবোৰে পৰিধান কৰা সাজপাৰেৰে সেই জাতি বা জনগোষ্ঠীৰ পৰিচয় দাঙি ধৰে।

ড° লীলা গগৈৰ অসমীয়া সংস্কৃতি নামৰ গ্ৰন্থত উল্লেখ কৰা মতে আহোম যুগৰ পৰা ব্ৰিটিছৰ দিন পৰ্যন্ত সাজপাৰ সমূহক প্ৰকৃতাৰ্থত অসমীয়া সাজপাৰ বুলি ক'ব পাৰি। অসমীয়া সাজপাৰ বুলি ক'লে সাধাৰণতে মেখেলা-চাদৰ, ৰিহা, মেজাংকৰী, খনীয়া, ব্ৰাউজ, চুৰিয়া বা ধুতি, চেলেং, চোলা, গামোচা, পাগ আদিকে বুজা যায়। ইয়াৰ ভিতৰত গামোচা হ'ল প্ৰতিজন অসমীয়াৰ ব্যৱহাৰ্য আৰু স্বাভিমানী বস্ত্ৰ। অসমীয়া সমাজত এতিয়াও প্ৰিয়জনক উপহাৰ দিবলৈ ফুলাম গামোচাখনৰ অকৃত্ৰিম ধাৰা এতিয়াও অটুট আছে।

**গৰ্গেশ্বৰ দাস, সহকাৰী অধিনায়ক**

অসমীয়া সামাজিক-সাংস্কৃতিক যিকোনো অনুষ্ঠানত ধুতি, পাঞ্জাবী পিন্ধাৰ পাছত ডিঙিত গামোচা লোৱাটো এক পৰম্পৰা। তাৰ উপৰি সভা-সমিতিয়ে বিশিষ্ট ব্যক্তিক আদৰাৰ বাবেও গামোচা অপৰিহাৰ্য বস্ত্ৰ। অসমৰ এই স্বাভিমানৰ প্ৰতীক গামোচাখন ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও প্ৰতিটো ক্ষণতে ডিঙিত লোৱা দেখা যায়।

আধুনিকতাৰ ধামখুমীয়াত পশ্চিমীয়া সাজপাৰে অসমীয়া বৰ্ণাঢ্য সাজপাৰক যেন লাহে লাহে নিশ্চিহ্ন কৰিবলৈ গৈ আছে। তথাপি আমি গৌৰৱান্বিত যে অসমীয়া সাজপাৰে বিদেশতো সমাদৰ পোৱাৰ লগতে অসমীয়া সোণালী সূতাৰ কাপোৰৰ ওপৰত গৱেষণাও চলি থকা পৰিলক্ষিত হৈছে।

সাধাৰণভাৱে অসমীয়া সাজপাৰ এৰি বিদেশী সাজপাৰ পৰিধান কৰিলেও বিহু, বিহাহ, পূজা বা কোনো সামাজিক মাংগলিক অনুষ্ঠানত স্বাভিমানী অসমীয়া সাজপাৰ পৰিধান কৰি আমি গৌৰৱবোধ কৰো।

ইয়াৰ পৰা বুজা যায় আমাৰ গৌৰৱ, আমাৰ স্বাভিমানী অসমীয়া বৰ্ণাঢ্য সাজপাৰ কেতিয়াও হেৰাই নাযায়।

## বেংকবোৰৰ জমাধনসমূহৰ প্ৰায় ৮০ শতাংশ হ'ল দেশৰ সাধাৰণ পৰিয়ালবোৰৰ

# বেংক ব্যক্তিগতকৰণে কাৰ স্বাৰ্থ পূৰণ কৰিব ?





দৃষ্টিপাত

**অনন্ত কলিতা**

**ৰাজহুৱা** খণ্ডৰ বেংকবোৰ ব্যক্তিগতকৰণৰ বিৰুদ্ধে সদৌ ভাৰততে সমস্ত বেংক কৰ্মচাৰী আৰু বিষয়াসকলে 16 আৰু 17 ডিচেম্বৰত ধৰ্মঘট হৈ গ'ল। কেন্দ্ৰীয় চৰকাৰে সংসদৰ বৰ্তমানৰ অধিৱেশনত বেংকিং আইন সংশোধনী বিধেয়ক (Banking Law Amendment, 2021) উত্থাপন কৰিব। 1969ৰ আগতে ভাৰতীয় ষ্টেট বেংকৰ বাহিৰে দেশৰ সকলো বেংকেই ব্যক্তিগত খণ্ডত পৰিচালিত হৈছিল। এই পটভূমিতে 1969ত 14টা ব্যক্তিগত বেংক ৰাষ্ট্ৰীয়কৰণৰ ঐতিহাসিক দিশটো পুনৰীক্ষণ কৰাৰ প্ৰয়োজন। 1935ত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ জন্ম হোৱাৰ দিনৰে পৰা 1947লৈ 900 ব্যক্তিগত বেংক দেৱলীয়া হৈ বন্ধ হৈ গৈছিল। ভাৰত স্বাধীন হোৱাৰ পাছত অৰ্থাৎ 1947ৰ পৰা 1969 চনলৈ 664টা ব্যক্তিগত বেংক দেৱলীয়া হৈ বন্ধ হৈ গৈছিল। বেংকত টকা জমাকাৰীসকলে তেওঁলোকৰ জমাধনবোৰ হেৰুৱাই পেলাইছিল। 1969ত ৰাজহুৱা খণ্ডৰ বাণিজ্যিক বেংকৰ সৃষ্টি হোৱাত 1969ৰ পাছত 36টা ব্যক্তিগত বেংক দেৱলীয়া হৈ বন্ধ হৈ যোৱাত ৰাজহুৱা খণ্ডৰ বেংকক বাধ্য কৰিছিল এই দেৱলীয়া বেংকবোৰ সংযুক্ত কৰি অধিগ্ৰহণ কৰিবলৈ।

1951-52ত ভাৰত চৰকাৰে অল ইণ্ডিয়া ৰুৰেল ছাৰ্ভে কমিটী গঠন কৰি দেশত ঋণৰ সুবিধাৰ বিষয়ে অধ্যয়ন কৰাৰ ব্যৱস্থা কৰিছিল আৰু এই কমিটীয়ে 1954ত ৰিজাৰ্ভ বেংকক প্ৰতিবেদন দাখিল কৰি গাঁও অঞ্চলত ঋণৰ সুবিধা প্ৰদান কৰিবলৈ ব্ৰিটিছ বেংক, ইম্পিৰিয়েল বেংকক অধিগ্ৰহণ কৰাৰ পৰামৰ্শ দিছিল। 1955ত ভাৰত চৰকাৰে ইম্পিৰিয়েল বেংকক অধিগ্ৰহণ কৰি ষ্টেট বেংক অৱ ইণ্ডিয়ালৈ ৰূপান্তৰ কৰি ভাৰতত ৰাজহুৱা খণ্ডৰ বেংকিং ব্যৱস্থাৰ সূচনা কৰিছিল। সেই একে কাৰণতে 1959ত এছ-বি-আই ছাব্‌চিডিয়েৰী এক্ট গ্ৰহণ কৰি আঠটা ৰজাঘৰীয়া বেংক জাতীয়কৰণ কৰি ষ্টেট বেংকৰ সহযোগী বেংকৰূপে সৃষ্টি কৰিছিল। ৰাষ্ট্ৰীয়কৰণৰ ফলশ্ৰুতিত দেশৰ সৰু চহৰবোৰত এই বেংককেইটাই বহু শাখা মুকলি কৰিছিল। তৎসত্ত্বেও ষ্টেট বেংক আৰু সহযোগী বেংককেইটাই দেশৰ সকলো অঞ্চল আৰু সকলো নাগৰিককে সামৰি ল'ব পৰা নাছিল। বহুকেইটা বৃহৎ বৃহৎ ব্যক্তিগত বাণিজ্যিক বেংকে দেশৰ বেংকিং ব্যৱসায়ৰ অধিকাংশই দখল কৰি ল'ব পাৰিছিল। গাঁও অঞ্চললৈ ঋণ, ঔদ্যোগিকীকৰণ, কৃষিখণ্ডৰ উন্নয়নত, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, কুটিৰ উদ্যোগ, আন্তঃগাঁথনি উন্নয়ন, স্বনিযুক্ত প্ৰকল্প, শিক্ষা, স্বাস্থ্য আৰু দৰিদ্ৰ দূৰীকৰণৰ বাবে পুঁজিৰ প্ৰয়োজনীয়তাৰ কথা চৰকাৰে অনুভৱ কৰিছিল। 1969 ৰ 19 জুলাইৰ দিনা 14টা ব্যক্তিগত মুখ্য বাণিজ্যিক বেংক ৰাষ্ট্ৰীয়কৰণ কৰে তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে। বেংক ৰাষ্ট্ৰীয়কৰণ কৰি ৰেডিঅ' ভাষণত ইন্দিৰা গান্ধীয়ে কৈছিল, 'ভাৰতবৰ্ষত নতুন সামাজিক বিন্যাসৰ বাবে অৰ্থনীতি আৰু ইয়াৰ অতি গুৰুত্বপূৰ্ণ অংশ (Strategic Sectors)ৰ ৰাজহুৱা মালিকানা এক প্ৰয়োজনীয় অংগ। জনসাধাৰণৰ সঞ্চয়ক উৎপাদনশীল উদ্দেশ্যত ব্যৱহাৰৰ বাবে মূল সংগঠনবোৰৰ ৰাজহুৱা নিয়ন্ত্ৰণৰ স্বাৰ্থত বেংক ৰাষ্ট্ৰীয়কৰণ হ'ল এটা উল্লেখযোগ্য পদক্ষেপ। চৰকাৰে বিশ্বাস কৰে যে এই কাৰ্যই ৰাষ্ট্ৰীয় সম্পদৰাজিক প্ৰয়োজন অনুযায়ী ব্যৱহাৰ কৰাত সহায় কৰিব, যাৰ ফলত ৰাষ্ট্ৰীয় লক্ষ্য অধিক কৃতকাৰ্যতাৰে পূৰণ কৰিব পৰা যাব।' 'দি বেংকিং কোম্পানীজ (একুইজিচন এণ্ড ট্ৰেন্সফাৰ অৱ আণ্ডাৰটেকিং) বিধেয়ক, 1969ত বেংক জাতীয়কৰণৰ উদ্দেশ্য আৰু কাৰণসমূহ এইদৰে স্পষ্ট কৰি দিছিল— 'বেংকিং ব্যৱস্থা আজি লক্ষ লক্ষ জনসাধাৰণৰ জীৱিকাৰ স'তে জড়িত হৈ পৰিছে আৰু এই ব্যৱস্থা বিকশিত কৰিব লাগিব বৃহৎ সামাজিক উদ্দেশ্যত। কৃষি, উদ্যোগ আৰু ৰপ্তানিৰ দ্ৰুত বিকাশ, কৰ্মসংস্থানৰ সুযোগ সৃষ্টি আৰু নতুন উদ্যোগিক উৎসাহ যোগোৱা আৰু অনুন্নত অঞ্চলৰ বিকাশ আদিৰ বাবে ৰাষ্ট্ৰীয় লক্ষ্য-উদ্দেশ্য আৰু অগ্ৰাধিকাৰ খণ্ডৰ বাবে ব্যৱহৃত হ'ব লাগিব এই ব্যৱস্থা। এই উদ্দেশ্যৰে বেংকিং ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ অংশৰ কাম-কাজৰ বাবে এই ব্যৱস্থাৰ পোনপটীয়া দায়িত্ব গ্ৰহণ কৰাটো চৰকাৰৰ বাবে প্ৰয়োজনীয় হৈ পৰিছে।'

বেংক ৰাষ্ট্ৰীয়কৰণৰ 24 বছৰ পাছত 1993ৰ ডিচেম্বৰত ভাৰত চৰকাৰে বিত্ত মন্ত্ৰণালয়ে এখন আলোচনা-পত্ৰত কৈছিল, 'দেশৰ সকলো অংশলৈ আৰু সমাজৰ সৰ্বস্তৰলৈ বেংকিং আৰু বিত্তীয় সেৱা আগবঢ়োৱাই আছিল ৰাষ্ট্ৰীয়কৰণৰ লক্ষ্য। সম্পদ বিনিয়োজনৰ পৰিসৰ বৃদ্ধিও আন এটা কাৰণ আছিল। বিভিন্ন বিত্ত সেৱা আগবঢ়োৱাৰ মাজেদি ৰাজহুৱা খণ্ডৰ বেংকসমূহে যে এই প্ৰত্যাহ্বানৰ সফলতাৰ মুখামুখি হ'ব পাৰিছে আৰু দেশৰ চুকে-কোণে বিস্তৃতি লাভ কৰিছে তাত কোনো সন্দেহ নাই। বিত্তীয় উন্নয়নৰ প্ৰায়বিলাক মাপকাঠীয়েও উল্লেখযোগ্য প্ৰগতিকে সূচায়। ৰাষ্ট্ৰীয়কৰণৰ সময়ত 8321টা বেংকৰ শাখা আছিল, যাৰ 23 শতাংশ আছিল গাঁও অঞ্চলত। আজি গাঁৱলীয়া বেংকসমূহকে (RRB) ধৰি বেংকৰ মুঠ শাখা 60,000 অতিক্ৰম কৰি গৈছে আৰু ইয়াৰ 58 শতাংশই গাঁও অঞ্চলত অৱস্থিত। বেংকৰ মুঠ কাৰ্যালয়ৰ 93 শতাংশ আৰু বেংক জমাৰ 87 শতাংশ আজি ৰাজহুৱা খণ্ডৰ বেংকৰ দখলত (RRBকে ধৰি)। ব্যৱসায়িক বেংকসমূহৰ মুঠ জমাৰ পৰিমাণ 1969ত আছিল জিডিপিৰ 13 শতাংশ, 1993 ত 37 শতাংশলৈ বৃদ্ধি হৈছে। ৰাষ্ট্ৰীয়কৰণৰ সময়ত 65,000 জনসংখ্যাৰ মাজত একোটাকৈ বেংকৰ শাখা আছিল, 1993ৰ মাৰ্চত সেই সংখ্যা হৈছেগৈ প্ৰতি 11,000 জনসংখ্যাৰ বিপৰীতে একোটাকৈ বেংকৰ শাখা। এই সংখ্যাগত প্ৰসাৰতাই জাতিৰ সঞ্চয়ৰ এক উল্লেখযোগ্য অংশক জমাধনৰ ৰূপত সংগ্ৰহ কৰিব পাৰিছে আৰু দেশব্যাপী জনসাধাৰণৰ মাজত বেংকিং সম্বন্ধীয় সজাগতা বৃদ্ধি কৰিব পাৰিছে। ইয়াৰ উপৰি দেশখনৰ ঔদ্যোগিক ভিত্তি প্ৰসাৰৰ ক্ষেত্ৰত বেংক ব্যৱস্থা হ'ল এক প্ৰগতিশীল শক্তি।" 1993Ëতে অৰ্থাৎ দেশত অৰ্থনৈতিক সংস্কাৰ আৰম্ভ হোৱাৰ পাছত ভাৰত চৰকাৰে তৈয়াৰ কৰা প্ৰতিবেদনত এইখিনি কথা কৈছিল। 2021ৰ মাৰ্চলৈ ৰাজহুৱা খণ্ডৰ বেংকৰ শাখাৰ সংখ্যা 1,18,000টালৈ বৃদ্ধি হৈছে। 1969ত এই বেংকবোৰত মুঠ জমাৰ পৰিমাণ আছিল 5000 কোটি, 2021ৰ মাৰ্চত 157 লাখ কোটি; 1969ত ঋণৰ পৰিমাণ আছিল 3500 কোটি, 2021 ৰ মাৰ্চত 110 লাখ কোটি।

বেংক ৰাষ্ট্ৰীয়কৰণে যে দেশৰ অৰ্থনৈতিক উন্নয়নত বিৰাট ভূমিকা গ্ৰহণ কৰিছে এই সত্যটো ভাৰত চৰকাৰেই তথ্যসহকাৰে প্ৰকাশ কৰিছিল। কৃষিৰ উন্নয়নৰ ক্ষেত্ৰটো ৰাজহুৱা খণ্ডৰ বেংকে বিৰাট অৰিহণা আগবঢ়াইছিল। ভাৰতে খাদ্য-সামগ্ৰী আমেৰিকাৰ পৰা পি-এল 480 আঁচনিত আমদানি কৰি আনিছিল। বেংক ৰাষ্ট্ৰীয়কৰণৰ পাছত কৃষিখণ্ডত বেংকৰ অৰিহণাৰে ভাৰত খাদ্যত আত্মনিৰ্ভৰশীল হ'ব পাৰিছিল, সেউজ বিপ্লৱ সমাধা কৰিছিল। 1971ৰ ডিচেম্বৰত ভাৰতৰ কৃষিমন্ত্ৰী এ. পি. ছিন্দেই পি-এল 480 আঁচনিত খাদ্য সামগ্ৰী ৰপ্তানি বন্ধ কৰাৰ ঘোষণা কৰিছিল। উল্লেখ্য যে বেংকবোৰৰ জমাধনসমূহৰ প্ৰায় 80 শতাংশ হ'ল দেশৰ সাধাৰণ পৰিয়ালবোৰৰ। দুই বা তিনি শতাংশহে পুঁজিপতিসকলৰ। বাকীখিনি চৰকাৰৰ আৰু বিভিন্ন অনুষ্ঠানৰ। সাধাৰণ নাগৰিকৰ এই টকা ৰাষ্ট্ৰীয়কৰণ হোৱাৰ আগতে প্ৰায়খিনিয়ে পুঁজিপতিসকলে ব্যৱহাৰ কৰিছিল, তেওঁলোকৰ সমৃদ্ধিৰ বাবে। তদুপৰি বেংকবোৰৰ ধন পুঁজিপতিসকলে লুণ্ঠন কৰি বেংকবোৰ দেৱলীয়া কৰি দিছিল, ফলত জমাকাৰীসকলে জমাধনবোৰ হেৰুৱাই পেলাইছিল।

দেশত অৰ্থনীতি উদাৰীকৰণ আৰম্ভ হোৱা দিনৰে পৰা লাহে লাহে বেংক ৰাষ্ট্ৰীয়কৰণৰ মূল লক্ষ্য আৰু উদ্দেশ্যবোৰ লঘু কৰিবলৈ ধৰিলে। কৃষিখণ্ডত ঋণ, বিশেষকৈ দুখীয়া খেতিয়কক ঋণ, অগ্ৰাধিকাৰ খণ্ডত ঋণ আদিবোৰত মনোযোগ কমাই দিছিল। ভাৰতীয় বেংকিং ব্যৱস্থাৰ ভিত্তি ইমান শক্তিশালী আছিল যে বিশ্বত 2008ত আমেৰিকা-ইউৰোপকে ধৰি দেশবোৰে অৰ্থনীতিত মহাসংকটত নিমজ্জিত হৈছিল আৰু বেংকিং ব্যৱস্থা বিধ্বস্ত হৈ পৰিছিল, চৰকাৰী ধনেৰে পুনৰুদ্ধাৰ (bailout) কৰিব লগা হৈছিল; কিন্তু ইয়াৰ বিপৰীতে ভাৰতৰ অৰ্থনীতিক সেই সংকটে তেনেকুৱা ধৰণে আক্ৰমণ কৰিব পৰা নাছিল আৰু বেংকবোৰৰো ক্ষতিসাধন হোৱা নাছিল। সেই সময়ত ভাৰতৰ ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ ৱাই ভি ৰেড্ডী বিশ্বত প্ৰশংসিত হৈছিল। ইয়াৰ মুখ্য কাৰণেই আছিল ৰাজহুৱা খণ্ডৰ বেংকিং ব্যৱস্থা, ৰাষ্ট্ৰীয়কৃত বেংকৰ নীতি আৰু আৰ-বি-আইৰ নিয়ন্ত্ৰণ। আমেৰিকা আদি দেশৰ সমস্ত বেংকবোৰ ব্যক্তিগত বেংক আছিল।

ৰাষ্ট্ৰীয়কৃত বেংকবোৰ লোকচান হোৱা বেংক নহয়। 2020-21 বিত্তীয় বৰ্ষত ৰাষ্ট্ৰীয়কৃত বেংকবোৰে মুঠ অপাৰেটিং লাভ কৰিছে 1,97,374 কোটি টকা। যোৱা 12 বছৰত এই বেংকবোৰে লাভ কৰিছে 16,55,215 কোটি টকা।

2021-22ৰ প্ৰথম ত্ৰৈমাসিকত (এপ্ৰিল-মে'-জুন, 2021) 12টা ৰাজহুৱা খণ্ডৰ বেংকে অপাৰেটিং লাভ কৰিছে 50,000 কোটি। নগদ লাভ 17,000 কোটি টকা। আজিলৈ এটাও ৰাজহুৱা বেংক দেৱলীয়া হৈ বন্ধ হোৱা নাই, কিন্তু নতুন প্ৰজন্মৰ বেংক য়েছ বেংক, গ্ল'বেল ট্ৰাষ্ট বেংক, ইউনাইটেড ৱেষ্টাৰ্ণ বেংককে ধৰি 36টা বেংক দেৱলীয়া হৈ বন্ধ হৈছিল আৰু 36টা বেংক ৰাজহুৱা খণ্ডৰ বেংকৰ লগত সংযুক্ত কৰি জীয়াই

> **ব্যক্তিগত উদ্যোগ প্ৰতিষ্ঠানৰ মুখ্য লক্ষ্য হ'ল লাভ, ব্যক্তিগত বেংকৰো লক্ষ্য হ'ব লাভ ভাৰতৰ জনগণ নহয়। ভাৰত চৰকাৰে বৃহৎ পুঁজিপতিসকলৰ পৰা ঋণ আদায়ত সহযোগিতা নকৰি অনাদায়ী ঋণৰ বাবে ৰাজহুৱা খণ্ডৰ বেংকবোৰক দায়বদ্ধ কৰি ভাৰতৰ জনসাধাৰণৰ মূৰত মাধমাৰ মাৰি পুঁজিপতিৰ স্বাৰ্থ ৰক্ষাত অগ্ৰাধিকাৰ দিছে।**

ৰাখিব লগা হৈছিল। ৰাজহুৱা খণ্ডৰ বেংকবোৰে এই বেংকবোৰৰ বৃহৎ পৰিমাণৰ লোকচান লৈ ল'ব লগা হৈছে। ৰাজহুৱা খণ্ডৰ বেংকে বেংকিং ব্যৱস্থাত প্ৰভুত্ব কৰাত বেংক দেৱলীয়া হৈ বন্ধ হোৱাৰ যুগৰ (Era of Bank failore) অৱসান ঘটিছিল।

মোদী চৰকাৰ এতিয়া তৎপৰ হৈ পৰিছে 1969ৰ বেংক ৰাষ্ট্ৰীয়কৰণ আইনখন সংশোধন কৰি এটাৰ পাছত এটাকৈ বেংক ব্যক্তিগতকৰণ কৰিবলৈ অৰ্থাৎ যিসকল পুঁজিপতিয়ে বেংকৰ ঋণ আদায় নিদি লুণ্ঠন কৰি ৰাজহুৱা খণ্ডৰ বেংকৰ ক্ষতিসাধন কৰিছে তেওঁলোকৰ হাততে ৰাজহুৱা খণ্ডৰ বেংকবোৰ গতাই দিব বিচাৰিছে।

ৰাষ্ট্ৰীয়কৃত বেংকসমূহৰ ওপৰত মুখ্য অভিযোগ হ'ল অনাদায়ী ঋণ (NPA)। বৰ্তমান ৰাজহুৱা খণ্ডৰ বেংকবোৰৰ অনাদায়ী ঋণৰ পৰিমাণ হ'ল 6,16,615 কোটি টকা। অনাদায়ী ঋণবোৰৰ প্ৰায় 80 শতাংশই হ'ল বৃহৎ ব্যৱসায়ী আৰু কৰ্প'ৰেট হাউছৰ। এই বৃহৎ ব্যৱসায়ীসকলৰ বিৰুদ্ধে চৰকাৰে কোনো ব্যৱস্থাই নলয়। তদুপৰি বহুকেইজন ঋণ অনাদায়ী বৃহৎ ব্যৱসায়ী দেশ এৰি পলায়ন কৰিছে আৰু পলায়নত চৰকাৰী সহযোগিতাৰ অভিযোগ উঠিছে। ৰাষ্ট্ৰীয়কৃত বেংকবোৰৰ পৰিচালিত ব'ৰ্ডবোৰেও ঋণ দিয়াৰ ক্ষেত্ৰত স্বাধীনভাৱে সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰে। ব'ৰ্ডৰ অনেক সঞ্চালক চৰকাৰৰ নিয়োজিত (nominated) আৰু বেংকবোৰৰ চেয়াৰমেনকো প্ৰভাৱিত কৰে চৰকাৰৰ বন্ধু পুঁজিপতিক ঋণ দিবলৈ। ৰাষ্ট্ৰীয়কৃত বেংকবোৰৰ ব'ৰ্ডে যদি চৰকাৰী হস্তক্ষেপ নোহোৱাকৈ স্বাধীনভাৱে সকলো বিষয়তে সিদ্ধান্ত ল'ব পাৰিলেহেঁতেন ঋণ দিয়াৰ ক্ষেত্ৰত উপযুক্ত লোকক বা প্ৰতিষ্ঠানকে ঋণ দিব পাৰিলেহেঁতেন। ইমান পৰিমাণৰ অনাদায়ী ঋণ নহ'লহেঁতেন। আৰু অনেক চৰকাৰী আঁচনিৰ ঋণ বেংকবোৰে দিবলৈ বাধ্য হয়, যেনে— মুদ্ৰা ঋণ। 2019-20 বিত্তীয় বছৰত মুঠ মুদ্ৰা ঋণ 3.29 লাখ কোটি টকাৰ 18,835 কোটি টকা অনাদায়ী ঋণত পৰিণত হৈছে। বেংকিং পৰিভাষাত আগতে ঋণ ঘূৰাই নিদিয়া ধৰুৱাসকলক 'ইচ্ছাকৃত ঋণ অনাদায়ী' বুলি কোৱা হৈছিল (উইলফুল ডিফল্টাৰ)। চৰকাৰে এইসকলক উইলফুল ডিফল্টাৰৰ সলনি 'অসহযোগী দেনাদাৰ' বুলি ক'বলৈ কৈ ঋণ আদায়ৰ প্ৰক্ৰিয়াক লঘু কৰি দিছে। তদুপৰি এই দেনাদাৰসকলৰ বিৰুদ্ধে ফৌজদাৰী বিধি প্ৰয়োগ কৰি স্থাৱৰ-অস্থাৱৰ সম্পত্তি বাজেয়াপ্ত কৰি ঋণ আদায় কৰাৰ পথত চৰকাৰে যাবলৈ নিদিয়ে। 13টা কৰ্প'ৰেট হাউছৰ অনাদায়ী ঋণৰ পৰিমাণ 4,46,800 কোটি টকা। দুৰ্ভাগ্যজনক যে বৃহৎ ধনী কৰ্প'ৰেটকেইটাক 2,84,980 কোটি টকা ৰেহাই দি 1,61,820 কোটি টকাহে ঘূৰাই দিবলৈ কৈছে। ৰাজহুৱা খণ্ডৰ বেংকবোৰত কৰ্মচাৰী নিয়োগো কমাই দিছে চৰকাৰে, যি কাৰণে ঋণবোৰ সঠিকভাৱে নিৰীক্ষণ কৰিব নোৱাৰে। ৰাজহুৱা খণ্ডৰ 12টা বেংকৰ মুঠ গ্ৰাহকৰ সংখ্যা 140.2 কোটি। প্ৰতি কৰ্মচাৰীৰ ভাগত পৰে 1785 জন। বিপৰীতে এইছ-ডি-এফ-চি বেংকৰ প্ৰতি কৰ্মচাৰীৰ ভাগত 167 জন গ্ৰাহক, আই-চি-আই-চি-আই বেংকৰ প্ৰতি কৰ্মচাৰীৰ ভাগত 353 জন গ্ৰাহক, এক্সিছ বেংকৰ প্ৰতি কৰ্মচাৰীৰ ভাগত 325 জন গ্ৰাহক। ৰাজহুৱা বেংকবোৰত জনধন যোজনা, স্কুলৰ ছাত্ৰ আদিৰ একাউণ্ট খোলা গ্ৰাহকৰ ইমান ভিৰ যে ভাল ব্যৱসায় কৰা গ্ৰাহকবোৰ ভিৰৰ ভয়তে ৰাজহুৱা খণ্ডৰ বেংকলৈ নগৈ ব্যক্তিগত বেংকতে তেওঁলোকৰ ব্যৱসায়ৰ কাম কৰে। এই ভিৰৰ ফলত ৰাজহুৱা বেংকবোৰে অনেক ভাল ব্যৱসায়ৰ গ্ৰাহক হেৰুৱাইছে। প্ৰধানমন্ত্ৰী জনধন যোজনা (PMRJDY)ৰ একাউণ্ট 2021ৰ 27 জানুৱাৰীলৈ ৰাজহুৱা খণ্ডৰ বেংক আৰু আৰ-আৰ-বি মিলি 40 কোটি 27 লাখ খুলিছিল, কিন্তু 14টা ব্যক্তিগত খণ্ডৰ বেংকে মাত্ৰ এক কোটি 27 লাখ একাউণ্টহে খুলিছে। দুখীয়া মানুহৰ বাবে শূন্য জমা বা কম জমাতে একাউণ্ট ('No-Frills' Account) খোলাৰ বাবে চৰকাৰী নিৰ্দেশত সাত বছৰৰ ভিতৰত (2005ৰ পৰা 2012লৈ) 13 কোটি 50 লাখ একাউণ্ট খোলা হৈছিল, ইয়াৰে 90 শতাংশ 12টা ৰাজহুৱা খণ্ডৰ বেংকে খুলিছে। 12টা ব্যক্তিগত বেংকে মাত্ৰ 10 শতাংশ একাউণ্ট খুলিছে। জনধন যোজনাৰ একাউণ্টৰ বিপৰীতে ৰাজহুৱা খণ্ডৰ বেংক 23 কোটি এক লাখ ডেবিট কাৰ্ড প্ৰদান কৰিছে। এইবোৰ একাউণ্টৰ বাবে বেংকে লোকচান ভৰে। একাউণ্ট খোলোতে যথেষ্ট খৰচ হয় আৰু কৰ্মশক্তি অৰ্থাৎ কৰ্মচাৰীৰ প্ৰয়োজন হয়। ৰাজহুৱা খণ্ডৰ বেংকত কৰ্মচাৰী নিয়োগ প্ৰায় বন্ধ, কিন্তু এনেধৰণৰ অতিৰিক্ত কামৰ বাবে বহুসময়ত গ্ৰাহক সেৱা ক্ষতি কৰে ঋণৰ একাউণ্টবোৰ সঠিকভাৱে নিৰীক্ষণ কৰিব নোৱাৰে।

বৰ্তমান দেশত 52,444টা বেংকৰ শাখা গাঁও অঞ্চলত আছে, ইয়াৰে 55.22 শতাংশ ৰাজহুৱা খণ্ডৰ বেংকৰ 28,931টা ৰুৰেল বেংকৰ (RRB) 15,357টা 29.28 শতাংশ আৰু ব্যক্তিগত বেংকৰ 7236টা 13.79 শতাংশ। 1969লৈ কৃষিখণ্ডত মুঠ বেংক ঋণ আছিল 2.2 শতাংশ, 1980লৈ বৃদ্ধি হৈছিল 13 শতাংশলৈ আৰু 1989লৈ বৃদ্ধি হৈছিল 15.8 শতাংশলৈ। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগত বেংক ঋণ 1969ত নগণ্য আছিল। 1989লৈ 15.3 শতাংশলৈ বৃদ্ধি হৈছিল। বৰ্তমান শিক্ষাৰ বাবে ঋণৰ 95 শতাংশ দিছে ৰাজহুৱা খণ্ডৰ বেংকে। তদুপৰি ৰাজহুৱা খণ্ডৰ বেংকবোৰে দহ লাখতকৈ অধিক লোকক প্ৰত্যক্ষভাৱে কৰ্মসংস্থান দিছে।

দেশৰ অৰ্থনীতিৰ ৰাজহাঁড় হ'ল ৰাজহুৱা খণ্ডৰ বেংক, যিটো সত্য প্ৰমাণিত হৈছে 2008ৰ বিশ্ব অৰ্থনৈতিক সংকটৰ সময়ত। ভাৰতৰ অৰ্থনৈতিক ৰাজহুৱা খণ্ডৰ বেংকে বিশ্ব অৰ্থনীতিৰ সংকটৰ পৰা ৰক্ষা কৰিছিল। ব্যক্তিগত উদ্যোগ প্ৰতিষ্ঠানৰ মুখ্য লক্ষ্য হ'ল লাভ, ব্যক্তিগত বেংকৰো লক্ষ্য হ'ব লাভ ভাৰতৰ জনগণ নহয়। ভাৰত চৰকাৰে বৃহৎ পুঁজিপতিসকলৰ পৰা ঋণ আদায়ত সহযোগিতা নকৰি অনাদায়ী ঋণৰ বাবে ৰাজহুৱা খণ্ডৰ বেংকবোৰক দায়বদ্ধ কৰি ভাৰতৰ জনসাধাৰণৰ মূৰত মাধমাৰ মাৰি পুঁজিপতিৰ স্বাৰ্থ ৰক্ষাত অগ্ৰাধিকাৰ দিছে। আনফালে বেংকবোৰ ব্যক্তিগতকৰণেৰে দেৱলীয়া চৰকাৰখনে লাখ কোটি টকা সংগ্ৰহ কৰাৰ কথা ভাবিছে। ৰাজহুৱা খণ্ডৰ বেংকবোৰ ব্যক্তিগতকৰণ হ'লে অকল ভাৰতীয় পুঁজিপতিয়েই নহয়, বিদেশী পুঁজিপতিসকলেও মালিকানাৰ অধিকাংশ লৈ ল'ব লাভ অৰ্জনৰ বাবে। ইতিমধ্যেই ভাৰতৰ বৃহৎ ব্যক্তিগত বেংক এইছ-ডি-এফ-চি বেংকৰ 58.10 শতাংশ, এক্সিছ বেংকৰ 52.50 শতাংশ, আই-চি-আই-চি-আই বেংকৰ 48 শতাংশ, ক'টক বেংকৰ 42.80 শতাংশ বিদেশী বিনিয়োগকাৰী মালিক। এই ধৰণে ৰাজহুৱা খণ্ডৰ বেংক ব্যক্তিগতকৰণৰ দ্বাৰা মোদী চৰকাৰে জনসাধাৰণৰ স্বাৰ্থক জলাঞ্জলি দি দেশী-বিদেশী পুঁজিপতিৰ স্বাৰ্থ পূৰণ কৰিবলৈ ওলাইছে যিটো পদক্ষেপৰ বিৰুদ্ধে কৰ্মচাৰীসকলে তীব্ৰ আন্দোলন গঢ়ি তুলিছে।

ফোন ঃ 9435041203

# আৰু এটা আন্দোলনৰ উকমুকনি

অভিমত

**কুলেন বৰ্মন**


**'দৈনিক** অগ্ৰদূত'ৰ যোৱা তেৰ ডিচেম্বৰৰ প্ৰথম পৃষ্ঠাত প্ৰকাশিত কাকতৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাৰ 'আৰু এটা আন্দোলনৰ উকমুকনি'—শীৰ্ষক মূল্যবান, তথ্যভিত্তিক আৰু সময় সাপেক্ষে লিখা অৰ্থবহ প্ৰবন্ধটো পঢ়ি আমিও এই প্ৰসংগত দুষাৰ লিখাৰ প্ৰয়োজন অনুভৱ কৰিলো।

অসমৰ প্ৰতিটো জাতীয় সমস্যা জনগণৰ আগত তথ্যসহকাৰে দাঙি ধৰি জনমত গঠন কৰাত দৈনিক অগ্ৰদূতে সততে আগভাগ লৈ আহিছে। সেয়ে 'দৈনিক অগ্ৰদূত' হৈছে জাতীয় জাগৰণৰ প্ৰহৰী। প্ৰবন্ধ লেখক ডেকাই সংশোধিত নাগৰিকত্ব আইন (কা)ৰ সন্দৰ্ভত তথ্য সহকাৰে তথা ইতিবাচক চিন্তাধাৰাৰে প্ৰবন্ধটোত উপস্থাপন কৰা কথাবিলাকে জাতিক মনে-প্ৰাণে ভালপোৱা প্ৰতিজন অসমীয়াক প্ৰভাৱান্বিত কৰিব আৰু অনাগত দিনত ভৱিষ্যতৰ কৰ্মপন্থা সম্পৰ্কত নিশ্চিতভাৱে অধিক সতৰ্কতা অৱলম্বন কৰি বলিষ্ঠ পদক্ষেপ ল'ব বুলি আমাৰ বিশ্বাস।

বিগত প্ৰায় দুবছৰ ধৰি ৰাজ্যখনত মাৰাত্মক কৰ'না ভাইৰাছৰ মহা সংক্ৰমণে বিভীষিকাৰ সৃষ্টি কৰি থকাৰ পৰিপ্ৰেক্ষিতত আৰু এই বিষাক্ত জীৱাণুৰ পৰা ৰক্ষা পাবলৈ দীৰ্ঘদিন জনতা ঘৰত আৱদ্ধ হৈ থাকিবলগীয়া হোৱা হেতুকে বিগত কে'বামাহ ধৰি ৰাজ্যখনত আন্দোলন-প্ৰতিবাদৰ ধাৰাবাহিকতা কিছু স্তিমিত হৈ আছিল যদিও (সম্প্ৰতি) বৰ্তমান ইয়াৰ পৰিস্থিতি কিছু পৰিমাণে স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাত সংশোধিত নাগৰিকত্ব আইন 'কা' বাতিল কৰাৰ প্ৰসংগক লৈ ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতিকে ধৰি নিশাটোৰ ভিতৰতে জন্মলাভ কৰা পাবত গজা বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মীয়ে গৰজি উঠা সোচ্ছাৰ হৈ উঠা পৰিলক্ষিত হৈছে।

ৰাজপথ অৱৰোধ কৰি, টায়াৰ গাড়ী-মটৰ জ্বলাই, ৰাজহুৱা মূল্যবান সা-সম্পত্তি বিনষ্ট কৰি, সৰ্বসাধাৰণ ৰাইজক হাৰাশাস্তি কৰি, সামাজিক তথা শৈক্ষিক পৰিৱেশ বিনষ্ট কৰি আন্দোলন কৰিলেই সমস্যাৰ সমাধানৰ পথ সুগম হ'ব বুলি ভবাটো ভুল। অসমীয়া জাতিয়ে যিকোনো সমস্যাক আন্দোলনৰ দ্বাৰা সমাধান কৰাৰ ভ্ৰান্ত ধাৰণাই সমাজ জীৱনত বিশৃংখলতাৰ সৃষ্টি কৰিছে। হিংসা-বিদ্বেষ তথা আবেগ-অনুভূতি পৰিহাৰ কৰি সংযত হৈ ন্যায্য প্ৰাপ্তিৰ বাবে বিধি-বিধানৰ আধাৰত সংগ্ৰাম কৰিলেহে সফলতা লাভ কৰিব পাৰি। আৱেগৰ বশৱৰ্তী হৈ কৰা কাম তেনেই ক্ষণস্থায়ী। বিগত দুকুৰি বছৰতকৈও অধিক কাল ৰাজ্যখনত ধাৰাবাহিকভাৱে চলি থকা ৰাজপথৰ আন্দোলনে কাৰ স্বাৰ্থ পূৰণ কৰিছে— এই স্পৰ্শকাতৰ বিষয়টো লৈ এতিয়া ৰাজ্যখনৰ সচেতন মহলৰ মাজত ব্যাপকভাৱে চৰ্চা আৰম্ভ হৈছে।

১৯৭৯ত 'আছু'ৰ নেতৃত্বত অসমৰ পৰা বিদেশী খেদা আন্দোলন গঢ় লৈ উঠে আৰু ১৯৮৫ত 'আছু' আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত হোৱা চুক্তি অনুসৰি আন্দোলনৰ পৰিসমাপ্তি ঘটে। যদিও তেতিয়াৰে পৰা বিগত ৪০ বছৰতকৈ অধিককাল চুক্তি ৰূপায়ণক লৈ অসমীয়াসকলে কেৱল আন্দোলন আৰু আন্দোলন কৰাতে ব্যস্ত। অসম আন্দোলনে অসমীয়া জাতিৰ ৰাজহাড় ভাঙি পেলালে। অৱশ্যে এই আন্দোলনৰ সুবাদতে একাংশ আন্দোলনকাৰী নেতা, পালিনেতা কোটি কোটি টকা আৰু সা-সম্পত্তিৰ মালিক হ'ল। মূলতঃ তথাকথিত বিদেশী বহিষ্কাৰ আন্দোলনৰ নামত ৮৫৫ জন তেজাল অসমীয়া যুৱকে অকালতে প্ৰাণ হেৰুৱালে, ছাত্ৰ-ছাত্ৰীয়ে এটা মূল্যবান শৈক্ষিক বছৰ হেৰুওৱাৰ উপৰি বহুজন চিৰকালৰ বাবে পংগু হ'ল, বহুগৰাকীৰ মহিলাৰ কপালৰ সেন্দূৰ মোচা গ'ল।




এতিয়া বহু চৰ্চিত 'কা' বাতিল কৰাৰ প্ৰসংগক লৈ বিষয়টো যিহেতু উচ্চতম ন্যায়ালয়ত বিচাৰধীন অৱস্থাত; গতিকে আন্দোলনৰ গুৰি ধৰোতাসকলে সাময়িকভাৱে আন্দোলনৰ কাৰ্যসূচী স্থগিত ৰাখি ন্যায়ালয়ৰ ৰায়লৈ অপেক্ষা কৰাটো উচিত হ'ব বুলি আমি বিবেচনা কৰো। অৱশ্যে স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ দ্বাৰা সাধাৰণ জনতা লাঞ্ছিত, বঞ্চিত তথা উপেক্ষিত হ'লে জনতাৰ মনত বিদ্ৰোহৰ অগণি জ্বলে আৰু তেতিয়া বঞ্চিত জনতাই নিজৰ প্ৰাপ্য আদায় কৰিবলৈ শেষ অস্ত্ৰ হিচাপে আন্দোলনৰ পথ বাচি লয়। কিন্তু সেই আন্দোলন যথাৰ্থতে হ'ব লাগিব জনকল্যাণমুখী তথা সকলো সম্প্ৰদায়ৰ তথা ৰাইজৰ, সমাজৰ স্বাৰ্থৰ হকে আৰু তেতিয়াহে তাৰ সুফল আশা কৰিব পাৰি। জনসাধাৰণৰ স্বাৰ্থত তথা কল্যাণৰ হকে যিকোনো সমস্যা সমাধান কৰিবলৈ হ'লে ৰাইজৰ দ্বাৰা নিৰ্বাচিত এখন সংবিধান প্ৰদত্ত চৰকাৰ থাকে। গতিকে সমস্যা সমাধানৰ কৰ্তৃত্বও চৰকাৰৰহে; কোনো ধৰণৰ ভয়-ভাবুকি প্ৰদানেৰে সমস্যা সমাধান কৰাৰ কথা চিন্তা কৰা বা ভবাটো অমূলক। উল্লেখ্য যে আজি প্ৰায় ডেৰবছৰ কাল ধৰি বিৰামহীনভাৱে পঞ্জাৱ, হাৰিয়ানা, উত্তৰপ্ৰদেশ, দিল্লী আদি ৰাজ্যৰ কৃষকসকলে আন্দোলন কৰাৰ অন্তত কৃষক আন্দোলন সফল হোৱাৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি সংশোধিত নাগৰিকত্ব আইনবিৰোধী আন্দোলনকাৰীসকলো উৎসাহিত হৈ পৰিছে। ইতিমধ্যে 'কা' বিৰোধী আন্দোলনকাৰী কেইটামান সংগঠন পুনৰ আন্দোলন কৰিবলৈ ককালত টঙালি বান্ধিছে। এই 'কা' বিৰোধী আন্দোলনত ইতিমধ্যে আৰক্ষীৰ গুলিত পাঁচজনকৈ যুৱক ক্ৰমে— দীপাঞ্জল দাস, দীজেন্দ্ৰ পাংগিং, ছেম ষ্টেফাৰ্ড, ঈশ্বৰ নায়ক আৰু আব্দুল আলীয়ে অকালতে প্ৰাণ হেৰুৱায়।

সম্পাদক ডেকাই কোৱাৰ দৰে অতি তাৎপৰ্যপূৰ্ণ কথাটো হ'ল এই 'কা' বিৰোধী আন্দোলনত আন্দোলনকাৰীসকলে দিন-ৰাতিক একাকাৰ কৰি আন্দোলনত জপিয়াই পৰিছিল যদিও বিধেয়কখন অৰ্থাৎ 'কেব' উভয় সদনতে গৃহীত হোৱাৰ পাছত অনুষ্ঠিত অসম বিধানসভা নিৰ্বাচনত বিজেপি আৰু মিত্ৰজোঁটে ৰাইজৰ পৰা বিপুল সমৰ্থন লাভ কৰি নিৰ্বাচনত জয়লাভ কৰিবলৈ সক্ষম হৈছে। এক কথাত ক'বলৈ হ'লে আইনৰ বিৰোধীতাৰে আন্দোলনৰ নেতৃত্ব প্ৰদান কৰা অথবা তালৈ সমৰ্থন কৰা দলসমূহ ৰাইজৰ দ্বাৰা প্ৰত্যাখিত হৈছে; অৰ্থাৎ নাগৰিকত্ব আইনৰ সংশোধন ঘটাই বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ হিন্দুসকলক এই দেশত নাগৰিকত্ব প্ৰদানৰ দুৱাৰ মুকলি কৰি দিয়া বিজেপিৰ পক্ষতে অসমৰ ৰাইজে ভোটদান কৰিছে।

আন্তৰ্জাতিক আইন অনুসৰি কোনো এখন ৰাষ্ট্ৰৰ নাগৰিকে যদিহে সেইখন দেশত জীৱনৰ নিৰাপত্তা অনুভৱ নকৰে, তেন্তে আন এখন দেশত আশ্ৰয় বিচাৰি আবেদন কৰিব পাৰে আৰু মানৱ অধিকাৰৰ ভিত্তিত তেওঁলোকে আশ্ৰয় লাভ কৰে।

শেষত আমি ইয়াকে ক'ব বিচাৰিছো যে অসমীয়া জাতিয়ে নিজৰ স্বকীয় অস্তিত্ব, পৰম্পৰা তথা স্বাভিমান (ৰক্ষা) সুৰক্ষিত তথা বৰ্তাই ৰাখিবলৈ হ'লে ৰাজপথৰ বিধ্বংসী আন্দোলন পৰিহাৰ কৰি জনসাধাৰণৰ মাজত কৰ্ম-সংস্কৃতিৰ বাতাৱৰণ জগাই তুলিব লাগিব আৰু এই ক্ষেত্ৰত অসমীয়া জাতিৰ ত্ৰাণকৰ্তা বুলি সততে দাবী কৰা জাতীয় সংগঠনসমূহে নিশ্চিতভাৱে আগভাগ ল'ব লাগিব। কেইজনমান লোকক নেতা হ'বলৈ অথবা আন কেইজনমানক চান্দা তোলাৰ সুবিধা দিবলৈ আজি আৰু এটা আন্দোলনৰ বোজা অসমবাসীয়ে বহন কৰিবনে বুলি প্ৰবন্ধ লেখক প্ৰাঞ্জলসেন ডেকাই কোৱা কথা বিশেষ মন কৰিবলগীয়া।

ফোন ঃ ৯৪৩৫৩৩৮৪১৯

## মালয়েছিয়াত প্ৰৱল বৃষ্টিপাতত বানৰ তাণ্ডৱ, ১১ হেজাৰ লোক হ'ল গৃহহীন



**নিউজ ব্যুৰ', কোৱালালামপুৰ, ১৯ ডিচেম্বৰ ঃ** মালয়েছিয়াত বিগত কে'বাদিন ধৰি প্ৰৱল বৃষ্টিপাত অব্যাহত আছে। প্ৰচণ্ড বৰষুণৰ ফলত দেশখনৰ প্ৰায়বোৰ অঞ্চলতে বান সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। স্থানীয় প্ৰশাসনে প্ৰকাশ কৰা বাতৰি অনুসৰি, এতিয়ালৈকে বানৰ তাণ্ডৱত দেশখনৰ বিভিন্ন অঞ্চলত ১১ হেজাৰ লোক গৃহহীন হৈছে। বানৰ ফলত বিভিন্ন অঞ্চলৰ বাটপথ জলবদ্ধ হৈ আছে। দেশখনৰ ১৬ খন ৰাজ্যৰ আঠখনত শনিবাৰে জলস্তৰ বিপদ সীমাৰ ওপৰত আছিল।

## ৰাজস্থানত তাপমাত্ৰা মাইনাছ তিনি ডিগ্ৰীলৈ নামিল, দিল্লীত ৪.৬ ডিগ্ৰী



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ ডিচেম্বৰ ঃ** দেশত শীতৰ প্ৰকোপ ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। ৰাজধানী দিল্লীত তীব্ৰ শীতৰ প্ৰকোপত স্বাভাৱিক জীৱন প্ৰভাৱিত হৈছে। দিল্লীৰ ৰাজধানী অঞ্চলৰ তাপমাত্ৰাৰ পাৰাস্তম্ভ ৪.৬ ডিগ্ৰী ছেলচিয়াছলৈ অৱনমিত হৈছে। সবাতোকৈ অধিক শীতল হৈছে ৰাজস্থান। ৰাজ্যখনৰ ফটেপুৰ আৰু চাৰু অঞ্চলত তাপমাত্ৰা হিমাংকৰ তললৈ নামিছে। ফটেপুৰত তাপমাত্ৰা মাইনাছ ৩.৩ ডিগ্ৰী আৰু চাৰুত মাইনাছ ১.১ ডিগ্ৰী ছেলচিয়াছলৈ হ্ৰাস পাইছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা তথ্য অনুসৰি, কাশ্মীৰ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ডত প্ৰৱল তুষাৰপাত অব্যাহত আছে আৰু এই কাৰণতে সমগ্ৰ উত্তৰ ভাৰতত শীতৰ প্ৰকোপ বৃদ্ধি পাইছে। জম্মু-কাশ্মীৰত কালিৰ দিনটো আছিল বছৰৰ সবাতোকৈ শীতল দিন। কালি শ্ৰীনগৰত মাইনাছ ছয় ডিগ্ৰী আৰু জম্মুত ২.৩ ডিগ্ৰী ছেলচিয়াছলৈ তাপমাত্ৰা হ্ৰাস পাইছিল। পহেলগাঁৱত তাপমাত্ৰা আছিল মাইনাছ ৮.৩ ডিগ্ৰী ছেলচিয়াছ। গুলমাৰ্গত মাইনাছ ৮.৫ ডিগ্ৰী ছেলচিয়াছ, দ্ৰাছত মাইনাছ ২০.৩ ডিগ্ৰী আৰু লেহত মাইনাছ ১৫.৩ ডিগ্ৰী ছেলচিয়াছলৈ তাপমাত্ৰা হ্ৰাস পাইছে। ৰাজধানী দিল্লীতো চলিত শীতৰ সবাতোকৈ শীতল দিন আছিল শনিবাৰ।

## ধৰ্মগ্ৰন্থক অৱমাননাৰ অভিযোগত পঞ্জাৱত এজন লোকক দলবদ্ধ প্ৰহাৰৰে হত্যা

**নিউজ ব্যুৰ', কপুৰথলা, ১৯ ডিচেম্বৰ ঃ** পঞ্জাৱৰ কপুৰথলা জিলাৰ নিজামপুৰত নিছান চাহিবক অপমান কৰাৰ অভিযোগত এজন লোকক একাংশ উন্মত্ত লোকে দলবদ্ধ আক্ৰমণ কৰি হত্যা কৰিলে। উত্থাপিত অভিযোগ অনুসৰি, এজন যুৱকে শিখসকলৰ পৱিত্ৰ ধৰ্মগ্ৰন্থক অপমান কৰাৰ অপচেষ্টা চলোৱাত একাংশ লোকে তেওঁক প্ৰথমে বাধা দিয়ে আৰু তাৰ পাছত দলবদ্ধ প্ৰহাৰ কৰিবলৈ ধৰে। ঘটনাস্থলীত আৰক্ষীয়ে উপস্থিত হৈ দলবদ্ধ আক্ৰমণত বাধা দিয়াত উত্তেজিত ৰাইজৰ স'তে হতাহতি হয়। উপায়হীন হৈ আৰক্ষীয়ে শূন্যলৈ গুলিচালনা কৰিছিল। কিন্তু ক্ষুব্ধ ৰাইজৰ প্ৰহাৰত ইতিমধ্যে অভিযুক্ত যুৱকৰ মৃত্যু হৈছিল। এই ঘটনাক লৈ অঞ্চলটোত চেপা উত্তেজনা বাহাল আছে।



## 'ছুপাৰ টাইফুন'ত বিপৰ্যস্ত ফিলিপাইন্সত নিহত কমেও ৭৫ জন



**নিউজ ব্যুৰ', মানিলা, ১৯ ডিচেম্বৰ ঃ** আমেৰিকাৰ পাছত এইবাৰ প্ৰচণ্ড ধুমুহাই বিধ্বস্ত কৰিলে ফিলিপাইন্সক। শক্তিশালী 'ছুপাৰ টাইফুন' ৰাইৰ তাণ্ডৱত দেশখনৰ কমেও ৭৫ জন লোকৰ মৃত্যু হ'ল। তদুপৰি বহুজন সন্ধানহীন হৈ আছে। চৰকাৰী পৰিসংখ্যা অনুসৰি, টাইফুন ৰাইৰ প্ৰভাৱত কমেও তিনি লাখ লোকে সম্প্ৰতি বাসগৃহ ত্যাগ কৰি নিৰাপদ স্থানত অৱস্থান গ্ৰহণ কৰিছে। বৃহস্পতিবাৰৰ নিশাৰ পৰাই ধুমুহাৰ তাণ্ডৱ আৰম্ভ হৈছিল আৰু ঘণ্টাত ১৯৫ কিলোমিটাৰ বেগৰে গতি কৰা ধুমুহাই দ্বীপ ৰাষ্ট্ৰখনৰ ভয়াৱহ ক্ষতিসাধন কৰে।

### পুনৰ তলাবন্ধ হ'ব ব্ৰিটেইনত ঃ পেৰিছত নৱবৰ্ষৰ নিশা পৰম্পৰাগতভাৱে পালিত আতচবাজী নিষিদ্ধ

# অ'মিক্ৰন প্ৰতিৰোধৰ বাবে কঠোৰ হৈছে ইউৰোপীয় দেশ

**নিউজ ব্যুৰ' লণ্ডন, ১৯ ডিচেম্বৰ ঃ** দ্ৰুতগতিত সংক্ৰমিত হোৱা ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনক প্ৰতিৰোধ কৰিবলৈ ইউৰোপৰ দেশসমূহে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ব্ৰিটেইনে আকৌ এবাৰ তলাবন্ধৰ যো-জা চলাইছে। ইফালে, নেপালৰ পৰা দক্ষিণ কোৰিয়ালৈকে আন কে'বাখনো দেশে অ'মিক্ৰন প্ৰতিৰোধৰ বাবে ইতিমধ্যে অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ফ্ৰান্স আৰু অষ্ট্ৰিয়ায়ো যাত্ৰীৰ ক্ষেত্ৰত একাধিক নিষেধাজ্ঞা আৰোপ কৰিছে। পেৰিছত নৱবৰ্ষৰ নিশা পৰম্পৰাগতভাৱে পালিত আতচবাজী নিষিদ্ধ কৰা হৈছে। ডেনমাৰ্কত ইতিমধ্যে ক'ভিড প্ৰতিৰোধৰ বাবে পুনৰ থিয়েটাৰ, চিনেমা হল, বিনোদন অনুষ্ঠানসমূহ বন্ধ কৰাৰ লগতে ৰেস্তোৰাঁ আৰু



পানশালাত গ্ৰাহকৰ সংখ্যা সীমিত ঘোষণা কৰা হৈছে। আয়াৰলেণ্ডতো পানশালা আৰু ৰেস্তোৰাঁ নিশা আঠ বজাৰ পাছত বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। নেদাৰলেণ্ডছতো বিশেষজ্ঞ পেনেলৰ ক'ভিড প্ৰতিৰোধী পৰামৰ্শ চৰকাৰে বলৱৎ কৰাৰ সিদ্ধান্ত লৈছে। দেশখনৰ চৰকাৰে ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আংশিক তলাবন্ধৰ কথা বিবেচনা কৰিছে। অৱশ্যে ফ্ৰান্সসহ ইউৰোপৰ একাংশ দেশত নাগৰিকসকলে তলাবন্ধ আৰু ক'ভিড নীতি-নিৰ্দেশনাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। নেপালে জাৰ্মানী, ইটালী, ব্ৰিটেইন, কানাডা আৰু আমেৰিকাসহ ৬৭ খন দেশৰ পৰা অহা যাত্ৰীৰ ক্ষেত্ৰত ১৪ দিনৰ কোৱাৰেণ্টাইন বাধ্যতামূলক ঘোষণা কৰিছে। ইয়াৰে সাতদিন হোটেলত আৰু সাতদিন নিজৰ ঘৰত নিভৃতবাসত থাকিব লাগিব।



## বাগদাদত মাৰ্কিন দূতাবাসক লক্ষ্য হিচাপে লৈ ৰকেট আক্ৰমণ ইৰানৰ

**নিউজ ব্যুৰ' বাগদাদ, ১৯ ডিচেম্বৰ ঃ** ইৰাকৰ বাকদাদৰ সুৰক্ষিত 'গ্ৰীণ জ'ন'ত দুটাকৈ ৰকেটে আঘাত হানিলে। ইৰাকৰ ৰাষ্ট্ৰীয় সংবাদ প্ৰতিষ্ঠানে আজি নিৰাপত্তা বাহিনীৰ উদ্ধৃতিৰে এই কথা প্ৰকাশ কৰে। এটা ৰকেট চি-ৰেম প্ৰতিৰক্ষা ব্যৱস্থাৰ সহায়ত আকাশতে ধ্বংস কৰা হয় আৰু আনটোৰে গ্ৰীণ জ'নৰ উৎসৰ প্ৰাংগণত বিস্ফোৰণ সংঘটিত কৰে। এই বিস্ফোৰণত দুখন গাড়ী ক্ষতিগ্ৰস্ত হৈছে। অৱশ্যে কোনো লোক হতাহত হোৱাৰ বাতৰি লাভ কৰা হোৱা নাই। এই গ্ৰীণ জ'নতে মাৰ্কিন দূতাবাসসহ বিদেশী দূতাবাস আছে আৰু আমেৰিকাৰ দূতাবাসক লক্ষ্য হিচাপে লৈ ইৰানে ৰকেট আক্ৰমণ সংঘটিত কৰা বুলি আমেৰিকা আৰু ইৰাকৰ বিষয়াই দাবী কৰিছে।



## কাশ্মীৰত নিৰাপত্তা বাহিনীৰে সংঘৰ্ষত নিহত এজন সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১৯ ডিচেম্বৰ ঃ** কাশ্মীৰৰ শ্ৰীনগৰত নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত হোৱা এক সংঘৰ্ষত এজন সন্ত্ৰাসবাদী ধৰাশায়ী হ'ল। মৃত সন্ত্ৰাসবাদীজনৰ এতিয়ালৈকে চিনাক্তকৰণ হোৱা নাই। অঞ্চলটোত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ বাতৰি লাভৰ পাছত যোৱা নিশা সেনা আৰু আৰক্ষীয়ে সন্ত্ৰাসবাদীৰ সন্ধানত তালাচী অভিযান চলোৱাৰ সময়তে আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰাত উভয় পক্ষৰ সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। দীৰ্ঘ সময় ধৰি হোৱা উভয় পক্ষৰ গুলীয়াগুলিত এজন সন্ত্ৰাসবাদী নিহত হয়। উল্লেখ্য যে শ্ৰীনগৰত বিগত ৩৩ দিনত তিনিজন পাকিস্তানী সন্ত্ৰাসবাদীক সেনাই হত্যা কৰিলে।

### মূৰৰ বিষ, ডিঙিত খচখচনি-বিষ, নাক বন্ধ, অৱসাদ অ'মিক্ৰনৰ উপসৰ্গ

## দেশত ১৪৬ জনলৈ বৃদ্ধি অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ ডিচেম্বৰ ঃ** ভাৰতত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা দেওবাৰে ১৪৬ জনলৈ বৃদ্ধি পালে। নেচনেল ক'ভিড-১৯ ছুপাৰ মডেল কমিটীৰ সদস্যই প্ৰকাশ কৰা অনুসৰি, অ'মিক্ৰনে সংক্ৰমণৰ ক্ষেত্ৰত ডেল্টা প্ৰজাতিৰ স্থান গ্ৰহণ কৰিলে ভাৰতৰ কৰ'নাৰ সংক্ৰমণৰ তৃতীয়টো ঢৌৰ আগমন ঘটাটো নিশ্চিত। আগন্তুক ফেব্ৰুৱাৰীৰ ভিতৰত দেশত অ'মিক্ৰনৰ সংক্ৰমণৰ ফলত কৰ'নাৰ তৃতীয়টো ঢৌ সৃষ্টিৰ সম্ভাৱনা আছে। পৰিসংখ্যা অনুসৰি দেওবাৰলৈকে মহাৰাষ্ট্ৰত ৫১, ৰাজস্থানত ১৭, দিল্লীত ২২, গুজৰাটত সাত, কেৰালাত ১১, কৰ্ণাটকত ১৪, তেলেংগানাত ২১, অন্ধ্ৰ প্ৰদেশত এজন,



চণ্ডীগড়ত এজন, পশ্চিমবংগত এজন আৰু তামিলনাডুত এজন লোকৰ শৰীৰত ক'ভিডৰ এই নতুন প্ৰজাতিৰ সংক্ৰমণ ধৰা পৰিছে। বিশেষজ্ঞসকলে প্ৰকাশ কৰা অনুসৰি, কৰ'নাৰ ডেল্টা প্ৰজাতিৰ তুলনাত অ'মিক্ৰনত আক্ৰান্ত লোকৰ ক্ষেত্ৰত কিছু পৃথক উপসৰ্গই দেখা দিছে। মূৰৰ বিষ, ডিঙিত খচখচনি অনুভৱ, ডিঙিৰ বিষ, নাক বন্ধ হোৱা, অৱসাদ অনুভৱ কৰা আদি হৈছে অ'মিক্ৰনৰ মূল উপসৰ্গ। বিশ্ব স্বাস্থ্য সংস্থাই ইতিমধ্যে সকলো দেশকে ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণক গুৰুত্বসহকাৰে গ্ৰহণ কৰিবলৈ আৰু প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ পৰামৰ্শ দিছে। ক'ভিড বিধি উচিতভাৱে পালন নকৰিলে বিশ্বৰ বিভিন্ন দেশত অ'মিক্ৰনে অতি ভয়াৱহ ৰূপ ধাৰণ কৰাৰ শংকা আছে বুলিও বিশ্ব স্বাস্থ্য সংস্থাই মত ব্যক্ত কৰিছে।

## পঞ্জাৱ মুক্তি মৰ্চাই পঞ্জাৱৰ নিৰ্বাচনত আটাইকেইটা সমষ্টিত কৰিব প্ৰাৰ্থী প্ৰক্ষেপ



**নিউজ ব্যুৰ', লুধিয়ানা, ১৯ ডিচেম্বৰ ঃ** সকলো ৰাজনৈতিক দলৰ প্ৰতি অনাস্থা প্ৰকাশ কৰি পঞ্জাৱত কে'বাটাও সংগঠন একত্ৰিত হৈ পঞ্জাৱ মুক্তি মৰ্চা নামৰে এটা ৰাজনৈতিক দল গঠন কৰিলে। সোমবাৰে লুধিয়ানাত এই নৱগঠিত দলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব। উল্লেখ্য যে এই নতুন ৰাজনৈতিক দলটো গঠনৰ ক্ষেত্ৰত পঞ্জাৱৰ ব্যৱসায়ীসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। পঞ্জাৱ মুক্তি মৰ্চাই ইতিমধ্যে ঘোষণা কৰা অনুসৰি, তেওঁলোকৰ দলটোৱে পঞ্জাৱত বিধানসভাৰ সকলোবোৰ সমষ্টিত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব।

## যোগী নহয়, মোদীহে নিৰ্বাচনৰ মুখ্য চেহেৰা ঃ ৩০ দিনত নবাৰ উত্তৰ প্ৰদেশ ভ্ৰমণ প্ৰধানমন্ত্ৰীৰ

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৯ ডিচেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ বিধানসভাৰ আসন্ন নিৰ্বাচনত বিজেপিৰ মুখ্য চেহেৰা হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। যোৱা ৩০ দিনত মোদীয়ে নবাৰকৈ উত্তৰ প্ৰদেশত জনসভাত অংশ ল'লে। আগন্তুক আঠদিন মোদীয়ে উত্তৰ প্ৰদেশত অতিবাহিত কৰিব। বিজেপিয়ে উত্তৰ প্ৰদেশত মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ নামত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিলেও দৰাচলতে মোদীহে হৈছে বিজেপিৰ মুখ্য চেহেৰা। সেয়েহে প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনত জনসভাত অংশ লৈ ভিৰ বৃদ্ধিৰ চেষ্টা চলাইছে। তদুপৰি যোগীৰ তুলনাত ৰাজ্যখনত বৰ্তমানলৈকে প্ৰচাৰৰ ক্ষেত্ৰত মোদীৰ সৰ্বাধিক সংখ্যক প'ষ্টাৰ-বেনাৰ বিজেপিয়ে



ব্যৱহাৰ কৰিছে। মোদীয়ে এনেবোৰ জনসভাত অংশ লৈ মুখ্যমন্ত্ৰী যোগীৰ গুণানুকীৰ্তন কৰি আহিছে। উত্তৰ প্ৰদেশৰ আইন-শৃংখলা যোগীৰ দিনত যথেষ্ট উন্নত হ'ল বুলিও প্ৰধানমন্ত্ৰীয়ে জনসভাত কৌশলপূৰ্ণভাৱে দাবী কৰিছে। অহা ২৮ ডিচেম্বৰলৈকে মোদীয়ে কাশী, প্ৰয়াগৰাজ আৰু কানপুৰত নিৰ্বাচনী সভাত অংশ ল'ব। ইফালে, যোগীয়ে বিগত এমাহত উত্তৰ প্ৰদেশৰ সাতখন চহৰত বৃহৎ জনসভাত অংশ ল'লে।

# উহানৰ স্বৰূপ উন্মোচন কৰা ঔপন্যাসিকক চি ডব্লিউ এৰ পৰা কৰিলে বহিষ্কাৰ

**নিউজ ব্যুৰ', বেইজিং, ১৯ ডিচেম্বৰ ঃ** কৰ'নাৰ প্ৰথম সংক্ৰমণৰ সময় চীনৰ উহানত হোৱা তলাবন্ধত উক্ত অঞ্চলৰ বাসিন্দাসকলে সন্মুখীন হোৱা হাৰাশাস্তিৰ বিষয়ে বিশ্ববাসীক অৱগত কৰোৱা চীনৰ ঔপন্যাসিক ফাংগ ফাংগ বিপদৰ সন্মুখীন হ'ল। চীনা লেখক সংঘ (চি ডব্লিউ এ)ৰ ১০ সংখ্যক ৰাষ্ট্ৰীয় কংগ্ৰেছকে বহিষ্কৃত হ'ল ফাংগ। উল্লেখ্য যে চীনৰ উহান চহৰত বিশ্বৰ ভিতৰত প্ৰথম কৰ'না সংক্ৰমণ ধৰা পৰিছিল। এই মহামাৰী ধৰা পৰাৰ পাছতে বিশ্বৰ ভিতৰতে সৰ্বপ্ৰথম উহানত তলাবন্ধ ঘোষণা কৰা হৈছিল। সেই সময়ত



জানুৱাৰীৰ পৰা মাৰ্চ ২০২০লৈকে ফাংগে নিয়মিতভাৱে অঞ্চলটোৰ বাসিন্দাসকলে সন্মুখীন হোৱা সমস্যাৰ সন্দৰ্ভত সামাজিক মাধ্যমত প্ৰতিবেদন প্ৰকাশ কৰিছিল। এইসমূহ প্ৰতিবেদন 'উহান ডায়েৰী' নামৰে পৰিচিত হৈছিল। ফাংগক সমৰ্থন জনোৱা চি ডব্লিউ এৰ প্ৰাক্তন উপ-সভাপতি জাংগ কাংগকাংগৰ নামো সদস্যৰ তালিকাত এইবাৰ অন্তৰ্ভুক্ত নহ'ল। ফাংগ আৰু কাংগ দুয়োৱে ২০১৮ত চি ডব্লিউ এৰ নৱম সংখ্যক ৰাষ্ট্ৰীয় কংগ্ৰেছত অংশ লৈছিল। কিন্তু এইবাৰৰ চি ডব্লিউ এৰ দশম সংখ্যক ৰাষ্ট্ৰীয় কংগ্ৰেছত অংশ লোৱাৰ পৰা বঞ্চিত হ'ল ফাংগৰ লগতে কাংগ।

## পাকিস্তানক ১৯৫ নিযুত ডলাৰৰ ঋণ মঞ্জুৰ কৰিলে বিশ্ব বেংকে



**নিউজ ব্যুৰ', ইছলামাবাদ, ১৯ ডিচেম্বৰ ঃ** পাকিস্তানৰ বিত্তীয় পৰিস্থিতি দিনকদিনে শোচনীয় হ'বলৈ ধৰিছে। কোটি ডলাৰৰ ঋণত ডুব যোৱা পাকিস্তান চৰকাৰে আন্তঃৰাষ্ট্ৰীয় মঞ্চৰ পৰা সহায় বিচাৰি আহিছে। এনে পৰিস্থিতিতে পাকিস্তানক বিত্তীয় দিশত কিছু সকাহ দিলে বিশ্ব বেংকে। পাকিস্তানৰ বাবে ১৯৫ নিযুত ডলাৰৰ ঋণৰ প্ৰস্তাৱত অনুমোদন জনালে বিশ্ব বেংকে। দৰাচলতে পাকিস্তানে চীন আৰু আৰৱৰ দেশৰ পৰা বৃহৎ পৰিমাণৰ ঋণ গ্ৰহণ কৰিছিল। এইদৰে ঋণৰ পৰিমাণ বৃদ্ধি পোৱাত পৰিশোধৰ বাবে পাকিস্তানে ঋণ বিচাৰি বিশ্ব বেংকৰ দ্বাৰস্থ হৈছিল। অৱশেষত বিশ্ব বেংকে পাকিস্তানলৈ ১৯৫ নিযুত ডলাৰৰ ঋণ মঞ্জুৰ কৰিলে।

## ৰক্তাক্ত কেৰালা ঃ ১২ ঘণ্টাত এছ ডি পি আই-বিজেপিৰ নেতাক হত্যাত চাঞ্চল্য



**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ১৯ ডিচেম্বৰ ঃ** ১২ ঘণ্টাৰ ব্যৱধানত কেৰালাত দুজন ৰাজনৈতিক নেতাৰ হত্যাক লৈ ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। শনিবাৰে ছ'চিয়েল ডেম'ক্ৰেটিক পাৰ্টি (এছ ডি পি আই)ৰ এজন নেতাক হত্যাৰ পাছত আজি পুৱা বিজেপিৰ নেতা ৰণজিৎ শ্ৰীনিবাসনক দুষ্কৃতিকাৰীয়ে বাসগৃহতে হত্যা কৰিলে। ঘটনাৰ ফলত ৰাজ্যখনৰ আলাপ্পুজ্জা জিলাত ইতিমধ্যে ১৪৪ ধাৰা জাৰি কৰা হৈছে। পুৱা প্ৰাতভ্ৰমণৰ বাবে সাজু হোৱাৰ সময়তে দুষ্কৃতিকাৰীয়ে প্ৰথমে শ্ৰীনিবাসনক প্ৰহাৰ কৰে আৰু তাৰ পাছত ডিঙিত চোকা অস্ত্ৰৰে আঘাত হানিছিল। ফলত ঘটনাস্থলীতে তেওঁৰ মৃত্যু হয়। উল্লেখ্য যে কালি এছ ডি পি আইৰ নেতা কে এছ খানকো দুষ্কৃতিকাৰীয়ে ঘৰলৈ যোৱাৰ পথত আক্ৰমণ কৰি হত্যা কৰিছিল।



## ব্ৰাহ্মণক অপমান মাঝিৰ ঃ পুৰোহিতে আহি কয়, 'আপোনালোকৰ ঘৰত নাখাওঁ, কেৱল নগদ ধন দিয়ক'

**নিউজ ব্যুৰ', পাটনা, ১৯ ডিচেম্বৰ ঃ** বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু হিন্দুস্তানী অৱাম মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি জীতন ৰাম মাঝিয়ে পণ্ডিত জাতিৰ সন্দৰ্ভত অপশব্দ ব্যৱহাৰ কৰিলে। ব্ৰাহ্মণ সম্প্ৰদায়ক অপমান কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হ'ল মাঝিৰ বিৰুদ্ধে। কালি পাটনাৰ এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰীজনে পূজাৰীসকলৰ বিৰুদ্ধে আপত্তিকৰ মন্তব্য প্ৰকাশ কৰিছিল। অনুষ্ঠানত অংশ লৈ মাঝিয়ে কয় যে আজিকালি দৰিদ্ৰ লোকসকলৰ মাজত ধৰ্মপৰায়ণতা বৃদ্ধি পাইছে। 'সত্যনাৰায়ণ ভগৱানৰ পূজাৰ কথা আমি নাজানিছিলো। আজিকালি আমাৰ ইয়াত সকলোৱে সত্যনাৰায়ণ ভগৱানৰ পূজা কৰে। লাজ নাপাই যে পণ্ডিতে...... আহে আৰু কয় যে আপোনালোকৰ ঘৰত আহাৰ গ্ৰহণ নকৰো..... কেৱল কিছু নগদ দান কৰক।' এইদৰে মাঝিয়ে পুৰোহিত সম্প্ৰদায়ৰ সন্দৰ্ভত আপত্তিজনক মন্তব্য প্ৰকাশ কৰে। অৱশ্যে ইতিমধ্যে মাঝিয়ে এই মন্তব্যৰ বাবে ক্ষমা বিচাৰিছে। মাঝিয়ে কয় যে দৰাচলতে তেওঁ নিজৰ সম্প্ৰদায়কহে সমালোচনা কৰিছিল, পণ্ডিতসকলক নহয়।

## ব্ৰিটেইনৰ পৰা উভতি অহা যাত্ৰীৰ বাবে ১৪ দিনৰ কোৱাৰেণ্টাইন বাধ্যতামূলক জাৰ্মানীত



**নিউজ ব্যুৰ', বাৰ্লিন, ১৯ ডিচেম্বৰ ঃ** অ'মিক্ৰনত আক্ৰান্ত লোকৰ সংখ্যা বিশ্বজুৰি যথেষ্ট বৃদ্ধি পাইছে। জাৰ্মানীয়ে কাইলৈৰ পৰা ব্ৰিটেইন ভ্ৰমণ কৰি উভতি অহা লোকৰ ক্ষেত্ৰত দেশখনত ১৪ দিনৰ কোৱাৰেণ্টাইন বাধ্যতামূলক ঘোষণা কৰিলে। সোমবাৰৰ পৰা জাৰ্মানীত কেৱল সেইসকল লোকেহে প্ৰৱেশ কৰিব পাৰিব, যিসকলৰ ক'ভিড পৰীক্ষণৰ ফলাফল 'নিগেটিভ' হ'ব। উল্লেখ্য যে ব্ৰিটেইনত শেহতীয়াভাৱে ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণ অব্যাহত আছে। ব্ৰিটেইনৰ ক'ভিড পৰিস্থিতিৰ জটিলতাৰ প্ৰতি লক্ষ্য ৰাখি জাৰ্মান চৰকাৰে ব্ৰিটেইন ভ্ৰমণ কৰি স্বদেশলৈ উভতি অহা জাৰ্মান নাগৰিকৰ ক্ষেত্ৰত ১৪ দিনৰ কোৱাৰেণ্টাইনত থকাটো বাধ্যতামূলক ঘোষণা কৰিলে। যোৱা শুকুৰবাৰে ব্ৰিটেইনত ৯০ হেজাৰৰো অধিক লোক কৰ'নাত আক্ৰান্ত হৈছিল। জাৰ্মানীত শুকুৰবাৰে ক'ভিডত আক্ৰান্ত হৈছিল ৫০,৯৬৬ জন লোক।

## তেওঁলোকে জানি-বুজি ৰাইজক ৭০ বছৰে দৰিদ্ৰ কৰি ৰাখিলে ঃ কংগ্ৰেছ-বিজেপিক কটাক্ষ কেজৰিৱালৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ ডিচেম্বৰ ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী আৰু আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে কংগ্ৰেছ আৰু বিজেপিক কঠোৰভাৱে সমালোচনা কৰিলে। কেজৰিৱালে কয় যে দিল্লীত এতিয়া লক্ষাধিক ছাত্ৰই ব্যক্তিগত বিদ্যালয় ত্যাগ কৰি চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰিছে, কিন্তু আন ৰাজনৈতিক দলসমূহে জানি-বুজি ৰাইজক দৰিদ্ৰ কৰি ৰাখিবলৈ এনে পদক্ষেপ গ্ৰহণ



কৰা নাছিল। দিল্লীক দেশৰ আন ৰাজ্যৰ তুলনাত উন্নত ৰাজ্যত পৰিণত কৰা বুলিও দাবী কৰি কেজৰিৱালে কয় যে আপৰ চৰকাৰে জনতাৰ ভালৰ বাবে কাম কৰি আহিছে, যিসমূহ কাম যোৱা ৭০ বছৰত কেতিয়াও হোৱা নাছিল। 'দিল্লীত ২.৫ লাখ শিক্ষাৰ্থীয়ে ব্যক্তিগত বিদ্যালয়ত নাম কৰ্তন কৰি চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰাইছে। আমি যোৱা পাঁচ বছৰত চৰকাৰী বিদ্যালয়ৰ সংস্কাৰ সাধন কৰিলো। কিন্তু আন দলসমূহে বিগত ৭০ বছৰত এনে কাম নকৰিলে। তেওঁলোকে জানি-বুজিয়ে জনসাধাৰণক দৰিদ্ৰ কৰি ৰাখিবলৈ এনে পদক্ষেপ গ্ৰহণ কৰা নাছিল।' কেজৰিৱালে এইদৰে কয়।

## হলিউড-বলিউডক প্ৰত্যাহ্বান অল্লু অৰ্জুন অভিনীত দক্ষিণৰ ছবি 'পুষ্পা'ৰ, দুদিনত এশ কোটিৰ ক্লাবত



**নিউজ ব্যুৰ', চেন্নাই, ১৯ ডিচেম্বৰ ঃ** অল্লু অৰ্জুন অভিনীত দক্ষিণ ভাৰতৰ চলচ্চিত্ৰ 'পুষ্পা ঃ দ্য ৰাইজ'-এ চিত্ৰগৃহত মুক্তি লাভৰ তৃতীয় দিনত বিশ্বজুৰি এশ কোটি টকাৰ ব্যৱসায় কৰিলে। হলিউডৰ বহুলচৰ্চিত 'স্পাইডাৰমেন ঃ ন' ৱে হোম'কো বক্স অফিচত তীব্ৰ প্ৰত্যাহ্বান জনাইছে তামিল, তেলেগু, মালায়ালম, কন্নড় আৰু হিন্দী ভাষাত মুক্তি লাভ কৰা এইখন ছবিয়ে। চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষক ৰমেশ বালাই টুইট কৰি কয়, 'মাত্ৰ দুই দিনতে সমগ্ৰ বিশ্বতে 'পুষ্পা'ই ১০০ কোটি টকাৰ ব্যৱসায় কৰিলে।' আমেৰিকাতো এইখন ছবিয়ে ১৩ লাখ ডলাৰ ইতিমধ্যে সংগ্ৰহ কৰিছে। অষ্ট্ৰেলিয়াত 'পুষ্পা'ই ৯১ লাখ টকাৰ ব্যৱসায় কৰিলে। উল্লেখ্য যে চোৰাং কাঠৰ ব্যৱসায়ী পুষ্পা ৰাজৰ জীৱনৰ আধাৰত এইখন ছবিৰ কাহিনী ৰচনা কৰা হৈছে। অল্লু অৰ্জুনৰ লগতে ছবিখনত ৰশ্মিকা মণ্ডনা আৰু ফহাদ ফাচিকে অভিনয় কৰিছে।

■ সেউজ প্ৰাধিকৰণৰ আওতাত থকা তথা বন্যহস্তীয়ে ব্যৱহাৰ কৰা পথৰ লগতে কৃষিভূমিৰ শ্ৰেণী পৰিৱৰ্তনৰ বাবে সংঘাত

# তেজপুৰত বন্যহস্তীৰ উপদ্ৰৱত শংকিত ৰাইজ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৯ ডিচেম্বৰ ঃ** বন্যহস্তীৰ প্ৰাকৃতিক আৱাসক্ষেত্ৰ মানুহৰ বেদখলৰ বাবে ইতিমধ্যেই ব্যাপকভাৱে সংকুচিত হোৱাৰ লগতে বৰ্তমান তেজপুৰত হাতী অহা-যোৱা কৰা পথতো বিভিন্ন নিৰ্মাণৰ কাৰ্যৰে বাধাৰ সৃষ্টি কৰাৰ ফল ভোগ কৰিবলগীয়া হৈছে কাষৰীয়া অঞ্চলৰ সৰ্বসাধাৰণে যোৱা ১৬ ডিচেম্বৰৰ নিশা তিনিটা বন্যহস্তীয়ে তেজপুৰৰ নিকটৱৰ্তী বিহগুৰি মৌজাৰ ছিঙা চুবুৰিৰ লক্ষেশ্বৰ বৰা নামৰ ব্যক্তিজনৰ বাসগৃহটো ভাঙি চুৰমাৰ কৰে। নিশা ১২ বজাত বিন্দুকুৰীৰ দিশৰ পৰা অহা বনৰীয়া হাতী তিনিটাই চলোৱা এই আক্ৰমণৰ সময়ত ঘৰটোত থকা বৰাৰ পৰিয়ালটোৰ কথমপিহে প্ৰাণ ৰক্ষা পৰে। হাতীয়ে ঘৰটো ভাঙিবলৈ লোৱাৰ সময়তেই পৰিয়ালটোৰ সদস্যসকলে পলায়ন কৰিবলৈ সক্ষম হয়। আক্ৰমণাত্মক ৰূপ লোৱা হাতী তিনিটাই পৰিয়ালটোৰ বহু পৰিমাণৰ ধান ভক্ষণ কৰাৰ উপৰি নষ্ট কৰে। পাছত হুলস্থূল হোৱাতকৈ আঁতৰি যায় হাতী তিনিটা।

ইপিনে, স্থানীয় একাংশ লোকে অভিযোগ কৰা অনুসৰি, অঞ্চলটোৰ কাষৰে বৰচুবুৰি আৰু চামগুৰী বুঢ়াডাঙৰীয়া থানৰ মাজৰ অংশৰে সুদীৰ্ঘকাল ধৰি বন্যহস্তীয়ে আৰিমৰা চাপৰি পৰ্যন্ত অহা-যোৱা কৰে। কিন্তু এই পথত তথা কৃষিভূমিত বৰ্তমান এক প্ৰকাণ্ড পকী বেৰা নিৰ্মাণ কৰাৰ বাবেই বৰাচাপৰি বুলি স্থানীয় ৰাইজে কোৱা অংশৰে বন্যহস্তী অহা-যোৱা কৰিব নোৱৰা হ'ল। পৰিণতিত বনৰীয়া হাতীয়ে কাষৰীয়া অঞ্চলত প্ৰৱেশ কৰি এনেদৰে গন্তব্য স্থানলৈ যোৱাৰ চেষ্টা কৰাৰ উপৰি ঘৰ-দুৱাৰ ধ্বংস কৰিছে। সেউজ প্ৰাধীকৰণৰ আওতাত থকা তথা বন্যহস্তীয়ে ব্যৱহাৰ কৰা পথৰ লগতে কৃষিভূমিৰ শ্ৰেণী পৰিৱৰ্তন আৰু ক্ৰয়-বিক্ৰয় তথা বিভিন্ন নিৰ্মাণৰ বাবে এতিয়া হস্তী-মানুহৰ সংঘাত বৃদ্ধি পোৱা সত্ত্বেও এই ক্ষেত্ৰত সংশ্লিষ্ট চৰকাৰী বিভাগ হাতসাবটি বহি থকাই নহয় একাংশ ব্যৱসায়ীৰ এনে আগ্ৰাসনক ৰহস্যজনকভাৱে প্ৰশ্ৰয় দি আহিছে।

আনহাতে, তেজপুৰৰ আৰিমৰা চাপৰিত যোৱা কে'বাদিন ধৰি প্ৰায় ২০টা বন্যহস্তীৰ জাকৰ উপৰি বনৰীয়া ম'হৰ জাক এটাই বিচৰণ কৰি আছে। আনহাতে, চাপৰিটোত যোৱা সময়ছোৱাত এটা ঢেঁকীয়াপতীয়া বাঘে বিচৰণ কৰি থকাৰ লগতে বহুকেইটা পশুধন নিধন কৰিছে।



ডুমডুমাত আৰক্ষীৰ শ্ৰমদান অভিযান, দেওবাৰে।

# লক্ষীপুৰত বন্যহস্তীৰ উপদ্ৰৱ ঃ সাতটা পৰিয়ালৰ গৃহ বিধ্বস্ত

**অগ্ৰদূত বাৰ্তা**

**লক্ষীপুৰ, ১৯ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাখনৰ অন্যান্য প্ৰান্তৰ লগতে বৃহত্তৰ লক্ষীপুৰ অঞ্চলতো এতিয়া বৃদ্ধি পাইছে ক্ৰমে বন্যহস্তী আৰু মানুহৰ ভয়াৱহ সংঘাত। লক্ষীপুৰ বন বিভাগৰ অধীনৰ মেধিপাৰা প্ৰথম খণ্ড গাঁৱত ১৭ ডিচেম্বৰৰ নিশা চলিল বন্যহস্তীৰ উপদ্ৰৱ। হাতীৰ জাকটোৱে নিমিষতে ভাঙিলে সাতটা পৰিয়ালৰ গৃহ। লগতে ঘৰৰ আচবাবসহ ধান চাউল খাই নষ্ট কৰিলে। ভুক্তভোগী পৰিয়ালৰ লোক তথা গাঁওবাসীয়ে অতি দুখেৰে কয় যে নিশা ১১ বজাত বৃহৎ হাতীৰ এটা জাকে বনাঞ্চলৰ দাঁতিকাষৰীয়া মেধিপাৰা গাঁৱত প্ৰৱেশ কৰে। ইপিনে, জীৱন আৰু সম্পত্তিৰ ৰক্ষাৰ হেতু আগতীয়াকৈ সতৰ্কতা অৱলম্বন কৰা গাঁওবাসীয়ে ঠায়ে ঠায়ে জুই জ্বলাই আৰু ফটকা ফুটাই প্ৰথমে জাকটোক প্ৰৱেশত বাধা দিয়াৰ বাবে চেষ্টা চলায়। কিন্তু জাকটোৰ আক্ৰমণাত্মক ভাবমূৰ্তি দেখি ভগৱান ভৰসাত ঘৰ-বাৰী এৰি থৈ গাঁওখনৰ বহু পৰিয়াল নিশাটোৰ বাবে নিৰাপদ স্থানলৈ আঁতৰি যায়। পাছত বৃহৎ বন্যহস্তীৰ জাকে গোটেই নিশা গাঁৱৰে পৰিতোষ শৰ্মা, নিবাৰণ মদক, জয়চৰণ মদক, সুৰেন্দ্ৰ মদক, ৰমণী কুমাৰ নাথ, মছেন্দ্ৰ চন্দ্ৰ নাথ আৰু পৱিত্ৰ কুমাৰ বৰ্মন নামৰ লোকৰ বাসগৃহ বিধ্বস্ত কৰে।

# ডিমৌৰ পাৰলিগুৰিত সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা,**

**ডিমৌ, ১৯ ডিচেম্বৰ ঃ** ডিমৌ সমীপৰ নিতাইপানীদিহিং ৰাইজৰ উদ্যোগত আৰু অঞ্চলবাসীৰ ভক্তপ্ৰাণ ৰাইজৰ সহযোগত পাৰলিগুৰি উষাপুৰ গাঁৱত অহা ১০ ফেব্ৰুৱাৰী পৰা ছদিনীয়া কাৰ্যসূচীৰে তৃতীয়বাৰৰ বাবে সদৌ অসম ভাওনা প্ৰতিযোগিতা নিতাইপানীদিহিঙত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। ইচ্ছুক ভাওনা দলসমূহক পাণ্ডুলিপিসমূহ অহা ২৫ ডিচেম্বৰৰ ভিতৰত জমা দিবলৈ সদৌ অসম ভাওনা প্ৰতিযোগিতা উদ্‌যাপন সমিতিৰ সভাপতি বীৰেন বৰুৱা আৰু মুখ্য সম্পাদক অনিল দত্তই আহ্বান। ইচ্ছুক দলে ভাওনা প্ৰতিযোগিতা সম্পৰ্কে সবিশেষৰ বাবে **91þ01þ007573 û 70021þ80803 û 8720963452** নম্বৰত যোগাযোগ কৰিব পাৰিব।

■ প্ৰাৰ্থীৰ পৰা ধন সংগ্ৰহ কৰিছিল মহাবিদ্যালয় কৰ্তৃপক্ষই

# চামগুৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন স্থগিত

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ১৯ ডিচেম্বৰ ঃ** অৱশেষত চামগুৰি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা নিৰ্বাচন পিছুৱালে মহাবিদ্যালয় কৰ্তৃপক্ষই।

উল্লেখ্য যে 'দৈনিক অগ্ৰদূত'কে আদি কৰি আন কে'বাটাও সংবাদ মাধ্যমত মহাবিদ্যালয়খনত থকা একতা সভাৰ নিৰ্বাচনৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই নীতি বহিৰ্ভূতভাৱে প্ৰাৰ্থিত্বপ্ৰত্যাশীৰ পৰা অধিক হাৰত মাচুল সংগ্ৰহ কৰাৰ বাতৰি প্ৰকাশৰ পাছতেই অনিৰ্দিষ্ট কাললৈ নিৰ্বাচন পিছুৱাই দিবলৈ বাধ্য হয়। পৰহি নিৰ্বাচন পৰিচালনা সমিতিয়ে এনে বিতৰ্ক হোৱাৰ পাছতে থৰকাচুটি হেৰুৱাই ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰ তাৰিখো পিছুৱাই দিবলৈ বাধ্য হয়।

আনহাতে, নিৰ্বাচনৰ প্ৰক্ৰিয়াৰ মতে, পৰহি বিয়লি তিনি বজালৈকে মনোনয়ন দখিলৰ অন্তিম সময় আছিল। মহাবিদ্যালয়খনৰ এনএছইউআই সমৰ্থিত প্ৰায় ১৩ জন প্ৰাৰ্থীয়ে মনোনয়ন দাখিলৰ বিপৰীতে অন্য ছাত্ৰ সংগঠনৰ পৰা মনোনয়ন দাখিল কৰা নাছিল। অধিক হাৰত মহাবিদ্যালয় কৰ্তৃপক্ষই সভাপতি, সাধাৰণ সম্পাদককে ধৰি চাৰিটা পদত একোজন প্ৰাৰ্থিত্বপ্ৰত্যাশীৰ পৰা তিনিহেজাৰ আৰু আন নটা পদৰ প্ৰাৰ্থিত্বপ্ৰত্যাশীৰ পৰা দুহেজাৰ টকাকৈ মনোনয়ন দাখিলৰ সময়ত সংগ্ৰহ কৰিছিল। অহা ২১ ডিচেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰা হৈছিল যদিও অৱশেষত বিতৰ্কিত পৰ্যায় পোৱাৰ পাছতে অনিৰ্দিষ্ট সময়লৈ নিৰ্বাচনী প্ৰক্ৰিয়া পিছুৱাই দিয়াৰ ঘোষণা কৰে মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বিধিকা বৰা আৰু নিৰ্বাচনী পৰিচালনা সমিতিৰ দায়িত্বত থকা জাকিৰ হুছেইনে।

ইপিনে, সময়মতে মনোনয়ন দাখিল কৰিব নোৱাৰা বাবে বাহিৰৰ ব্যক্তি তথা ৰাজনৈতিক দলৰ কৰ্মী মহাবিদ্যালয়ত প্ৰৱেশ কৰি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত গোপন বুজাবুজি কৰি নিৰ্বাচন অনিৰ্দিষ্ট কাললৈ স্থগিত কৰে বুলি অভিযোগ উত্থাপন কৰিছে এন এছ ইউ আই সমৰ্থিত প্ৰাৰ্থীয়ে। এন এছ ইউ আইৰ দাবী মতে, তেওঁলোকে যিহেতু সময়ত মনোনয়ন দাখিল কৰিছে গতিকে তেওঁলোকৰ সমৰ্থিত প্ৰাৰ্থীক বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী বুলি ঘোষণা কৰিব লাগে। অন্যথা আইনৰ আশ্ৰয় গ্ৰহণ কৰিব বুলি ভাবুকি দিয়ে।

# ধুবুৰী জিলা কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিবেশনৰ দিন সলনি

**অগ্ৰদূত বাৰ্তা**

**আগমনী, ১৯ ডিচেম্বৰ ঃ** ধুবুৰী জিলা কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিবেশনখন অহা ২৫ আৰু ২৬ ডিচেম্বৰত অনুষ্ঠিত কৰাৰ কথা আছিল যদিও দ্বাদশ শ্ৰেণীৰ প্ৰি-টেষ্ট হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ২২ আৰু ২৩ জানুৱাৰীলৈ পিছুৱাই দিয়া হয়। উল্লেখ্য যে ধুবুৰী জিলা কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিবেশনখন এইবাৰ হহৰিৰহাট আঞ্চলিক কৰ্মচাৰী পৰিষদৰ নিমন্ত্ৰণ ক্ৰমে কাচখানা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২৫ আৰু ২৬ ডিচেম্বৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্তৰে ইতিমধ্যে অভ্যৰ্থনা সমিতিৰ লগতে বিভিন্ন উপ-সমিতিসমূহ গঠন কৰা হয়। কিন্তু দ্বাদশ শ্ৰেণীৰ প্ৰি-টেষ্ট চলি থকাত আৰু কাচখানা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পৰীক্ষা কেন্দ্ৰ হোৱাত অভ্যৰ্থনা সমিতিয়ে জিলা কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিবেশন পিছুৱাই দিয়াৰ বাবে জিলা সমিতিক অনুৰোধ জনায়। অভ্যৰ্থনা সমিতিৰ অনুৰোধ মৰ্মে কালি তৎকালীনভাৱে জিলা কমিটীৰ কাৰ্যনিৰ্বাহ সভা আহ্বান কৰি সকলো সদস্যৰ মতামত গ্ৰহণ কৰা হয়।

# কাঠনি গৰম বজাৰত উন্মুক্ত অৱস্থাত বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ

■ কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ১৯ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনস্থ জনবসতি অঞ্চলক থকা বহুকেইটা বিদ্যুৎ ট্ৰেন্সফৰ্মাৰ বছৰ বছৰ ধৰি উন্মুক্ত অৱস্থাতে আছে। ইয়াৰে লাহৰীঘাটৰ কাঠনি গৰম বজাৰৰ এটা উন্মুক্ত ট্ৰেন্সফৰ্মাৰে ৰাইজক শংকিত কৰিছে। গৰম বজাৰ দৈনিক বজাৰখনৰ নিচেই কাষতে স্থাপন কৰা এশ ৱাৰ্ড ভল্টেজ বিদ্যুৎ ট্ৰেন্সফৰ্মাৰটো দীৰ্ঘদিন ধৰি উন্মুক্ত অৱস্থাতে আছে। ট্ৰেন্সফৰ্মাৰটোৰ সমীপতে আছে কে'বাটাও বাসগৃহ আৰু দোকান। পথৰ লগতে উন্মুক্ত ট্ৰেন্সফৰ্মাৰটোৰ কাষৰে দৈনিক বিদ্যালয়ৰ শ শ ছাত্ৰ-ছাত্ৰী, ৰাইজৰ লগতে চলাচল কৰে অসংখ্য যানবাহন। ফলত যিকোনো মুহূৰ্তত ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা ব্যক্ত কৰে স্থানীয় ৰাইজে। তদুপৰি উন্মুক্ত ট্ৰেন্সফৰ্মাত লাগি পোহনীয়া গৰু-ছাগলী মৃত্যু হোৱাৰো সম্ভাৱনা প্ৰকট। উক্ত ট্ৰেন্সফৰ্মাৰটোৰ চাৰিওফালে কোনো ধৰণৰ বেৰ বা ফেনচিঙৰ ব্যৱস্থা নোহোৱাকৈ উন্মুক্ত অৱস্থাত থকাৰ পাছতো গুৰুত্ব নাই বিদ্যুৎ বিভাগৰ কৰ্মচাৰীৰ। উল্লেখ্য যে বিভাগটোৰ একাংশ কৰ্মচাৰীৰ চৰম অৱহেলাৰ বাবেই বিভিন্ন ঠাইত প্ৰায়েই দুৰ্ঘটনা সংঘটিত হৈ থকাৰ অভিযোগ কৰিছে ৰাইজে। এই ক্ষেত্ৰত অতি শীঘ্ৰে উন্মুক্ত ট্ৰেন্সফৰ্মাৰটো চাৰিওকাষে বেৰ নতুবা ফেনচিঙৰ ব্যৱস্থা কৰিবলৈ বিদ্যুৎ বিভাগক দাবী জনায় স্থানীয় ৰাইজে।

# তিতাবৰত চিপিএমৰ ২৩ সংখ্যক জিলা সন্মিলন

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ১৯ ডিচেম্বৰ ঃ** তিতাবৰৰ ষ্টেছন তিনিআলিৰ তিতাবৰ প্ৰেছ ক্লাবৰ বাকৰিত দুদিনীয়া কাৰ্যসূচীৰে কাইলৈৰ পৰা ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি (চিপিএম)ৰ ২৩ সংখ্যক যোৰহাট জিলা সন্মিলন অনুষ্ঠিত হ'ব। এই উপলক্ষে মৰিয়নি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° ভূপেন গোস্বামীক সভাপতি, কনক চন্দ্ৰ বৰাক কাৰ্যকৰী সভাপতি আৰু ৰাজেন মহন্তক সম্পাদকৰূপে লৈ গঠন কৰা অভ্যৰ্থনা সমিতিয়ে সন্মিলন সফল কৰিবলৈ প্ৰস্তুতি প্ৰায় শেষ হৈছে। ১৯ ডিচেম্বৰত দিনৰ ১২ বজাত সন্মিলনৰ মুকলি সমাবেশৰ আয়োজন কৰিছে। মুকলি সমাবেশত চিপিআই(এম)ৰ সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ আৰু চিপিআই(এম)ৰ কেন্দ্ৰীয় কমিটীৰ সদস্য কমৰেড সুপ্ৰকাশ তালুকদাৰে মুখ্য বক্তাৰূপে অংশগ্ৰহণ কৰিব।

# বিশ্বনাথত ড্ৰাগছসহ ধৃত দুই

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৯ ডিচেম্বৰ ঃ** পৰহি বিশ্বনাথ নগৰৰ পৰিবহণ নিগমৰ বাছ আস্থানৰ পৰা বিশ্বনাথ জিলা আৰক্ষীৰ এটা দলে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় দুজন ড্ৰাগছ মাফিয়া। ধৃত লোক দুজনৰ পৰা উদ্ধাৰ কৰা হয় বৃহৎ পৰিমাণৰ ড্ৰাগছ। নগদ টকাৰ উপৰি এখন আই ২০ বাহন এখন জব্দ কৰে। আৰক্ষীয়ে উল্লেখ কৰা নীলা ৰঙৰ এ এছ-৭এম-৮৯২২ নম্বৰৰ বাহনত এই দুজন ড্ৰাগছ মাফিয়া বিশ্বনাথলৈ আহিছিল। বিশ্বনাথত কোনো লোকক এই বৃহৎ পৰিমাণৰ ড্ৰাগছ দিবলৈ অহা বুলি সন্দেহ কৰা হৈছে। ধৃত লোক দুজন হ'ল দলগাঁৱৰ ফকিৰ আলী আৰু বেচিমাৰীৰ ইনামূল হক।

# দমদমা মহাবিদ্যালয়ত এবিভিপি সমৰ্থিত প্ৰাৰ্থীৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৯ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ অন্তৰ্গত হাজোৰ অগ্ৰণী শিক্ষানুষ্ঠান দমদমা মহাবিদ্যালয়ত কালি হৈ যোৱা ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সমৰ্থিত প্ৰাৰ্থীয়ে বৃহৎ জয়ধ্বজাৰ নিচান উৰুৱাবলৈ সক্ষম হয়। সৰ্বমুঠ আঠটা পদতে এবিভিপিৰ প্ৰাৰ্থীয়ে জয়লাভ কৰি জাতীয়তাবাদী শিবিৰত মহাবিদ্যালয় ছাত্ৰ একতা সভাত মোক্ষম আঘাত সানি একপ্ৰকাৰ মহাবিদ্যালখনত গেৰুৱা ধ্বজা উৰুৱাবলৈ সক্ষম হয়। এবিভিপি সংগঠনটোৰ সমৰ্থিত তথা বিজয়ী প্ৰাৰ্থীসকল ক্ৰমে, সভাপতি পদত বিকি কলিতা, সাধাৰণ সম্পাদক পদত সমীৰণ দাস, সাংস্কৃতিক সম্পাদক পদত সাগৰ দাস, সমাজ সেৱা বিভাগৰ সম্পাদিকা পদত বৰষা কলিতা, তৰ্ক বিভাগৰ সম্পাদিকা পদত হিমাক্ষী দাস, ছাত্ৰ জিৰণি কোঠা সম্পাদক পদত বিশাল ডেকা, ছাত্ৰী জিৰণি কোঠা সম্পাদিকা পদত নিশা ঠাকুৰীয়া, আলোচনী সম্পাদিকা পদত নীহাৰিকা কলিতাই বিজয় ধ্বজা উৰুৱাবলৈ সক্ষম হয়। ফলাফলৰ আনুষ্ঠানিক ঘোষণাৰ পাছতেই সমগ্ৰ মহাবিদ্যালয়ৰ চৌহদত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ জিন্দাবাদ, ভাৰত মাতা কী জয়, ছাত্ৰ শক্তি ৰাষ্ট্ৰ শক্তি আদি শ্ল'গানেৰে মুখৰিত কৰি তোলা পৰিলক্ষিত হয়। নৱনিযুক্ত ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক জিতুমণি ভূঞা, কামৰূপ জিলাৰ সংযোজক অজয় কলিতা, কুকিল মালাকৰৰ লগতে একাংশ কাৰ্যকৰ্তাই শুভেচ্ছা জনায়।

# শালবাৰীত পথ দুৰ্ঘটনাত নিহত এক

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৯ ডিচেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰীত ভয়ংকৰ পথ দুৰ্ঘটনাৰ ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত নিহত হয় এজন যুৱক। নিহত যুৱকজন শালবাৰীৰ আনন্দ বজাৰ আৰক্ষী চকীৰ অন্তৰ্গত দৰকিণাজানীৰ অমিত খেৰকটাৰী (১৯)। উল্লেখ্য যে দৰকিণাজানীৰ অমিত খেৰকটাৰী নামৰ যুৱকজনে ১৬ ডিচেম্বৰৰ নিশা আনন্দ বজাৰ আৰক্ষী চকীৰ অন্তৰ্গত ছাইতানগুৰিৰ পৰা এ-এছ ১৫ এছ-৯২৯৩ নম্বৰৰ বাইকেৰে ঘৰ অভিমুখে আহি থকা সময়ত এটা কালভাৰ্টত খুন্দা মাৰি গুৰুতৰভাৱে আহত হয় যুৱকজন। যুৱকজনক ততাতৈয়াকৈ বৰপেটা চিকিৎসা মহাবিদ্যালয়লৈ লৈ যোৱা হয় যদিও নিশাই উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেণ কৰা হয়। গুৱাহাটীত চিকিৎসাধীন অৱস্থাতে মৃত্যু হয় যুৱক অমিত খেৰকটাৰীৰ। অমায়িক স্বভাৱৰ যুৱকজনৰ মৃত্যুৰ বাতৰিয়ে গাঁওবাসীৰ লগতে বন্ধুমহলত গভীৰ শোকৰ ছাঁ পেলাইছে।



# বুনিয়াদী সাক্ষৰতা-সংখ্যা জ্ঞানৰ বুজ ল'বলৈ ঘগ্ৰাপাৰত উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দল

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৯ ডিচেম্বৰ ঃ** নতুন শিক্ষা নীতি বলৱৎ হোৱাৰ প্ৰাক্‌কালত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ বিভিন্ন বিদ্যালয়ৰ শিক্ষাৰ গুণগত মানৰ বুজ ল'বলৈ শিক্ষা বিভাগৰ এটা উচ্চস্তৰীয় দল যোৱা ১৬ ডিচেম্বৰত ঘগ্ৰাপাৰত উপস্থিত হয়। সমগ্ৰ শিক্ষা, অসমৰ বুনিয়াদী সাক্ষৰতা আৰু সংখ্যা জ্ঞান থোৰোতে এফ এল এন বিভাগৰ ৰাজ্যিক প্ৰলোচক ছাবিনা লস্কৰ, মধ্য প্ৰদেশৰ পৰা অহা ছি এছ এফৰ পৰ্যবেক্ষক প্ৰাঞ্জিলা হাৰ্দিকাৰৰ লগতে নলবাৰী জিলাৰ শিক্ষক-প্ৰশিক্ষণ বিভাগৰ জিলা আঁচনি বিষয়া আবেদুৰ ৰহমানৰে গঠিত দলটোক ঘগ্ৰাপাৰত সহযোগ কৰে খণ্ড সমল ব্যক্তি সুভাষ বৰ্মনে। দলটোৱে ঘগ্ৰাপাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত ৯০৭ নম্বৰ পোনাৰকাউনীয়া প্ৰাথমিক বিদ্যালয়ত উপস্থিত হৈ শিক্ষকৰে বাৰ্তালাপ কৰে। আলোচনাৰ প্ৰাথমিক স্তৰৰ শিকন-পঠনৰ সমস্যাৰ বুজ লোৱাৰ লগতে নিম্ন প্ৰাথমিক পৰ্যায়ৰ নামভৰ্তিকৰণ, উপযুক্ত শিকন-শিক্ষণ সামগ্ৰীৰ প্ৰস্তুতি আৰু ব্যৱহাৰ সন্দৰ্ভত বিশেষ গুৰুত্ব দি কেতবোৰ মূল্যবান পৰামৰ্শ আগবঢ়ায়। ইয়াৰ পাছতে দলটো উপস্থিত হয় বৰ্তমান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ককাদেউতাকৰ স্মৃতি বিজড়িত গলিয়া প্ৰাথমিক বিদ্যালয়ত। জ্ঞানোন্মুখ ছাত্ৰ-ছাত্ৰীসকলৰ জিলা আঁচনি বিষয়া আবেদুৰ ৰহমান আৰু খণ্ড সমল ব্যক্তি সুভাষ বৰ্মনে দৈনন্দিনী আৰু শিকন-অৰ্হতাৰ বুজ লোৱাৰ বিপৰীতে অসম সমগ্ৰ শিক্ষাৰ প্ৰতিনিধি হিচাপে উপস্থিত হোৱা বিষয়াদ্বয়ে মূল্যায়ন-প্ৰক্ৰিয়া, মূল্যায়ন-আহিলা আৰু তথ্যৰ বিষয়ে শিক্ষকসকলৰ স'তে পৃথকে আলোচনা কৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত দলটোৱে পূৱ নলবাৰী শিক্ষাখণ্ডৰ অধীনস্থ বৰ আগ্ৰা বাপুজী প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰি যথেষ্ট সন্তুষ্টি প্ৰকাশ কৰে। বিগত কিছুদিন ধৰি জিলাখনৰ বিভিন্ন বিদ্যালয় বিভাগীয় বিষয়াসকলে সততে নিৰীক্ষণ কৰাত বিদ্যালয়বোৰত এক অনুকূল শৈক্ষিক পৰিস্থিতিৰ সৃষ্টি হোৱা বুলি ৰাইজে মন্তব্য কৰিছে।

# পাথৰিঘাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১৯ ডিচেম্বৰ ঃ** পাথৰিঘাট উচ্চ মাধ্যমিক বিদ্যালয় পূৰ্বৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ প্ৰধান শিক্ষক, ভাস্কৰ শিল্পী, নান্দনিক সাহিত্য চ'ৰাৰ উপ-সভাপতি, পথৰু সমন্বয় গোষ্ঠীৰ উপদেষ্টা পদ্ম কুমাৰ দাস (৬২)ৰ কালি উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ মৃত্যু হয়। বৃহত্তৰ পাথৰিঘাট অঞ্চলৰ ৰাজহুৱা অনুষ্ঠানৰ স'তে জড়িত দাসৰ মৃত্যুত নান্দনিক সাহিত্য চ'ৰা, পথৰুঘাট, পাথৰিঘাট উচ্চ মাধ্যমিক বিদ্যালয়, ছিপাঝাৰ সাহিত্য সভা, পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়, পাথৰিঘাট শাখা সাহিত্য সভা, পাথৰিঘাট মজলীয়া বিদ্যালয়, শ্ৰীমন্ত শংকৰদেৱ সংঘ দৰং জিলাৰ জিলা সমিতি, বড়িচৌকা বণিক সন্থা, দৰং জিলা হাইস্কুল শিক্ষক সন্থা, স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী, ছিপাঝাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰামচন্দ্ৰ ডেকা, সাহিত্য সমালোচক কমলাকান্ত ডেকা, সৎৰাম ডেকা, মনস্তাপ হুছেইন, কৃতী শিক্ষক দীনেশ্বৰ হাজৰিকাই শোক প্ৰকাশ কৰিছে।



তেজপুৰত চিত্ৰপ্ৰদৰ্শনত আগ্ৰহী একাংশ, দেওবাৰে।

# মুগকুছিত সৰবৰহী মহিলা দিপ্তী বৈশ্যৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৮ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ মুগকুছি গাঁৱৰ সৰবৰহী মহিলা, শাসক দল বিজেপি কৰ্মী দিপ্তী বৈশ্যৰ (৩৬) যোৱা ১৬ ডিচেম্বৰৰ সন্ধিয়া অকাল মৃত্যু হয়। দীৰ্ঘদিন ধৰি জটিল ৰোগত ভুগি আছিল যদিও কালি স্বাস্থ্যৰ অধিক অৱনতি ঘটি মৃত্যু হয়। অঞ্চলটোৰ এগৰাকী অমায়িক মহিলা হিচাপে পৰিচিত বৈশ্যৰ মৃত্যুত স্থানীয় সাংসদ দিলীপ শইকীয়া, বিধায়ক জয়ন্ত মল্ল বৰুৱা, জিলা পৰিষদৰ সদস্য বিৰাজ মেধি, পঞ্চায়ত সভাপতি নমিতা দাসসহ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰি পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত দিপ্তী বৈশ্যাই স্বামী, এটি শিশু পুত্ৰসহ বহু আত্মীয়ক এৰি যায়।

# জল পৰিবহণ ব্যৱস্থাৰ বাবে গঢ়ি উঠিছে নদীকেন্দ্ৰিক সভ্যতা ঃ পীযুষ

■ নমামি ব্ৰহ্মপুত্ৰ পাছত ডিব্ৰুগড়ৰ পৰা আৰম্ভ ব্ৰহ্মপুত্ৰ উৎসৱ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৯ ডিচেম্বৰ ঃ** আমাৰ দেশত শতিকা জুৰি প্ৰচলিত নদীকেন্দ্ৰিক সভ্যতা তথা পৰম্পৰাবোৰৰ স'তে সংযোগ স্থাপন কৰাৰ উদ্দেশ্যে ডিব্ৰুগড়ৰ পৰা আৰম্ভ হৈছে নদী উৎসৱ। ভাৰত চৰকাৰৰ জলশক্তি মন্ত্ৰণালয়ৰ ব্ৰহ্মপুত্ৰ ব'ৰ্ডে **16** ডিচেম্বৰৰ পৰা **22** ডিচেম্বৰলৈ আজাদী কা অমৃত মহোৎসৱৰ অংশ হিচাপে অসম আৰু অৰুণাচল প্ৰদেশৰ ইমূৰৰ পৰা সিমূৰলৈ স্পৰ্শ কৰি নিৰৱচ্ছিন্নভাৱে প্ৰৱাহিত ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি বৃহত্তৰ ব্ৰহ্মপুত্ৰ উৎসৱৰ আয়োজন কৰা হৈছে। যোৱা **26** ছেপ্টেম্বৰত বিশ্ব নদী দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'নদী উৎসৱ' উদ্‌যাপনৰ কথা উল্লেখ কৰিছিল। ডিব্ৰুগড় জিলাত বৃহস্পতিবাৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে স'তে ব্ৰহ্মপুত্ৰ উৎসৱ উদ্‌যাপন কৰা হয়। পৰহি ডিব্ৰুগড় পৌৰ পৰিষদৰ কাৰ্যালয়ৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰ ওচৰৰ পূজা ঘাটলৈ 'ইক' ৰাক'ৰ স'তে উদ্‌যাপন আৰম্ভ হয়। ইয়াৰ লগতে সকলো বয়সৰ বাবে ছবি আঁকা আৰু প্ৰবন্ধ লিখাৰ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। তদুপৰি লেজাই-কালাখোৱাৰ বিখ্যাত ৰাইডংগিয়া দৌল স্মৃতিসৌধটো নিশা আলোকিত কৰা হয়। উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা খনিকৰ হৈ চেঁচা দলংলৈকে এক চাইকেল ৰেলীৰ আয়োজন কৰা হয়। আনহাতে, বহুমুখী ক্ৰীড়া ষ্টেডিয়ামত এক যোগ কাৰ্যসূচীও অনুষ্ঠিত হয় আনহাতে, কালি সামৰণি অনুষ্ঠানত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকি ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ব্ৰহ্মপুত্ৰৰ খহনীয়া নিয়ন্ত্ৰণৰ বাবে যথেষ্ট পদক্ষেপ গ্ৰহণ কৰা বুলি উল্লেখ কৰি কয় যে জল পৰিবহণ ব্যৱস্থাৰ বাবে গঢ়ি উঠিছে নদীকেন্দ্ৰিক সভ্যতাৰ। নদী আমাৰ জীৱনৰ অন্যতম গুৰুত্বপূৰ্ণ সম্পদ বুলি কয় । এই সম্পদ আমি সুৰক্ষিত কৰিবই লাগিব বুলি তেওঁ কয়। বানপানী নিয়ন্ত্ৰণৰ বাবে আমি যথেষ্ট কাম কৰিব লাগিব বুলিও তেওঁ কয়। ইতিমধ্যে পৰ্যায়ক্ৰমে ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে বুলি উল্লেখ কৰে মন্ত্ৰীজনে। উক্ত অনুষ্ঠানত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা মুখ্য অতিথিৰূপে উপস্থিত থাকে। আনহাতে সাংস্কৃতিক সন্ধিয়াৰ সন্মানীয় অতিথি থাকে ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন। লাহোৱালৰ বিধায়ক বিনোদ হাজৰিকা, ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ অধ্যক্ষ ৰাজীৱ যাদৱ, ডিব্ৰুগড়ৰ উপায়ুক্ত বিশ্বজিৎ পেগুকে ধৰি অন্যান্য বিশিষ্ট ব্যক্তিসকল অনুষ্ঠানত উপস্থিত থাকে। ব্ৰহ্মপুত্ৰ উৎসৱ ডিব্ৰুগড়ৰ পৰা মাজুলী, কলিয়াবৰ, গুৱাহাটী আৰু পাছিঘাটতো আয়োজন কৰা হ'ব।

# ৰাজগড়ত মটৰ চাইকেল চালকক জৰিমনা

**অগ্ৰদূত বাৰ্তা**

**ৰাজগড়, ১৯ ডিচেম্বৰ ঃ** ৰাজগড় আৰক্ষীয়ে তেল ডিপ'ৰ সমীপত চলোৱা দৈনিক তালাচীত পৰহি অনুজ্ঞাপত্ৰ নথকা আৰু হেলমেট নিপিন্ধা কে'বাজনো বাইক চালকক সৰ্বাধিক ছহেজাৰ টকা জৰিমনা আদায় কৰে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছত তৎপৰ হৈ পৰা ৰাজগড় আৰক্ষীয়ে মাদক দ্ৰব্য সেৱন কৰি মটৰ গাড়ী চলোৱা চালকৰ প্ৰতি দৃষ্টি ৰাখিছে।

# হাজোৰ গাঁওবুঢ়া ভৱনত পঞ্চদশ বিত্তীয় আয়োগৰ এখন বিশেষ সভা

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৯ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ হাজোৰ গাঁওবুঢ়া ভৱনত যোৱা ১৭ ডিচেম্বৰত হাজো উন্নয়ন খণ্ডৰ অধীনত পঞ্চদশ বিত্তীয় আয়োগৰ এখন বিশেষ সভা অনুষ্ঠিত হয়। উপস্থিত থাকে বিধায়িকা সুমন হৰিপ্ৰিয়া। উক্ত সভাত বিধায়িকা হৰিপ্ৰিয়াই প্ৰতিখন পঞ্চায়তৰ সভাপতি, কাউন্সিলৰসকলক জৰুৰীভাৱে তলৱ কৰি চতুৰ্দশ বিত্তীয় আয়োগৰ কাৰ্যকলাপৰ লগতে বিভিন্ন উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। উক্ত সভাত খণ্ড উন্নয়ন বিষয়া নন্দিতা চহৰীয়া, কামৰূপ জিলা পৰিষদৰ অধ্যক্ষা ৰীতা তালুকদাৰ, হাজো আঞ্চলিক সভানেত্ৰী জোনালী ডেকা পাঠক, বিজেপি নেতা জিতেন্দ্ৰ পাটোৱাৰীৰ লগতে পঞ্চায়তসমূহৰ সভাপতি তথা প্ৰায়সংখ্যক আঞ্চলিক সদস্যই অংশগ্ৰহণ কৰে।

## ■ তেজপুৰত ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱসত মহাপৰিদৰ্শক গুপ্তা

# ভাৰত-নেপাল সীমান্তৰ সুৰক্ষাৰ দায়িত্ব এছ্এছবিক ন্যস্ত

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১৯ ডিচেম্বৰ ঃ** এছ্ এছ্ বি অৰ্থাৎ সশস্ত্ৰ সীমা বলৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস পৰহি তেজপুৰত উদ্‌যাপন কৰা হয়। ১৯৬২ত ভাৰত-চীন যুদ্ধৰ পাছতে কেন্দ্ৰীয় চৰকাৰে তেজপুৰত এছ্ এছ্ বিৰ গঠন কৰিছিল। তেজপুৰ নিকটৱৰ্তী বৰঘাটৰ দেবেন্দ্ৰ নগৰস্থিত এছ্ এছ্ বিৰ ৬৮ নম্বৰ বেটেলিয়নৰ মুখ্য কাৰ্যালয়ত বাহিনীটোৰ তেজপুৰ ফ্ৰন্টিয়াৰৰ উদ্যোগত আয়োজিত এক প্ৰতিষ্ঠা দিৱসত এছ্ এছ্ বিৰ মহাপৰিদৰ্শক প্ৰদীপ কুমাৰ গুপ্তাই মুখ্য অতিথিৰূপে অংশ গ্ৰহন কৰে। মহাপৰিদৰ্শক গুপ্তাই দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষাৰ হকে প্ৰাণ আহুতি দিয়া বীৰ জোৱান আৰু বিষয়াসকলৰ ছহিদ স্মাৰকত ফুলৰ থোপাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে মহাপৰিদৰ্শকজনে ব্ৰহ্মপুত্ৰ পেৰেড গ্ৰাউণ্ডত এছ্ এছ্ বিৰ জোৱানসকলে আনুষ্ঠানিকভাৱে প্ৰদৰ্শন কৰা কুচকাৱাজৰ অভিবাদনো গ্ৰহণ কৰি কয় যে দেশৰ চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনস্থ এছ্ এছ্ বিৰ ওপৰত বৰ্তমান ভাৰত-ভূটান আৰু ভাৰত-নেপাল আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সুৰক্ষাৰ দায়িত্ব ন্যস্ত কৰা হৈছে। তদুপৰি ১৯৯৯ত কাৰ্গিল যুদ্ধৰ পাছতে এছ্ এছ্ বিক ২০০১ত ভাৰত-নেপাল আৰু ২০০৪ত ভাৰত-ভূটান আন্তঃৰাষ্ট্ৰীয় সীমাৰ সুৰক্ষাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল বুলিও মহাপৰিদৰ্শকজনে নিজা ভাষণত উল্লেখ কৰে। আনহাতে, এছ্ এছ্ বিৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস ২০ ডিচেম্বৰৰ স'তে সংগতি ৰাখি অনুষ্ঠিত কৰা এই অনুষ্ঠানত দেশৰ প্ৰতি সেৱা আগবঢ়াই বাহিনীটোৰ সঞ্চালক প্ৰধানৰ অতি সন্মানীয় সোণৰ পদক লাভ কৰা আঠজন আৰু ৰূপৰ পদক লাভ কৰা ২৭ জন বিষয়া আৰু জোৱানৰ লগতে মহাপৰিদৰ্শকৰ প্ৰশংসা পত্ৰ লাভ কৰা বিষয়া আৰু জোৱানসকলক মহাপৰিদৰ্শকগৰাকীয়ে সন্মানিত কৰে। এই প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসুচীত এছ্ এছ্ বিয়ে ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ অত্যাধুনিক অস্ত্ৰশস্ত্ৰৰ লগতে বেণ্ড আৰু প্ৰশিক্ষিত কুকুৰৰ বিভিন্ন অনুসন্ধানমুলক দক্ষতা আদিও প্ৰদৰ্শন কৰে ।

তদুপৰি বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানত প্ৰদৰ্শন কৰা বিহু ,বাগৰুম্বা আৰু ঝুমুৰকে ধৰি বিভিন্ন নৃত্য-গীত আদিয়ে ব্ৰহ্মপুত্ৰ পেৰেড গ্ৰাউণ্ডত উপস্থিত থকা সহস্ৰাধিক লোকক মুগ্ধ কৰে । এই প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত এছ্ এছ্ বিৰ বহু কেইগৰাকী জ্যেষ্ঠ তথা বিভিন্ন বৰ্গৰ বিষয়াৰ লগতে জোৱান আৰু কে'বা শতাধিক ছাত্ৰ-ছাত্ৰীও উপস্থিত থাকে । ইফালে, মহাপৰিদৰ্শকগৰাকীয়ে একেটা অনুষ্ঠানতে ব্ৰহ্মপুত্ৰ নামৰ এক বৈদ্যুতিন হিন্দী আলোচনীৰো উন্মোচন কৰে।



*শিৱসাগৰত বনভোজস্থলীত আনন্দ, দেওবাৰে।*

# ভখুৰাদিয়াত দীৰ্ঘদিন ধৰি মেৰামতি নহ'ল পকী দলঙৰ এপ্ৰোছ

## ■ লোকনিৰ্মাণ বিভাগৰ নিৰ্লিপ্ত ভূমিকা

**আলোপতি, ১৯ ডিচেম্বৰ ঃ** চলিত বৰ্ষত হৈ যোৱা বানপানীয়ে কামৰূপ জিলাৰ বকো সমষ্টিৰ ভখুৰাদিয়াত এখন পকী দলঙৰ এপ্ৰোছৰ একাংশ খহাই নিয়ে। বৃহৎ অঞ্চলটোৰ যাতায়াতৰ গুৰুত্বপূৰ্ণ পথটোত থকা ভখুৰাদিয়া ইএণ্ডডি মথাউৰি সংলগ্ন পকী দলংখনৰ এপ্ৰোছৰ একাংশ খহাই নিয়াৰ পাছতো লোক নিৰ্মাণ বিভাগে মেৰামতি কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। এনে পৰিস্থিতিত অঞ্চলটোৰ শ শ লোকৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, ৰোগী, আদিয়ে অতি বিপজ্জনকভাৱে যাতায়াত অব্যাহত ৰাখিবলগীয়া হৈছে। পাঁচমাহ উকলি যোৱাৰ পাছতো পকী দলংখনৰ এপ্ৰোছ মেৰামতি নকৰাত অঞ্চলটোৰ ৰাইজৰ লগতে যানবাহন চলাচল কৰাটো বিপজ্জনক হৈছে। লোকনিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ চৰম হেমাহি আৰু দায়িত্বহীনতাৰ বাবে আজিলৈকে দলংখনৰ এপ্ৰোছ মেৰামতি নোহোৱাৰ অভিযোগ উত্থাপিত হৈছে।



সম্প্ৰতি এক ভয়ংকৰ পৰিস্থিতিৰ মাজেৰে ৰাইজে দলংখনৰ ওপৰেদি যাতায়াত কৰিবলগীয়া হৈছে। ফলত যিকোনো মুহূৰ্তত এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাত ভুগিছে অঞ্চলটোৰ ৰাইজে। শীঘ্ৰে দলংখনৰ এপ্ৰোছ মেৰামতি কৰাৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে লোকনিৰ্মাণ বিভাগ আৰু স্থানীয় বিধায়ক নন্দিতা দাসৰ লগতে জিলা প্ৰশাসনক দাবী জনাইছে।

# অৱসৰপ্ৰাপ্ত অধ্যক্ষ সন্তোৰাম চহৰীয়াৰ স্মৃতিচাৰণ সভা

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ১৯ ডিচেম্বৰ ঃ** যোৱা চাৰি ডিচেম্বৰত ক'ভিডত আক্ৰান্ত হৈ মৃত্যু হোৱা দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, শিক্ষাবিদ তথা খাৰখোৱাপাৰা গাঁও নিবাসী সন্তোৰাম চহৰীয়াৰ ৰাজহুৱা স্মৃতিচাৰণ সভা আজি তেওঁৰ নিজ গৃহত সম্পন্ন হয়। খাৰখোৱাপাৰা মিলন সংঘৰ উদ্যোগত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত অনুষ্ঠিত সভাখন সঞ্চালনা কৰে সৰাবাৰী মৌজাৰ মৌজাদাৰ বিনয় কুমাৰ বৰুৱাই। নাগাৰা নামৰ শিল্পী কবীন কলিতাই আঁতধৰা সভাত প্ৰয়াত চহৰীয়াৰ স্মৃতিচাৰণ কৰে দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অক্ষয় কুমাৰ নাথ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ কমিনাথ ডেকা, দেওমৰনৈ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী মীনা কুমাৰী গোস্বামী, দেওমৰনৈ বিএড মহাবিদ্যালয়ৰ অধ্যক্ষ চাৰুস্মিতা মহন্ত, দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন্দ্ৰ কুমাৰ ৰাজবংশী, দেওমৰনৈ কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মতিৰাম শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক হৰেন্দ্ৰনাথ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া প্ৰমুখ্যে কে'বাগৰাকীও ব্যক্তিয়ে। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে খাৰখোৱাপাৰা মিলন সংঘৰ সভাপতি নিৰঞ্জন নাথে। প্ৰয়াত চহৰীয়াৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে তেওঁৰ সহধৰ্মিণী ভৰপ্ৰিয়া চহৰীয়াই।

# বিজনীৰ সৰবৰহী ব্যক্তি যতীন দাসৰ বিয়োগ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১৮ ডিচেম্বৰ ঃ** সমাজসেৱক, অসম আন্দোলনত অংশগ্ৰহণকাৰী সৰবৰহী ব্যক্তি যতীন দাসৰ যোৱা ১৭ ডিচেম্বৰত নিশা মৃত্যু হয়। দাসৰ বিয়োগত শোকস্তব্ধ হৈ পৰিছে চিৰাং জিলাৰ বিজনী মহকুমাৰ উলুবাৰী অঞ্চল। মৃত্যুৰ আগ মুহূৰ্তলৈকে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্মচাৰী, সদৌ বিটিচি কোচ ৰাজবংশী সন্মিলনীৰ বিজনী জিলা সমিতিৰ সভাপতি, থুৰিবাৰী ব্লক বিপিএফৰ সাংগঠনিক সম্পাদকৰ উপৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। তেওঁৰ মৃত্যুত চিৰাং জিলা আছু, বিটিচি কোচ ৰাজবংশী সন্মিলনীৰ বিজনী জিলা সমিতি, উলুবাৰী আঞ্চলিক আক্ৰাছু, বিজনী মহকুমা সূত্ৰধৰ সন্মিলনী, উলুবাৰী বজাৰ সমিতি, উলুবাৰী হাইস্কুল সোণালী জয়ন্তী উদ্‌যাপন সমিতি, উলুবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়কে আদি কৰি কে'বাটাও অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ বোৱাৰীক এৰি যায়।

# নগৰবেৰাত জব্দ অবৈধ কাঠফলা কল

**আলোপতি, ১৯ ডিচেম্বৰ ঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনস্থ নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মীৰ অভিযানত পৰহি জব্দ কৰা হয় এটা অবৈধ কাঠফলা কল। বনকৰ্মীৰ দলটো হাতীশলাৰ ভলুকামাৰীৰ পৰা অবৈধ কাঠফলা কলটো জব্দ কৰে। ভলুকামাৰীৰ মজিৰ আলীৰ ভূমিত দীৰ্ঘদিন ধৰি অবৈধ কাঠ মিলটো বহুৱাই চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় চলাই গৈছে। ইপিনে, বনকৰ্মীৰ দলটোৱে অভিযান কালত চোৰাং কাঠ কঢ়িয়াই নিয়া এ এছ-২৫ ছি ছি-৮১৪৯ নম্বৰৰ এখন টাটা মেজিক গাড়ীও জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে দীৰ্ঘদিন ধৰি বকো আৰু ছয়গাঁও সমষ্টিৰ বিভিন্ন প্ৰান্তত এটা চক্ৰই চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় চলাই যোৱাৰ অভিযোগ সৰ্বত্ৰে। উত্থাপিত অভিযোগ মতে, এনে অবৈধ চোৰাং কাঠ ব্যৱসায়ীৰে বন বিভাগৰ একাংশ অসাধু বিষয়া-কৰ্মচাৰীৰো গোপন মিতিৰালিৰ বাবেই দিনে-নিশাই এটা মাফিয়া চক্ৰই ধাৰাবাহিকভাৱে চলাই গৈছে বন ধ্বংসযজ্ঞ।

# শুৱালকুছিত 'ৰামানুজন অমৃত ভাৰত গণিত যাত্ৰা ২০২১'

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৯ ডিচেম্বৰ ঃ** ২২ ডিচেম্বৰ দিনটো ২০১২ৰ পৰা ভাৰতত প্ৰতিবছৰে ৰাষ্ট্ৰীয় গণিত দিৱস হিচাপে পালন কৰি অহা হৈছে। এই দিনটোত বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানসমূহত গণিত সম্পৰ্কীয় বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ৰাষ্ট্ৰীয় গণিত দিৱসৰ লগত সংগতি ৰাখি দুই অক্টোবৰৰ মহাত্মা গান্ধীৰ জন্মদিনৰ পৰা আহমেদাবাদৰ সোমনাথ মন্দিৰৰ পৰা ত্ৰিপুৰাৰ সুন্দৰী মন্দিৰলৈ প্ৰায় ২৫ খন ৰাজ্যত 'ৰামানুজন অমৃত ভাৰত গণিত যাত্ৰা ২০২১' কাৰ্যক্ৰম নেচনেল কাউন্সিল অফ টিচাৰ চায়েন্টিষ্ট, ভিপনেট (বিজ্ঞান প্ৰসাৰ নেটৱৰ্কঅফ চায়েন্স, ভাৰত চৰকাৰ), ৰামানুজ গণিত ক্লাব, সুৰজিৎ একাডেমী, অসম বিজ্ঞান, প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ পৰিষদ (অসম চৰকাৰ), ৰাষ্ট্ৰীয় শিশু গণিত একাডেমী, ভাৰত ৰমন বিজ্ঞান আৰু প্ৰযুক্তি ফাউণ্ডেচন, এ পি জে আব্দুল কালাম ৰাষ্ট্ৰীয় পৰিষদৰ যুৱ বিজ্ঞানী অনুষ্ঠানে আয়োজন কৰিছে। ইতিমধ্যে ২৩ খন ৰাজ্যত ভাৰতৰ স্বনামধন্য গণিতাজ্ঞ-বিজ্ঞানীসকলে শিক্ষানুষ্ঠানসমূহত শিক্ষা প্ৰদান কৰি আহিছে। অসমত যোৱা ১৫ ডিচেম্বৰত গুৱাহাটী পাঁচজন আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন গণিতজ্ঞ-বিজ্ঞানী অসমৰ বিভিন্ন শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদান কৰিবলৈ আহিছে। শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যাপক সীমান্ত শৰ্মাৰ সহযোগত ১৬ ডিচেম্বৰত শুৱালকুছি গণেশ দাস হাইস্কুল আৰু শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গণিত বিষয়টো মনোগ্ৰাহী আৰু আকৰ্ষণীয় কৰাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰে ভাৰতৰত স্বনামধন্য তথা আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন গণিতজ্ঞ ড° চন্দ্ৰমোলী যোশী, ব্ৰজেশ দীক্ষিত, মেহুল কুমাৰ হাৰসৰাই আৰু লগতে প্ৰশিক্ষণত উপস্থিত থাকে এন চি ই আৰ টি, চি চি আৰ টি আৰু এছ চি আৰ টিৰ সমল ব্যক্তি তথা ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ পৰা ৰাষ্ট্ৰীয় ৰিচাৰ্ছ স্কলাৰ প্ৰাপ্ত বিনীতা দেৱী, সুৰজিৎ একাডেমীৰ উপ-সভানেত্ৰী তথা সমাজসেৱী লাৱণ্য দেৱী। তেওঁলোকক দুয়োখন বিদ্যালয়ৰ অধ্যক্ষ শ্যামসুন্দৰৰ গোস্বামী আৰু ৰামেশ্বৰ কাকতিয়ে সম্বৰ্ধনা জনাই লগতে শিক্ষক, ছাত্ৰ-ছাত্ৰীসকলে গণিতৰ ফৰ্মুলাসমূহৰ জৰিয়তে বিদ্যালয়সমূহলৈ আদৰণি জনায়। শুৱালকুছিৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ এনে ধৰণৰ আদৰণি কাৰ্যত গণিতজ্ঞসকলে অভিভূত হৈ পৰে। গণিতজ্ঞসকলে প্ৰতিখন বিদ্যালয়ত প্ৰায় তিনি ঘন্টা ধৰি গণিত বিষয়ৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীসকলেও গণিতজ্ঞসকলৰ লগত গণিতৰ ওপৰত বিভিন্ন প্ৰশ্ন উত্থাপনেৰে আদান-প্ৰদান কৰি নিজৰ জ্ঞান আহৰণ সহায়ক হয়। গণিতজ্ঞসকলে শুৱালকুছি, বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়লৈও যায়। মহাবিদ্যালয়ত অধ্যক্ষ ড° দীপেশ চন্দ্ৰ ভাগৱতীয়ে গণিতজ্ঞ কেইগৰকীক সম্বৰ্ধনা জনাই। বিদ্যালয়-মহাবিদ্যালয়ত শিক্ষা প্ৰদান কৰি গণিতজ্ঞ কেইগৰাকী শ্ৰীশ্ৰীঈশ্বৰ হাটী সত্ৰত সেৱা গ্ৰহণ কৰে। শ্ৰীশ্ৰী ঈশ্বৰ হাটী সত্ৰৰ সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্তই গণিতজ্ঞ কেইগৰাকীক সম্বৰ্ধনা জনাই। গণিতজ্ঞসকলে শুৱালকুছিৰ পাটমুগা শিল্পৰ কাৰুকাৰ্য দেখি অভিভূত হৈ পৰে। শিপিনীসকলৰ লগত শিল্পটোৰ বিষয়ে বহু সময় আলোচনা কৰে। শুৱালকুছিত 'ৰামানুজন অমৃত ভাৰত গণিত যাত্ৰা ২০২১' কাৰ্যক্ৰমৰ বিভিন্ন দিশ সুচাৰু ৰূপে পৰিচালনা কৰাত সহযোগিতা আগবঢ়ায় শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিভাগে।

# অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা,

**ডিমৌ, ১৮ ডিচেম্বৰ ঃ** ডিমৌ লাচিত নগৰৰ নিবাসী তথা তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী খগেশ্বৰ শেনছোৱা (৬৫)ৰ কালি নিজা বাসগৃহত মৃত্যু হয়। দীৰ্ঘদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত পত্নীসহ তিনিজন পুত্ৰ এৰি যায়। অৱসৰপ্ৰাপ্ত কৰ্মচাৰী খগেশ্বৰ শেনছোৱাৰ মৃত্যুত লাচিত নগৰ নামঘৰ সমাজে শোক প্ৰকাশ কৰিছে।

# বিজেপি মহিলা মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা

অগ্ৰদূত বাৰ্তা,

**ডিমৌ, ১৮ ডিচেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টি-জিলা কাৰ্যালয়ত নৱগঠিত মহিলা মৰ্চাৰ বিষয়ববীয়া আৰু নৱনিযুক্ত মণ্ডলৰ সভানেত্ৰীসকলৰ মাজত চিনাকি পৰ্বৰ লগতে পৰহি এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। শিৱসাগৰ জিলা মহিলা মৰ্চাৰ সভানেত্ৰী জুৰি চাংমাইৰ সভানেত্ৰীত অনুষ্ঠিত সভাত আগন্তুক পৌৰসভা আৰু পঞ্চায়ত নিৰ্বাচনৰ বিজেপি দলৰ মহিলা মৰ্চাৰ ভূমিকা সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। শিৱসাগৰ জিলাৰ ১৩টা মণ্ডলৰ ন-পুৰণি মহিলা মৰ্চাৰ সভানেত্ৰী আৰু মহিলা মৰ্চাৰ জিলা বিষয়ববীয়াসকলৰ চিনাকি আৰু ভাব বিনিময় অনুষ্ঠানত বিজেপিৰ অসম প্ৰদেশ মহিলা মৰ্চাৰ উপ-সভানেত্ৰী তথা শিৱসাগৰ জিলাৰ মহিলা মৰ্চাৰ ৰাজ্যিক প্ৰভাৰী মধুমিতা দত্ত, জিলা সভাপতি ময়ূৰ বৰগোহাঁই, কোষাধ্যক্ষ মাইনু বৰগোহাঁই, মহিলা মৰ্চাৰ জিলা প্ৰভাৰী পুতুল গগৈ, কাৰ্যনিৰ্বাহক সদস্যা মৃণালিনী কোঁৱৰ আৰু দিপিকা কাকতি দুৱৰী উপস্থিত থাকে।

# দেৱৰাজ মিলিলৈ গজালি যুৱ কবি বঁটা

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১৯ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বগলচ ৰোড চ'কৰ পৰা এটা দশক ধৰি প্ৰকাশ পাই থকা জেপ কাব্যালোচনী গজালিয়ে তৰুণ প্ৰজন্মৰ কবিসকলক প্ৰেৰণা দিয়াৰ উদ্দেশ্যে প্ৰদান কৰি অহা মোক্ষদাবালা দত্ত সোঁৱৰণী গজালি যুৱ কবি বঁটা এইবেলি ২০২১ৰ বাবে প্ৰদান কৰা হ'ব তৰুণ কবি দেৱৰাজ মিলিক। এক বিবৃতিত এই কথা ঘোষণা কৰিছে গজালিৰ সম্পাদক শংকৰ শৰ্মাই। এই বঁটাত থাকিব নগদ ধন, মানপত্ৰ, স্মাৰক, জাপি, গামোচা, কিতাপৰ টোপোলা।

# টিহুত বোৱা-কটা কৰ্মশালা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**টিহু, ১৯ ডিচেম্বৰ ঃ** নলবাৰী জিলা নাবাৰ্ডৰ উদ্যোগত আৰু টিহুৰ 'গামোচা' স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত কালি টিহুৰ মহাত্মা গান্ধী ভৱনত এখন কৰ্মশালা সম্পন্ন হয় টিহুৰ কে'বাটাও আত্মসহায়ক গোটৰ মহিলাই অংশগ্ৰহণ কৰা কৰ্মশালাখনত বিষ্ণুজ্যোতি স্বেচ্ছাসেৱী সংগঠনৰ সম্পাদক পৰেশ ৰাজবংশীয়ে আঁত ধৰে। কৰ্মশালাত নাবাৰ্ডৰ ডিডিএম ৰাজেন্দ্ৰ পেৰেনাই উপস্থিত থাকি মহিলাসকলক ঋণ গ্ৰহণ, ইয়াৰ ব্যৱহাৰ আৰু পৰিশোধ সম্পৰ্কে বিতং ব্যাখ্যা আগবঢ়ায়। বিষ্ণুজ্যোতি স্বেচ্ছাসেৱী সংগঠনৰ আন এগৰাকী বিষয়ববীয়া পদ্মিনী পাটোৱাৰী, টিহুৰ গামোচা স্বেচ্ছাসেৱী সংগঠনৰ সঞ্চালক চন্দ্ৰমোহন দাস আৰু সম্পাদিকা ববিতা দাসে ভাষণ দিয়ে ।

# গোসাঁইগাঁৱত বস্ত্ৰ বিতৰণ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ/তামাৰহাট, ১৯ ডিচেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ স্বেচ্ছাসেৱী সংস্থা সজল ফাউণ্ডেছনে বৰদিন আৰু নতুন বছৰ উপলক্ষে খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলক শাৰী আৰু কম্বল বিতৰণ কৰে। সজল ফাউণ্ডেছনৰ মুখ্য পৰিচালন সঞ্চালক তথা বিটিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ পৰিষদীয় সদস্য সজল কুমাৰ সিংহৰ উপস্থিতিত কালি চাওতাল কল'নীৰ অন্তৰ্গত ৰংছুপুৰ ভিচিডিচিত পাঁচশখন শাৰী আৰু এশ কম্বল বিতৰণ কৰা হয়।

# কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ স্মাৰকপত্ৰ প্ৰদান

বিশেষ সংবাদদাতা

**বৰপেটা ১৯ ডিচেম্বৰ ঃ** কমতাপুৰ ৰাজ্যৰ পুনৰ গঠনৰ সমস্যা ৰাজনৈতিকভাৱে সমাধান কৰা, কোঁচ ৰাজবংশীক জনজাতিকৰণ কৰা, বি টি আৰৰ চুক্তি অনুসৰি অনাবড়ো সংখ্যা গৰিষ্ঠ গাঁও সমুহ বি টি আৰৰ পৰা কৰ্তন কৰি নতুনকৈ হব লগা সমষ্টিত অন্তৰ্ভূক্ত কৰি সমষ্টিসমূহ খলগিৰী ভূমি পুত্ৰ খিলঞ্জীয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা, নতুনকৈ গঠিত কে এ চি খনৰ পৰিসৰ বৃদ্ধি কৰা, বৰপেটা জিলাৰ সৰভোগ মহকুমাৰ কাৰ্যকৰী কৰা আদিকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত বৰপেটা জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ নদফীয়া এক স্মাৰক পত্ৰ প্ৰদান কৰে । পৰহি সদৌ অসম কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ বৰপেটা জিলা সমিতিয়ে এইকেইটা দাবীৰ সমৰ্থনত বৰপেটা জিলা উপায়ুক্তৰ জৰিয়তে ভাৰতৰ প্ৰধানমন্ত্ৰীলৈকেও স্মাৰকপত্ৰ প্ৰদান কৰে।

# ডুমডুমাত জাবৰৰ দম ঃ অতিষ্ঠ ৰাইজ

## ■ ব্যৱস্থা গ্ৰহণ নকৰে প্ৰশাসনে ঃ নীৰৱ দল-সংগঠন

**ডুমডুমা, ১৯ ডিচেম্বৰ ঃ** ডুমডুমা নগৰৰ জাবৰে পৰিৱেশ বিনষ্ট কৰিছে। তিনিচুকীয়া জিলাৰ ডুমডুমা-ফিলবাৰী মূল পথৰ দাঁতিত ডুমডুমা নগৰৰ জাবৰসমূহ পেলোৱাৰ বাবে জাবৰ বৃদ্ধি পাই পাহাৰ সদৃশ হৈ জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। সমগ্ৰ ডুমডুমা নগৰৰ পৰা ওলোৱা জাবৰসমূহ নিতৌ ডুমডুমা ৰাজহুৱা শ্মশানৰ সমীপত পেলাই পাহাৰ সদৃশ কৰিছে। জাবৰ বৃদ্ধি পোৱত দুৰ্গন্ধময় পৰিৱেশ সৃষ্টি হৈছে। পথৰ দাঁতিলৈকে জাবৰসমূহ পৰি আছে। আনকি জাবৰ পেলোৱা বাহনসমূহেও যধে-মধে জাৱৰ পেলোৱাৰ ফলত পৰিৱেশ দূষিত হৈছে। অঞ্চলটোত জাবৰ পেলোৱাৰ ক্ষেত্ৰত ৰাইজে বিৰোধিতা কৰি আহিছে যদিও এই ক্ষেত্ৰত তিনিচুকীয়া জিলা প্ৰশাসনৰ বা ডুমডুমা পৌৰ প্ৰশাসনে কোনো গুৰুত্ব প্ৰদান কৰা নাই। ইফালে, পথতে বাঁহ পেলাই একাংশই বেহা চলোৱাৰ বাবেও সমস্যাৰ উদ্ভৱ হৈছে। ডুমডুমা-ফিলবাৰী পথত যাতায়াতত ব্যাঘাত জন্মাইছে। এই বিষয়টোৰ ক্ষেত্ৰত দল-সংগঠনসমূহে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। ৰাইজৰ সমস্যাৰ হকে মাত মাতিবলৈ কোনেও আহৰি নোপোৱা প্ৰসংগই ৰাইজ তথা সচেতন মহলক চিন্তিত কৰিছে। ডুমডুমা নগৰত স্বচ্ছ ভাৰত অভিযান ধোঁৱা চাঙত উঠা পৰিলক্ষিত হৈছে। ডুমডুমা নগৰৰ সমস্যা সমাধানৰ ক্ষেত্ৰত শীঘ্ৰে কাৰ্য ব্যৱস্থা হাতত ল'বলৈ প্ৰশাসনক ৰাইজ তথা ডুমডুমা নগৰবাসীয়ে দাবী জনাইছে।



# গন্ধমৌৰ গো ৰিজাৰ্ভত অবৈধ খনন প্ৰতিৰোধৰ দাবীত আছুৰ স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূতবাৰ্তা

**শুৱালকুছি ১৯ ডিচেম্বৰ ঃ** জালুকবাৰী সমষ্টিৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত নিজ গন্ধমৌৰ গো চৰণীয়া ৰিজাৰ্ভকে ধৰি আঠখন ৰিজাৰ্ভ , জান-জুৰি, নদী পাহাৰ-পৰ্বত আৰু চৰকাৰী ভূমি আদি অবৈধ খনন কাৰ্য বন্ধ কৰিবলৈ পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাই আৰু বংশৰ শাখা ছাত্ৰ সন্থাই সুকীয়াকৈ কামৰূপ জিলা উপায়ুক্ত স্মাৰকপত্ৰ প্ৰদান কৰে। পছৰীয়া মলং পাহাৰত একাংশ দুস্কৃতিকাৰীয়ে এক্সাকেভেটৰ লগাই ৰঙা মাটি খান্দি ব্যৱসায় চলাই থকাৰ উপৰি নিজ গন্ধমৌ গো ৰিজাৰ্ভৰ মাজেৰে দিনে নিশাই এক্সাকেভেটৰ, ডাম্পাৰ, টেক্টৰ আদি লগাই চলাই গো ৰিজাৰ্ভখন বৃহৎ ক্ষতি সাধন কৰাৰ লগতে ব্ৰহ্মপুত্ৰ বালি চৰত অবৈধ খনন, অঞ্চলটোৰ জান, জুৰি, নৈ, চৰকাৰী ভূমিসমূহ এক্সকেভেটৰেৰে খান্দি অঞ্চলটোত এক অনুকূল পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে পথ, উপ-পথসমূহ ক্ষতি সাধন কৰাৰ লগতে ৰাইজৰ চলাচলৰ অনুপযোগী হৈ পৰিছে। পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মনোৰঞ্জন দাসে উপায়ুক্তক পূব বংশৰ অঞ্চলৰ যি অবৈধ খনন শীঘ্ৰে বন্ধ কৰিবলৈ দাবী জনায়।

# বঙাইগাঁৱত কৰ'না ভেকচিন সজাগতাৰ গীত মুকলি

অগ্ৰদূত ব্যুৰ

**বঙাহগাঁও ১৯ ডিচেম্বৰ ঃ** কৰ'না প্ৰতিষেধক লোৱাৰ সজাগতাৰ উদ্দেশ্যে বঙাইগাঁৱৰ ৰিয়ন ফিল্মছ নিবেদিত চুটি ছবিখনৰ 'ভেকচিন নিতে যাই' শীৰ্ষ গীতটি বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত শুকুৰবাৰে মুকলি কৰে বঙাইগাঁও জিলাৰ উপায়ুক্ত ডাঃ এম এছ্ লক্ষ্মী প্ৰিয়াই । এই উপলক্ষে অনুষ্ঠিত এক অনুষ্ঠানত মুখ্য অতিথি জিলা উপায়ুক্ত ডাঃ এম এছ্ লকক্ষ্মী প্ৰিয়াৰ উপৰি চুটি ছবিৰ পৰিচালক গোকুল নাথ, প্ৰযোজক ভূয়সী পাঠক, অভিনেত্ৰী নৰ্মদা দাস, শিশু শিল্পী হৰ্ষিতা সহ কলাকুশলী উপস্থিত থাকে ।'ভেকচিন নিতে যাই' শীৰ্ষ গীতটোত কণ্ঠদান কৰিছে শিল্পী নিৰ্মালী দাস আৰু অসীম পাটগিৰিয়ে।

# অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ জ্ঞানংকোষৰ বিষয়ববীয়াক অভিনন্দন

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১৯ ডিচেম্বৰ ঃ** পৰহি অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা তিনিচুকীয়া জিলা মহিলা সমিতি আৰু তিনিচুকীয়া জিলাৰ মূল সমিতিৰ যুটীয়া উদ্যোগত অনাথ শিশুসকলক মানৱ সম্পদলৈ ৰূপান্তৰ কৰা কেন্দ্ৰ 'জ্ঞানংকোষ'ৰ প্ৰতিষ্ঠাপক সম্পাদক, মূল ব্যক্তি সঞ্জীৱ ছেত্ৰী আৰু যুটীয়া সম্পাদক পবিত্ৰ কুমাৰ বৰুৱাৰ লগতে জ্ঞানংকোষৰ সকলো বিষয়ববীয়াসকলক অভিনন্দন জ্ঞাপন কৰে। অভিনন্দন অনুষ্ঠানত সভাপতিত্ব কৰে জাতীয় মহাসভা তিনিচুকীয়া জিলা সমিতিৰ সভাপতি বাবলু কুলদ্বীপে। এই অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে চাহ জনগোষ্ঠী জাতীয় মহাসভা কেন্দ্ৰীয় সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি বীৰেন কৈৰী, চাহ জনগোষ্ঠী সাহিত্য সভা তিনিচুকীয়া জিলা সমিতিৰ সভাপতি নগেন কুমাৰ, তিনিচুকীয়া জিলাৰ বিশিষ্ট সমাজ সেৱক জিতেন প্ৰধান আৰু জাতীয় মহাসভা তিনিচুকীয়া জিলা মহিলা সমিতিৰ সভানেত্ৰী মঞ্জলি কুমাৰ আৰু সম্পাদিকা মামনি গোৱালা। অভিনন্দন অনুষ্ঠানৰ পাছত জ্ঞানংকোষৰ এশৰো অধিক অনাথ শিশুকলক দুপৰীয়া আহাৰ যোগান ধৰি নিজ হাতেৰে অন্ন বিতৰণ কৰে। উক্ত মানৱ সেৱা কৰা জ্ঞানংকোষত চাহ জনগোষ্ঠী ৰাইজৰ সক্ৰিয় অংশীদাৰ আৰু সহায়-সহযোগিতা জাতীয় মহাসভা তিনিচুকীয়া জিলা সমিতিৰ সভাপতি বাবলু কুলদীপে কামনা কৰিছে।

# নিৰ্মালিৰ প্ৰতিষ্ঠা দিৱসত যোদ্ধালৈ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**মেলামাটি, ১৯ ডিচেম্বৰ ঃ** তিতাবৰৰ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান নিৰ্মালিৰ প্ৰতিষ্ঠা দিৱস ১৮ আৰু ১৯ ডিচেম্বৰত ৰঙাজানৰ গড়গুড়িত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কলাক্ষেত্ৰ নিৰ্মালিৰ বাকৰিত অনুষ্ঠিত হ'ব। কালি পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পাছতে বিষয় বাছনি সভা আৰু বিয়লি অসমীয়া গীতৰ নৃত্য প্ৰতিযোগিতা ক, খ, গ তিনিটা শাখাত অনুষ্ঠিত হ'ব। দ্বিতীয় দিনৰ কাৰ্যসূচীত কাব্যশ্ৰী হাজৰিকা সোঁৱৰণী পুথিভঁৰাল উদ্বোধন আৰু বিয়লি মুকলি সভা অনুষ্ঠিত হ'ব। উক্ত সভাত দৰিদ্ৰ পৰিয়ালক গৰম বস্ত্ৰ প্ৰদান কৰিব আৰু ক'ভিড যোদ্ধাসকলক বিশেষকৈ গাঁওবুঢ়া আৰু স্থানীয় স্বাস্থ্য কৰ্মীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব।

# বঙাইগাঁৱত ড্ৰাগছসহ ধৃত দুই

অগ্ৰদূত ব্যুৰ

**বঙাইগাঁও, ১৯ ডিচেম্বৰ ঃ** বঙাইগাঁও চহৰৰ নিউ বঙাইগাঁও টুনীয়াপাৰ বজাৰৰ পৰা পৰহি আৰক্ষীয়ে ড্ৰাগছসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। নিউ বঙাইগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ড্ৰাগছ সৰবৰাহকাৰী দুজন ছহিদুল ইছলাম আৰু মণিৰুল ইছলাম। ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুজনৰ পৰা আৰক্ষীয়ে ড্ৰাগছসহ পাঁচটা কণ্টেইনাৰ, এটা ম'বাইল, হেড ফোন আৰু কিছু নগদ ধন জব্দ কৰে। কণ্টেইনাৰকেইটাত ৬.০৯ গ্ৰাম ব্ৰাউন ছুগাৰ আছিল। আৰক্ষীয়ে ইতিমধ্যে আটকাধীন ড্ৰাগছ সৰবৰাহকাৰী দুজনৰ বিৰুদ্ধে বঙাইগাঁও সদৰ থানাত এক গোচৰ ৰুজু কৰিছে। ধৃত দুই যুৱক বঙাইগাঁও চহৰৰ মাদ্ৰাছী পট্টিৰ বাসিন্দা।

# বংকোৱাল চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়ত নদী সংৰক্ষণৰ সজাগতা সভা সম্পন্ন

**খুমটাই, ১৯ ডিচেম্বৰ ঃ** বোকাখাত মহকুমাৰ বংকোৱাল চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়ত ১৫ ডিচেম্বৰত কেন্দ্ৰীয় চৰকাৰৰ জলশক্তি মন্ত্ৰণালয়ৰ উদ্যোগত ৱাইল্ডলাইফ ইনষ্টিটিউট অব ইণ্ডিয়াৰ সহযোগত নদী মহোৎসৱ কাৰ্যসূচীৰ অধীনত নদী সংৰক্ষণ সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাখন উদ্বোধন কৰে বংকোৱাল চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক সোণেশ্বৰ আহোমে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দৃশ্য-শ্ৰব্য মাধ্যমেৰে নদী সংৰক্ষণৰ প্ৰয়োজনীয়তা সন্দৰ্ভত চিত্ৰ কৰ্মশালা, মুকলি কুইজ প্ৰতিযোগিতা আৰু ক্ষেত্ৰভিত্তিক অধ্যয়ন আদি অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাত পাৰদৰ্শিতা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কৃত কৰা হয়। ৱাইল্ডলাইফ ইনষ্টিটিউট অফ ইণ্ডিয়াৰ সমন্বয়ক মনীষা আশ্ৰফে আঁত ধৰা অনুষ্ঠানটোত ইনষ্টিটিউট অফ ইণ্ডিয়াৰ ওমৰ শ্বৰিফ, ৰশ্মি দাস, আকাশ নাথ, নুমলীগড় খণ্ড বন বিষয়া ভাস্কৰ বৰা, কমাৰগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চিদা হাজৰিকা, সহকাৰী উপ-পৰিদৰ্শক প্ৰসেন দাস, আঞ্চলিক পঞ্চায়তৰ সদস্যা নিপামণি দাৰ, আৰণ্যকৰ সদস্য বাবুকান্ত দাৰ, স্থানীয় সংবাদকৰ্মী সৰুধন মৰাঙকে আদি কৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# আদিবাসী জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত ধৰ্ণা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৯ ডিচেম্বৰ ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) বিশ্বনাথ জিলা সমিতিৰ উদ্যোগত আৰু আদিবাসী জনগোষ্ঠীৰ বিভিন্ন সমাজ সংগঠনৰ সহযোগত অসমত বসবাস কৰা আদিবাসী জনগোষ্ঠীক জনজাতিকৰণ প্ৰদান নকৰাৰ প্ৰতিবাদত পৰহি বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত তিনি ঘন্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে।

■ মেলামাটিত জলহা জাতিৰ সমাৰেশ ■ জাতিগত প্ৰমাণপত্ৰ দিবলৈ পদক্ষেপ গ্ৰহণৰ পোষকতা

# জলহাক চাহ জনগোষ্ঠীৰ পৰা বাদ নিদিবলৈ আহ্বান



**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ১৯ ডিচেম্বৰ ঃ** অসমৰ চাহ আৰু প্ৰাক্তন চাহ জনগোষ্ঠীৰ অন্তৰ্ভুক্ত জলহা জাতিৰ এক আলোচনা সভা আজি তিতাবৰ সমষ্টিৰ অন্তৰ্গত মেলামাটিত জলহা জাতিৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি হবিবুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত হয়। জলহা জাতি অধ্যুষিত অসমৰ বিভিন্ন জিলাৰ পৰা অহা প্ৰতিনিধিৰ সহযোগিতাত তিতাবৰ মহকুমাৰ চাহ জনগোষ্ঠীৰ জলহা জাতিৰ ৰাইজে সভাত অংশগ্ৰহণ কৰে। চাহ আৰু প্ৰাক্তন চাহ শ্ৰমিক জলহা জাতি সন্মিলনৰ সভাপতি হবিবুৰ ৰহমান, সাধাৰণ সম্পাদক নাজিৰ হুছেইন, যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ইউনুছ হুছেইন আৰু সাধাৰণ সম্পাদক জিতু আহমেদ, অভ্যৰ্থনা সমিতিৰ সভাপতি আনোৱাৰ আলী, সম্পাদক চৰিফুল হুছেইন প্ৰমুখ্যে নেতৃবৃন্দই কয় যে চাহ জনগোষ্ঠীৰ এটা অবিচ্ছেদ্য অংগ জলহা জাতিৰ জাতিগত প্ৰমাণপত্ৰ আজিলৈকে নিশ্চিত নহ'ল। চাহ জনগোষ্ঠীৰ তালিকাৰ পৰা বাদ দিবলৈ ইতিমধ্যে ষড়যন্ত্ৰ চলিছে। কাজেই জলহা জাতিৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা জলহা জাতিৰ ৰাইজক সংগঠিত কৰি জাতিগত প্ৰমাণপত্ৰৰ দাবীত সংগ্ৰাম গঢ়ি তোলাৰ সংকল্প গ্ৰহণ কৰে। অসম চৰকাৰে যদি জলহা জাতিক চাহ জনগোষ্ঠীৰ তালিকাৰ পৰা বাদ দিব খোজে অথবা চাহ জনগোষ্ঠী সংগঠনে জলহা জাতিক তালিকাৰ পৰা বাদ দিবলৈ চেষ্টা কৰে, তেন্তে জলহা জাতি সন্মিলনে আইনৰ সহায় লোৱাৰ সিদ্ধান্ত আজিৰ সমাৰেশত গ্ৰহণ কৰিছে। উক্ত সমাৰেশত সদৌ অসম অন্যান্য পাছপৰা শ্ৰেণীৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি অমৰ গগৈ, তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক মাখনলাল বাঢ়ৈ, অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মাণিকলাল মাহত্ব, চাহ জনগোষ্ঠী সাহিত্য সভাৰ সহ-সম্পাদক বসন্ত ৰাজোৱাৰ, জলহা জাতিৰ গৱেষক খোৱাং মহাবিদ্যালয়ৰ অধ্যাপিকা ড° চাজমিনা ১৩ পৃষ্ঠাত চাওক

## লালুক একাডেমী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী ঃ ৰাজহুৱা সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**লালুক, ১৯ ডিচেম্বৰ ঃ** লালুক অঞ্চলৰ আগশাৰীৰ শিক্ষানুষ্ঠান লালুক একাডেমী উচ্চ মাধ্যমিক বিদ্যালয়ে ৫০টা বৰ্ষ গৰকি যোৱাৰ পৰিপ্ৰেক্ষিতত সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ বাবে কালি বিদ্যালয়খনত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰভাত বৰাই সভাপতিত্ব কৰা সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক ধীৰাজ বৰাই। সভাত বিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ বাৰ্ষিক কাৰ্যক্ৰম সন্দৰ্ভত বিষদভাৱে আলোচনা কৰা হয়। সভাত বিদ্যালয়খনৰ প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী লীলাৱতী শৰ্মা, সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত বৰা, লালুক আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি গগৈ, সম্পাদক জিন গোস্বামী অসম জাতীয়তাবাদী যুৱ পৰিষদৰ লালুক আঞ্চলিক সমিতিৰ সভাপতি ৰত্নেশ্বৰ বৰুৱা, লালুক সমবায় সমিতিৰ সভাপতি পংকজ বৰাকে ধৰি বহু বিশিষ্ট অতিথি উপস্থিত থাকি ভাষণ প্ৰদান কৰে। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থকা ৰাজহুৱা সভাত লালুকৰ অগ্ৰণী শিক্ষানুষ্ঠানখনৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাই বিদ্যালয়খনৰ সোণালী জয়ন্তী অনুষ্ঠানৰ অনুষ্ঠিত কৰিব বাবে এখন ৩১ জনীয়া কৰ্ণধাৰ সমিতিৰ গঠন কৰি দিয়ে। সভাই অহা পহিলা জানুৱাৰীত সোণালী জয়ন্তী বৰ্ষ আৰম্ভৰ দিন হিচাপে ধাৰ্য কৰে। লগতে সকলো ৰাইজৰ সহায়-সহাযোগিতা আৰু সক্ৰিয় অংশগ্ৰহণ সাদৰেৰে কামনা কৰিছে বিদ্যালয়খনৰ পৰিয়ালবৰ্গৰ লগতে কৰ্ণধাৰ সমিতিখনে।

## বিজনী মহকুমা আক্ৰাছুৰ প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৯ ডিচেম্বৰ ঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে কালি বিজনী মহকুমা আক্ৰাছুৰ তৰফৰ পৰা বিজনী মহকুমাধিপতিৰ জৰিয়তে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক স্মাৰকপত্ৰ প্ৰদান কৰা হয়। স্মাৰকপত্ৰৰ জৰিয়তে কোচ ৰাজবংশী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবী পৃথক কমতাপুৰ ৰাজ্য পুনৰ গঠন আৰু জনজাতিকৰণৰ দাবীত এই স্মাৰকপত্ৰ প্ৰদান কৰা হয়। আনহাতে, শেহতীয়াকৈ জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বি টুডুৱে লোকসভাত অসম চৰকাৰে কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰতিবেদন প্ৰেৰণ নকৰা বুলি কৰা মন্তব্যৰ দুখ প্ৰকাশ কৰি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক শীঘ্ৰে প্ৰতিবেদন প্ৰেৰণ কৰিবলৈ আহ্বান জনায় বিজনীৰ আক্ৰাছুৱে। যদি অসম চৰকাৰে কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতীয় বৈশিষ্ট্য বিচাৰি নাপায় সেয়া মুকলিকৈ স্পষ্ট কৰিবলৈ আহ্বান জনায় বিজনী মহকুমা আক্ৰাছুৰ সভাপতি মনোজ ৰায়ে। স্মাৰকপত্ৰ প্ৰদান কৰা মুহূৰ্তত আক্ৰাছুৰ লগতে কোচ ৰাজবংশী মহিলা সমিতিৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

## গাঁওৰক্ষীবাহিনীৰ নিষ্ক্ৰিয়তাৰ সুযোগ লৈ গৰু চুৰি

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ১৯ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ গ্ৰামাঞ্চলত গাঁওৰক্ষী বাহিনীৰ নিষ্ক্ৰিয়তাৰ সুযোগ গ্ৰহণ কৰি আজি কিছুদিন ধৰি ধাৰাবাহিকভাৱে নিশা গৰু চুৰি ঘটনা সংঘটিত হৈ আছে। মেৰাপানীৰ মাধৱপুৰ গাঁৱৰ সৰ্বেশ্বৰ দাস নামৰ লোকজনৰ ঘৰৰ গোহালিৰ পৰা যোৱা নিশা এহাল বলধ গৰু চোৰে চুৰি কৰে। আনহাতে, কিছুদিনৰ পূৰ্বে পঞ্চৱতী গাঁৱৰ এঘৰৰ পৰাও নিশা চোৰে এহাল বলধ গৰু চুৰি কৰিছিল। এনেদৰে মেৰাপানী অঞ্চলটোৰ, তৰানি, চাউদাং পথাৰ, কলাজান, সৰুপানী আদি বিভিন্ন গাঁৱতে গৰু চুৰি সংঘটিত হৈ আছে। গাঁওৰক্ষী বাহিনীৰ নিষ্ক্ৰিয়া হৈ থকা বাবে চুৰি কাৰ্য সংঘটিত হৈ আছে।

## সমাজসেৱী চিংৰাই চৰেণৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ১৯ ডিচেম্বৰ ঃ** সোণাপুৰৰ একালৰ এজন সুদক্ষ ফুটবল খেলুৱৈ তথা প্ৰবীণ সমাজসেৱী চিংৰাই চৰেণ (৮৮)ৰ কালি পুৱতি নিশা দুই বজাত উৰলস্থিত নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰ, এগৰাকী কন্যা এৰি যায়। চৰেণ ডিমৰীয়া আটছাৰ প্ৰতিষ্ঠাপক, সোণাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, সোণাপুৰ মহাবিদ্যালয়, সোণাপুৰ ক্ৰীড়া সন্থা আদিকে কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। আজি তেওঁৰ মৃতদেহ এখন পুষ্প সজ্জিত বাহনেৰে ডিমৰীয়া আটছাৰ কাৰ্যালয়লৈ লৈ অনা হয়। তাতে ডিমৰীয়া আটছা, ডিমৰীয়া আছু, ক্ৰীড়া সন্থা, সোণাপুৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে অলেখ গুণমুগ্ধই প্ৰিয় সমাজসেৱীজনলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

## অৱসৰপ্ৰাপ্ত শিক্ষক পদ্ম কুমাৰ দাসৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১৯ ডিচেম্বৰ ঃ** পাথৰিঘাট উচ্চ মাধ্যমিক বিদ্যালয় (পূৰ্বৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়)ৰ প্ৰতিষ্ঠা কালৰ প্ৰধান শিক্ষক, ভাস্কৰ শিল্পী, নান্দনিক সাহিত্য চ'ৰাৰ উপ-সভাপতি, পথৰু সমন্বয় গোষ্ঠীৰ উপদেষ্টা পদ্ম কুমাৰ দাস (৬২)ৰ কালি উচ্চ ৰক্তচাপত মৃত্যু হয়। বৃহত্তৰ পাথৰিঘাট অঞ্চলৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠানৰ স'তে জড়িত সৰবৰহী, জনপ্ৰিয় শিক্ষকজনৰ বিয়োগত শোকৰ ছাঁ পৰিছে। পাথৰিঘাট অঞ্চলৰ কৃতী শিক্ষক-শিক্ষয়িত্ৰী আনন্দ কুমাৰ দাস আৰু দেৱবালা দাসৰ জ্যেষ্ঠ পুত্ৰ দাসৰ মৃত্যুত নান্দনিক সাহিত্য চ'ৰা, পথৰুঘাট, পাথৰিঘাট উচ্চ মাধ্যমিক বিদ্যালয়, ছিপাঝাৰ সাহিত্য সভা, পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়, পাথৰিঘাট শাখা সাহিত্য সভা, পাথৰিঘাট মজলীয়া বিদ্যালয়, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দৰং জিলা সমিতি আদিয়ে শোক প্ৰকাশ কৰিছে।

## প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী তৰুণী শইকীয়াৰ মৃত্যু



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৯ ডিচেম্বৰ ঃ** নগাঁও চহৰৰ দাঁতিকাষৰীয়া ভোটাইগাঁও নিবাসী তথা ভোটাইগাঁও নিম্ন বুনিয়াদী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী তৰুণী শইকীয়া (৮৯)ৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। তেওঁ সামাজিক, সাংস্কৃতিক কাম-কাজত জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ, কন্যা এৰি যায়।

## মধ্য যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ শিশু সমাৰোহৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৯ ডিচেম্বৰ ঃ** মধ্য যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ দ্বা-বিংশতি সংখ্যক দ্বিবাৰ্ষিক শিশু সমাৰোহ পীড়াকটা আঞ্চলিক সাংস্কৃতিক কেন্দ্ৰৰ উমেশ ফুকন সোঁৱৰণী মঞ্চত অহা ২৪ ডিচেম্বৰৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি প্ৰথমদিনা পুৱা সাত বজাত গছপুলি ৰোপণ কৰে অংকুৰ জ্যোতি ফুকন, প্ৰাচুৰ্য প্ৰিয়ম ফুকন, প্ৰিয়াংশু পৰশ ফুকন আৰু প্ৰিয়াংশু ফুকন। আঠ বজাত পীড়াকটা আঞ্চলিক সাংস্কৃতিক কেন্দ্ৰৰ তোৰণ আৰু পকী চাৰি বেৰা উন্মোচন কৰে ক্ৰমে তিলেশ্বৰ ফুকন, অতুল ফুকন আৰু মহেশ্বৰ বৰকটকীয়ে। ইপিনে, পুৱা ন বজাত মধ্য যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ পতাকা উত্তোলন কৰিব সভাপতি প্ৰভাত ৰঞ্জন গগৈয়ে। পুৱা ৯-৪৫ বজাত সাহিত্য, সংস্কৃতিৰ, ক্ৰীড়া প্ৰতিযোগিতা আৰু দিনৰ ১২ বজাত ড° অনিল কুমাৰ শইকীয়াই 'শিশু জ্যোতি' আৰু স্মৃতিগ্ৰন্থ উন্মোচন কৰিব। ইয়াৰ পাছতে সাহিত্য, সংস্কৃতিৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অহা ২৫ ডিচেম্বৰ পুৱা আঠ বজাত ক্ৰীড়া প্ৰতিযোগিতা, ১০ বজাত সাহিত্য, সংস্কৃতিৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইপিনে, ২৬ ডিচেম্বৰ পুৱা আঠ বজাত ভেকছন প্ৰতিযোগিতা, ১০ বজাত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা, ১১ বজাত স্বাগতা বৰাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হ'ব। উক্ত সভাখন উদ্বোধন কৰিব অন্বেষা ফুকনে। তদুপৰি নিৰ্দিষ্ট বক্তা শ্ৰেয়া বৰপাত্ৰ আৰু বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব সাগৰ শংকৰ চুতীয়া আৰু নৈবেদ্য বৰা।

## কৰ্দৈগুৰিৰ আদৰ্শ চিকিৎসালয়খন অতি শীঘ্ৰে নিৰ্মাণৰ দাবী

■ বিধায়কক স্মাৰকপত্ৰ প্ৰদান মৰাণ ছাত্ৰ সন্থাৰ

**অগ্ৰদূত বাৰ্তা**

**তালাপ, ১৯ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ১২৫ নম্বৰ ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ কৰ্দৈগুৰি অঞ্চলটো আজিও এশ এবুৰি সমস্যাৰে জৰ্জৰিত। অঞ্চলটো বিভিন্ন ক্ষেত্ৰত পিছপৰি আছে। অঞ্চলটোৰ আন আন সমস্যাৰাজিৰ লগতে চিকিৎসা ব্যৱস্থা উন্নত কৰিবৰ বাবে মৰাণ ছাত্ৰ সন্থাৰ তালাপ কৰ্দৈগুৰি আঞ্চলিক সমিতিয়ে যোৱা ১৬ ডিচেম্বৰত ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে ২০খনতকৈও অধিক ৰাজহ গাঁও আৰু পাঁচখনকৈ বৃহত্তৰ চাহ বাগিচাৰে গঠিত বৃহত্তৰ তালাপ-কৰ্দৈগুৰি অঞ্চলটোত এখনো চিকিৎসালয় নথকাত ২৫ কিলোমিটাৰ নিলগত অৱস্থিত ডুমডুমাৰ এফআৰইউ চিকিৎসালয়লৈ যাবলগীয়া হয়। যাতায়াতৰ অসুবিধা হোৱা হেতুকে তাৎক্ষণিক চিকিৎসাৰ ক্ষেত্ৰত অঞ্চলবাসীয়ে যথেষ্ট দুৰ্ভোগৰ সন্মুখীন হৈ আহিছে। উল্লেখ্য যে ২০১৮তে তদানীন্তন স্বাস্থ্যমন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাকপথাৰৰ টঙনাৰ এখন ৰাজহুৱা সভাত টঙনা চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰা স্থানতে কৰ্দৈগুৰি আদৰ্শ চিকিৎসালয়খনৰো আধাৰশিলা স্থাপন কৰা হ'ল বুলি ঘোষণা কৰিছিল। কিন্তু কৰ্দৈগুৰিৰ আদৰ্শ চিকিৎসালয়খন আজিও যাৱতীয় কাম কাৰ্যকৰীৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। তদুপৰি অঞ্চলটোত যিকেইখন উপ-স্বাস্থ্য কেন্দ্ৰ আছে, সেইকেইখনো পৰিত্যক্ত অৱস্থাত আছে। উক্ত উপ-স্বাস্থ্য কেন্দ্ৰ কেইটাও উন্নীতকৰণ কৰিবৰ বাবে বিধায়কজনৰ লগতে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ স্মাৰকপত্ৰযোগে আহ্বান জনাইছে।

## গ্ৰন্থ অধ্যয়ন অবিহনে সমাজৰ সুস্থ চিন্তাৰ প্ৰতিফলন নঘটে

■ বৰপেটাত কেশৱ চন্দ্ৰ ডাকুৱাৰ চাৰিখন গ্ৰন্থ উন্মোচন

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৯ ডিচেম্বৰ ঃ** ক'ভিড পৰিস্থিতিয়ে ভাষা-সাহিত্য-সংস্কৃতিত প্ৰতিকূল প্ৰভাৱ পেলোৱাৰ পাছতো বৰপেটাত গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰা নাই। বিগত কিছুদিন ধৰি বহুকেইজন লেখকৰ কে'বাখনো গ্ৰন্থ প্ৰকাশ হোৱাৰ পাছত আজি বৰপেটাত এজন লেখকৰ চাৰিখন ভিন্নধৰ্মী গ্ৰন্থ প্ৰকাশ পায়। প্ৰকাশিত গ্ৰন্থকেইখন হ'ল বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ অৱসৰীপ্ৰাপ্ত অধ্যাপক কেশৱ চন্দ্ৰ ডাকুৱাৰ। বৰপেটা আইন মহাবিদ্যালয়ৰ সভাকক্ষত বৰপেটা সাহিত্য সভাৰ সভাপতি ডাঃ কমল কৃষ্ণ দাসৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত লখিমী দত্তই। মুখ্য অতিথিৰ ভাষণত দত্তই কয়, 'গ্ৰন্থ এখনৰ জৰিয়তে আমি নেদেখা পৃথিৱীখনক দেখা পাওঁ। বুজি পাবলৈ সক্ষম হওঁ। গ্ৰন্থ অধ্যয়ন অবিহনে সমাজৰ সুস্থ চিন্তাৰ প্ৰতিফলন নঘটে। গ্ৰন্থ অধ্যয়নৰ মাজেৰে মানুহৰ মানসিক অৱসাদ দূৰ কৰিব পৰা যায়।' সভাত গ্ৰন্থকাৰ ডাকুৱাৰ বাতৰি কাকত, আলোচনী আদিত প্ৰকাশিত কে'বাটাও প্ৰৱন্ধ, চুটিগল্প আৰু অনূদিত গল্প থুপাই প্ৰকাশ কৰা 'চিন্তাৰ বিক্ষিপ্ত স্ফুৰণ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে ভৱানীপুৰ-হস্তীনাপুৰ-বিজনী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ১৩ পৃষ্ঠাত চাওক



## গৌৰীপুৰত ভয়ংকৰ অগ্নিকাণ্ড

**অগ্ৰদূত বাৰ্তা**

**গৌৰীপুৰ, ১৯ ডিচেম্বৰ ঃ** গৌৰীপুৰ চহৰৰ মাজমজিয়াত অৱস্থিত পুষ্প হোটেলৰ গাতে লাগি থকা এটা আৱাসগৃহত আজি পুৱা ১১-৩৯ বজাত সংঘটিত হয় ভয়ংকৰ অগ্নিকাণ্ড। চহৰখনৰ বাছ আস্থান অঞ্চলৰ বাসিন্দা গৌতম দে ওৰফে মিঠু নামৰ ব্যক্তিজনৰ ঘৰত বৈদ্যুতিক বিজুতি ঘটি উক্ত অগ্নিকাণ্ডৰ সুত্ৰপাত হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। পাছত ঘটনাস্থলীত চাৰিখন অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি জুই নিৰ্বাপিত কৰে।

## ঐতিহাসিক ডিব্ৰু-ডাঙৰী ৰেল সেৱা পুনৰ আৰম্ভৰ দাবীত ডাঙৰী আছুৰ আন্দোলন

**অগ্ৰদূত বাৰ্তা**

**তালাপ, ১৯ ডিচেম্বৰ ঃ** প্ৰাক স্বাধীনোত্তৰ কালতেই ব্ৰিটিছসকলে স্থাপন কৰা ডিব্ৰু-ডাঙৰী ৰেল সেৱা দীৰ্ঘদিন ধৰি বন্ধ হৈ আছে। তদুপৰি অতি শেহতীয়াকৈ ভাৰতীয় ৰেল বিভাগত থকা এটা অসম বিৰোধী চক্ৰই তিনিচুকীয়াৰ পৰা ডাঙৰীৰ মাজত থকা মাকুম জংছনকে ধৰি ছটা ষ্টেছনৰ দুৱাৰত তলা লগাই সম্পূৰ্ণ ৰেল সেৱাকে উঠাই দিয়াৰ চক্ৰান্ত কৰিছে। ৰেল বিভাগৰ এইসমূহ কুচক্ৰান্তৰ বিষয়ে একাংশ সংবাদ মাধ্যমত সবিস্তাৰে প্ৰকাশ পোৱাৰ পাছতে সৰৱ হৈ পৰিছে তিনিচুকীয়া জিলাৰ ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থা। ৰেল বিভাগৰ এই কুচক্ৰান্ত বাতিল কৰাৰ দাবীতেই কালি তিনিচুকীয়া জিলাৰ ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাই ডাঙৰী ৰেলৱে ষ্টেছনৰ সন্মুখত এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ডাঙৰী ৰেলৱে ষ্টেছনৰ কাষৰীয়া ৰাইজৰ সহযোগত ৰূপায়িত দুঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচীত প্ৰতিবাদী ৰাইজে বিভিন্ন শ্ল'গান দিয়ে। ১৩ পৃষ্ঠাত চাওক



## বিন্ধাকটা-মুলুকগাঁৱৰ বানবিধ্বস্ত ঠাইৰ মেৰামতিৰ আঁচনিৰ আৰম্ভ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৯ ডিচেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ বিন্ধাকটা-মুলুকগাঁও অঞ্চলৰ অন্তৰ্গত বানবিধ্বস্ত ঠাইসমূহৰ মেৰামতিকৰণৰ বাবে জলসম্পাদ সংমণ্ডল, ডিব্ৰুগড়ৰ অধীনত ২০২০-২১ৰ পুঁজিৰে আঠখন আঁচনিৰ সামূহিক আৰম্ভ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত অসম চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থাকে। জিঅ' বেগ, পিচিএছ পাৰ্কুপাইন, চি চি আৰু পেভাৰ্চ ব্লক প্ৰতিষ্ঠাৰে গৰাখহনীয়া ৰোধ তথা ঘাট-পথ মেৰামতিৰ বাবে আৰম্ভ কৰিবলৈ লোৱা উক্ত আঁচনিসমূহৰ অনুষ্ঠানত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈ, জিলা উপায়ুক্ত বিশ্বজিৎ পেগু, ভাপ্ৰসেৰ উপৰি বিভাগীয় কৰ্তৃপক্ষ তথা আন বিষয়ববীয়াসকলো উপস্থিত থাকে।

## নাম গৰুমৰা বাপুবাঢ়ৈত বিজ্ঞানৰ দিন পালন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৯ ডিচেম্বৰ ঃ** যোৰহাটৰ নাম গৰুমৰা বাপুবাঢ়ৈ উচ্চ মাধ্যমিক বিদ্যালয়ত কালি বিজ্ঞানৰ দিন পালন কৰা হয়। এই উদ্দেশ্যে পুৱা বিদ্যালয়খনৰ প্ৰধান শিক্ষক মহম্মদ ইজাউল হুছেইনে পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ আৰম্ভ কৰাৰ পাছতে বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ডিম্বেশ্বৰ বৰাই। বীৰেন বৰা, জীৱ কলিতাৰ পৰিচালনাত অনুষ্ঠিত বিজ্ঞান বিষয়ৰ আকস্মিক বক্তৃতা প্ৰতিযোগিতাত বিচাৰকৰূপে অংশগ্ৰহণ কৰে। অৰূপজ্যোতি বৰা, পিংকি কলিতা, প্ৰেমানন্দ বৰাই, প্ৰকল্প প্ৰদৰ্শনীৰ বিচাৰক উদয়জ্যোতি বৰা, ফলক প্ৰদৰ্শনীৰ বিচাৰক সুৰেশ পূজাৰী, শিক্ষাৰ্থীসকলে বিহু, দিহানাম, সৃষ্টিমূলক নৃত্য দলীয়ভাৱে প্ৰদৰ্শন কৰা অনুষ্ঠানত প্ৰকল্প প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে নেইষ্টৰ বিজ্ঞানী ড° বিনয় কুমাৰ শইকীয়াই, ফলক প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে বিজ্ঞানী আশুতোষ নামদেৱে, প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে দেৱাঞ্জন বৰঠাকুৰে। জীৱকান্ত কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত অভিজিৎ বৰবৰা, অৱন্তী বৰবৰা, মৃণাল কলিতা প্ৰমুখ্যে ভালেকেইজনে বক্তব্য আগবঢ়ায়। ৰাষ্ট্ৰীয় বঁটা লাভ কৰাৰ বাবে নেইষ্টৰ বিজ্ঞানী ড০ বিনয় কুমাৰ শইকীয়াৰ লগতে আশুতোষ নামদেৱ, দেৱাঞ্জন বৰঠাকুৰক বিদ্যালয়খনৰ তৰফৰ পৰা কৃতজ্ঞতা জনায়। প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক মুকলি সভাতে পুৰস্কাৰ প্ৰদান কৰে। উল্লেখ্য যে বিদ্যালয়খনৰ তিনি শতাধিক শিক্ষাৰ্থীক ১৩ গৰাকীয়ে শিক্ষাদান কৰে।

## ঐতিহাসিক হাতীখোকত দ্বিতীয় বাৰ্ষিক দ্বীনি জলচা উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৯ ডিচেম্বৰ ঃ** সাধাৰণ শিক্ষাৰ সমান্তৰালকৈ আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তাৰ প্ৰতি অনুধাৱন কৰি শিৱসাগৰ নগৰৰ সমীপৰ ঐতিহাসিক হাতীখোক গাঁৱৰ মক্তৱ পৰিচালনা সমিতিয়ে অনুষ্ঠিত কৰে দ্বিতীয় বাৰ্ষিক জলচা অনুষ্ঠানৰ। বৃহত্তৰ গাঁওখনত থকা তিনিখন মক্তৱৰত অধ্যয়নৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত দিনযোৰা কাৰ্যসূচীৰে বিভিন্ন প্ৰতিযোগিতাৰে অনুষ্ঠিত হোৱা জলছাখনিৰ পুৱা পতাকা উত্তোলন কৰে মক্তৱ পৰিচালনা সমিতিৰ সভাপতি আবুল আলীয়ে। ইয়াৰ পাছতেই বৃক্ষৰোপণ কৰে ক্ৰমে হাতীখোক বৰমছজিদৰ ঈমাম মৌঃ জিয়াউৰ ৰহমান, মৌঃ আব্দুল কাদিৰ, মোজাম্মিল হক আৰু হবিবউল্লা শইকীয়াই। প্ৰতিযোগিতা উদ্বোধন কৰে মাদ্ৰাছাতুল বানাতৰ অধ্যক্ষ মৌঃ চিদ্দিক আহমদ বৰভূঞাই। মৌঃ চামচুজ জামান বৰভূঞা, এখলাচুৰ ৰহমান আৰু তৌহিদ আহমদকৰ বিচাৰকত অনুষ্ঠিত হোৱা কেৰাত পাঠ প্ৰতিযোগিতাত চাহানা বেগম, আৰচিদা আহমদ, চুহাব আহমদ প্ৰথম, দ্বিতীয় আৰু তৃতীয় হয়। মচনুন দোৱাত ৰাহুল আলী, আৰহান আলী আৰু চানিউদ্দিন আহমদ প্ৰথম, দ্বিতীয় আৰু তৃতীয় হোৱাৰ লগতে উদগনি বঁটা লাভ কৰে নুচৰৎ মানহা ৰহমানে। আকাঈদৰ শাখাত ৰাচবীৰ আলী প্ৰথম, জাকৱান আনচাৰী দ্বিতীয় আৰু চাবানা বেগমে লাভ কৰে তৃতীয় স্থান। মাছাইলত চাহিন হাজৰিকা, আৰহান আলী আৰু তাহিৰা বেগমে লাভ কৰে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান। আজান দিয়া প্ৰতিযোগিতাত চাদ আখতাৰ, চানিউদ্দিন আহমদ আৰু মুজাহিদ হুছেইন প্ৰথম, দ্বিতীয় আৰু তৃতীয় হয়। জিকিৰ প্ৰতিযোগিতাত চানিউদ্দিন আহমদৰ দল প্ৰথম, তাহমিদউল্লা শইকীয়াৰ দল দ্বিতীয় হোৱাৰ লগতে মুবাশ্বিৰা বেগমৰ দলে লাভ কৰে তৃতীয় স্থান। মুৰ্দাৰ কফন আৰু গোচলৰ সন্দৰ্ভত অনুষ্ঠিত কৰা প্ৰতিযোগিতাত ১৩ পৃষ্ঠাত চাওক

## বেঙেনাআটী ৰমাকান্ত দেৱ গোস্বামী হাইস্কুলৰ তিনি শিক্ষকলৈ বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৯ ডিচেম্বৰ ঃ** মধ্য মাজুলীৰ এখন উল্লেখযোগ্য শিক্ষানুষ্ঠান বেঙেনাআটী ৰমাকান্ত দেৱগোস্বামী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভৱেন শইকীয়া, অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক ক্ৰমে বিপিন ভূএঞা আৰু কমলাকান্ত ৰেগন কালি বিদ্যালয়খনত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। পুৱা ১০ বজাৰ পৰা বিদ্যালয়ৰ অস্থায়ী প্ৰেক্ষাগৃহত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি কৃষ্ণকমল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখন শ্যামলিকা হাজৰিকাৰ দ্বাৰা পৰিৱেশিত বৰগীতেৰে আৰম্ভণি কৰা হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক বিনোদ দত্তই উদ্দেশ্য ব্যাখ্যা কৰা সভাৰ আঁত ধৰে সহকাৰী শিক্ষক দ্বিজেন দত্তই। সভাখন উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, 'পৃথিৱীত এনে কোনো দান নাই, যি বিদ্যাধন দানৰ সমকক্ষ হ'ব পাৰে। সেই হিচাপেই বিদ্যা মহাধন দান কৰোতা শিক্ষকৰূপে সেৱা আগবঢ়াবলৈ পোৱাটো পৰম ভাগ্যৰ কথা।' নিৰ্দিষ্ট বক্তা হিচাপে ভাগ লৈ বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চন্দ্ৰবদন দাসে কয়, 'মানুহ গঢ়াৰ খনিকৰ শিক্ষকসকল সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ। আমি সকলোৱে শিক্ষকসকলৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা উচিত।' সভাত সন্মানীয় অতিথিৰূপে বেঙেনাআটী সত্ৰৰ ডেকাধিকাৰ টুটু গোস্বামী, বিশিষ্ট অতিথিৰূপে ১৩ পৃষ্ঠাত চাওক

## ভৱেন বৰা মোৰ শিক্ষাগুৰুৱেই নহয়, ব্যক্তিগত জীৱনৰো গুৰু আছিল ঃ পদ্ম

জামুগুৰিহাটৰ বাপুজী ভৱনত 'স্মৃতিৰ সোণালী বৰণ' নামে স্মৃতিগ্ৰন্থৰ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৯ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ বাপুজী ভৱনৰ প্ৰেক্ষাগৃহত আজি জামুগুৰিহাটৰ প্ৰয়াত সমাজকৰ্মী, নাট্যকাৰ, পৰিচালক, অভিনেতা, শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা প্ৰাপক, ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ অৱসৰী মুৰব্বী অধ্যাপক, শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশ্বনাথ শিক্ষণ-প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ভৱেন বৰাক সোঁৱৰি এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত 'স্মৃতিৰ সোণালী বৰণ' নামে এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰা হয়। স্মৃতিগ্ৰন্থখন উন্মোচন কৰে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। সভাখনত প্ৰয়াত ভৱেন বৰাৰ স্মৃতি সোঁৱৰি আবেগিক হৈ পৰে বিধায়কজন। বিধায়ক হাজৰিকাই কয়, 'মই প্ৰকৃতাৰ্থত এজন অভিভাৱক হেৰুৱালো, ভৱেন বৰা ছাৰ মোৰ পথ প্ৰদৰ্শক আছিল। মোৰ শিক্ষা জীৱন, ৰাজনৈতিক জীৱনৰেই নহয় সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক আনকি ব্যক্তিগত জীৱনৰো এজন গুৰু আছিল। মই এজন গুৰুক হেৰুৱাইছো। এইজন গুৰুৰ আদৰ্শক সাৰোগত কৰিয়েই আমি ভৱিষ্যতৰ প্ৰতিটো দিন প্ৰতিটো দিশত আগুৱাই যাব লাগিব। বিশেষকৈ জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনাক লৈ ছাৰৰ যি সপোন আছিল সেই সপোন বাস্তৱত ৰূপায়িত কৰাৰ প্ৰচেষ্টাত কোনো দিনে ত্ৰুটি নকৰো।' বাৰেচহৰীয়া ভাওনা কমিটীৰ সভাপতি ভৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাখনত শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী তথা দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা ড° স্বাধীনতা মহন্ত, নন্দ কুমাৰী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা ইতিহাস প্ৰণয়ন কমিটীৰ সভাপতি ড° গুণৰাম নাথ, দ্যা চেন্টিনেল কাকতৰ সাংবাদিক প্ৰাক্তন ছাত্ৰনেতা ভাৰ্গভ দাস আৰু প্ৰাক্তন ছাত্ৰ নেতা নৱ কুমাৰ ডেকাই তেওঁৰ কৰ্মময় জীৱন আলোকপাত কৰে। বাৰেচহৰীয়া ভাওনা কমিটীৰ সম্পাদক জয়ন্ত বৰাৰ লগতে বৃহত্তৰ নদুৱাৰ অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ সদস্যৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে ভৱেন বৰাৰ স্মৃতি ৰোমন্থন কৰে। উল্লেখ্য যে ন ডিচেম্বৰত বৰাৰ ডেকাসুন্দৰস্থিত নিজ বাসগৃহত ৯২ বছৰ বয়সত মৃত্যু হৈছিল।






### প্ৰথম ভাৰতীয় পুৰুষ শ্বাটলাৰ হিচাপে একক শাখাৰ ফাইনেল খেলি ইতিহাস কিদাম্বিৰ

# বিশ্ব বেডমিণ্টনত শ্ৰীকান্তৰ ৰূপ, লক্ষ্যৰ ব্ৰঞ্জ

**নতুন দিল্লী, ১৯ ডিচেম্বৰ ঃ** প্ৰথম ভাৰতীয় পুৰুষ শ্বাটলাৰ হিচাপে বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপৰ একক শাখাৰ ফাইনেলত প্ৰৱেশ কৰি ইতিহাস গঢ়িলেও অৱশেষত ৰূপৰ পদকতে সন্তুষ্ট থাকিব কিদাম্বি শ্ৰীকান্ত। আজি অনুষ্ঠিত হোৱা ফাইনেলত ছিংগাপুৰৰ কিনে **21-15, 22-20** ৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতৰ তাৰকা শ্বাটলাৰ কিদাম্বি শ্ৰীকান্তক। কিন্তু কিদাম্বি শ্ৰীকান্তৰ ৰূপৰ লগতে নৱাগত লক্ষ্য সেনেও ব্ৰঞ্জ পদক লাভ কৰাত চলিত বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতে অনন্য সফলতা লাভ কৰিলে। উল্লেখ্য যে ছেমিফাইনেলত কিদাম্বি শ্ৰীকান্তৰ বিৰুদ্ধে খেলিছিল লক্ষ্য সেনে। মেচখনত শ্ৰীকান্তে **17-21, 21-14, 21-17** ৰ ব্যৱধানত পৰাস্ত কৰে লক্ষ্যক। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি কিদাম্বি শ্ৰীকান্ত আৰু লক্ষ্য সেনে ছেমিফাইনেলত প্ৰৱেশ কৰাত পুৰুষৰ একক শাখাত পদক জয় নিশ্চিত হৈছিল ভাৰতৰ। কোৱাৰ্টাৰ ফাইনেলত শ্ৰীকান্তে **21-7, 21-8** ৰ ব্যৱধানত জয়ী হোৱাৰ বিপৰীতে লক্ষ্য সেন তিনিটা ছেটৰ অন্তত **21-15, 15-21, 22-20** ৰ ব্যৱধানত জয়ী হয়। কিদাম্বি শ্ৰীকান্ত আৰু লক্ষ্য সেনৰ পৰা ভাৰতে এটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক পোৱাটো দুদিন পূৰ্বেই নিশ্চিত হৈছিল। কিন্তু এইবাৰ নিৰাশ কৰে সিন্ধুই। ভাৰতৰ তাৰকা শ্বাটলাৰ পি ভি সিন্ধু প্ৰতিদ্বন্দ্বী টাই ট্‌ঝুৰ হাতত **21-17, 21-13** ৰ ব্যৱধানত কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হয়। উল্লেখ্য যে স্পেইনত চলি থকা প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পি ভি সিন্ধুই **21-14, 21-18** ৰ ব্যৱধানত পৰাস্ত কৰে থাইলেণ্ডৰ চ'চুৱঙক। ৰিঅ' আৰু টকিঅ' অলিম্পিকত পদক লাভ কৰা ভাৰতৰ তাৰকা শ্বাটলাৰ পি ভি সিন্ধুই বিগত বিশ্ব বেডমিণ্টন চেম্পিয়শ্বিপত খিতাপ লাভ কৰিছিল। ইফালে, ভাৰতৰ তাৰকা শ্বাটলাৰ কিদাম্বি শ্ৰীকান্তে পুৰুষৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত **21-10, 21-15** ৰ ব্যৱধানত জয়ী হৈছিল। আজি শ্ৰীকান্তে প্ৰথম ভাৰতীয় পুৰুষ শ্বাটলাৰ হিচাপে বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপৰ একক শাখাৰ ফাইনেল খেলিলে। ইয়াৰপূৰ্বে প্ৰকাশ পাডুকন (**1983**] আৰু ছাই প্ৰনিথে (**2019**] বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপৰ পৰুষৰ একক শাখাৰ ছেমিফাইনেল খেলিছিল। এইবাৰ এই সফলতা লক্ষ্য সেনেও লাভ কৰিলে।



## সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছৰ সামৰণি
# অন্তৰীশ তামুলীৰ দ্বিমুকুট অৰ্জন

**গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ** গোলাঘাটৰ অন্তৰীশ তামুলীয়ে গুৱাহাটীৰ উত্তৰ-পূৰ টেনিছ ফাউণ্ডেছনত অনুষ্ঠিত হোৱা **31** সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাত দ্বিমুকুট অৰ্জন কৰিছে। উল্লেখ্য যে আজি সফল সামৰণি পৰে চলিত ৰাজ্যিক জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখন। অন্তৰীশে ল'ৰাৰ **14** বছৰ অনূৰ্ধ শাখাৰ ফাইনেলত ৰিয়ান কাশ্যপক **6-1, 6-3** ৰ ব্যৱধানত পৰাস্ত কৰি খিতাপ দখল কৰাৰ বিপৰীতে **18** বছৰ অনূৰ্ধ শাখাৰ ফাইনেলত **6-3, 6-2** ৰ ব্যৱধানত পৰাস্ত কৰে বসন্ত পি বৰাক। ইফালে, ল'ৰা-ছোৱালীৰ **10** বছৰ অনূৰ্ধ শাখাৰ ফাইনেলত নিব্ৰাছ হুছেইনে পৰাস্ত কৰে নৱন বৰাক। ব্যৱধান **4-1, 4-0¼** ল'ৰাৰ **12** বছৰ অনূৰ্ধ শাখাৰ ফাইনেলত মহাৰ্ণাব বৰুৱাক **6-2, 6-3** ৰ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়ন হয় পাৰ্থিৱ কলিতা। ইফালে, ছোৱালীৰ **14** বছৰ অনূৰ্ধ শাখাৰ ফাইনেলত আদ্ৰিকা ৰাজকুমাৰীয়ে **6-1, 7-6** ৰ ব্যৱধানত পৰাস্ত কৰে বিষ্ণুপ্ৰিয়া বৰগোঁহাক। আনহাতে, ছোৱালীৰ **18** বছৰ অনূৰ্ধ শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে নম্ৰতা দাসে **6-3, 6-7, 6-3** ৰ ব্যৱধানত পৰাস্ত কৰে তানিয়া কুমাৰীক। ইফালে, পুৰুষ শাখাৰ ফাইনেলত কৃতান্ত শৰ্মাক **7-6, 7-6** ৰ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়ন হয় টুটু থাপা। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি **31** সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাত মুঠ প্ৰাইজমানি আছিল **79** হেজাৰ টকা।






# অসম মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতা আৰম্ভ

**গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ ঃ** অসম টেবুল টেনিছ সন্থাৰ উদ্যোগত আজিৰে পৰা গুৱাহাটীত আৰম্ভ হৈছে ৰাজ্যিক প্ৰতিযোগিতা। উল্লেখ্য যে কৰ'নাৰ বাবে অসম টেবুল টেনিছ সন্থাই বিগত বৰ্ষত আয়োজন কৰা নাছিল অসম মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাখন। কিন্তু এইবাৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত প্ৰতিযোগিতাখন আয়োজন কৰা হৈছে। উল্লেখ্য যে অসম মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাখনত ৰাজ্যৰ **15** খন জিলাৰ প্ৰায় চাৰিশ খেলুৱৈয়ে অংশ লৈছে। আজি উদ্বোধনী অনুষ্ঠানত অসম টেবুল টেনিছ সন্থাৰ সভাপতি পিয়ুষ হাজৰিকা, মডালাছা হাজৰিকা, ববিতা ৰাজখোৱা আদি উপস্থিত থাকে।

## আৰ জি বৰুৱা সোঁৱৰণী আন্তঃজিলা ক্ৰিকেট
# ফাইনেলত বৰপেটাৰ বিৰুদ্ধে ধেমাজি

**গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ** চলিত আৰ জি বৰুৱা সোঁৱৰণি **16** বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন বৰপেটা আৰু ধেমাজিৰ মাজত অনুষ্ঠিত হ'ব। উল্লেখ্য যে আজি অনুষ্ঠিত হয় প্ৰতিযোগিতাৰ দুয়োখন ছেমিফাইনেল। আজি বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা ছেমিফাইনেলত বৰপেটা জিলা দলে **121** ৰাণত গুৱাহাটী জিলা দলক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। পোনতে বেটিং কৰি বৰপেটা জিলা দলে **193-8** ৰাণ কৰাৰ প্ৰত্যুত্তৰত, গুৱাহাটী জিলা দলে মাত্ৰ **72-10** ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ইফালে, আজি নেহৰু ষ্টেডিয়ামত হোৱা আন এখন ছমিফাইনেলত ধেমাজি জিলা দলে **22** ৰাণত ডিব্ৰুগড় জিলা দলক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। পোনতে বেটিং কৰি ধেমাজি জিলা দলে **151-10** ৰাণ কৰাৰ প্ৰত্যুত্তৰত, ডিব্ৰুগড় জিলা দলে **129-10** ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি **16** বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সামৰণি পৰিব অহা **21** ডিচেম্বৰত। বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব প্ৰতিযোগিতাৰ ফাইনেল মেচখন। এই প্ৰতিযোগিতাৰ পাছতে অসম ক্ৰিকেট সন্থাই বিজয় মাৰ্চেণ্ট ট্ৰফীৰ বাবে অসম দলটো নিৰ্বাচন কৰিব। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি **16** বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সূচী অনুসৰি এলিট আৰু প্লেট দুটা ভাগত **41** টা দলক ভাগ কৰা হৈছিল।



বৰৌছা কাপ ফুটবলৰ ফাইনেলত আজি কেৰালা ইউনাইটেড এফ চিক একমাত্ৰ গ'লত পৰাস্ত কৰি চেম্পিয়ন হয় কেৰালাৰে লুকাচোকা ক্লাব।

# চেম্পিয়নছ ট্ৰফী হকী জাপানক ৬-০ গ'লত হৰুৱালে ভাৰতীয় দলে

**নতুন দিল্লী, ১৯ ডিচেম্বৰ ঃ** চলিত এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ আজি অন্তিম লীগ মেচত ভাৰতে **6-0** গ'লৰ ব্যৱধানত পৰাস্ত কৰে জাপানক। উল্লেখ্য যে ঢাকাত চলি থকা এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাত ইতিমধ্যে ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে ভাৰতে। **10** পইণ্টৰে গ্ৰুপৰ শীৰ্ষত আছে ভাৰতীয় হকী দল। কিন্তু ছেমিফাইনেলত ভাৰতীয় হকী দলৰ প্ৰতিদ্বন্দ্বী কোন হ'ব সেয়া এতিয়াও নিশ্চিত হোৱা নাই। ভাৰতৰ পাছতে পইণ্ট তালিকাত আছে কোৰিয়া (ছয় পইণ্ট), জাপান (পাঁচ পইণ্ট), পাকিস্তান (দুই পইণ্ট)। উল্লেখ্য যে ভাৰতীয় হকী দল এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ডিফেণ্ডিং চেম্পিয়ন।



## গুৱাহাটীত পূব মণ্ডল ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতা আৰম্ভ
# ছেমিফাইনেলত অসমৰ ল'ৰা-ছোৱালী

**গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ** অসম ৰোল বল সন্থাৰ উদ্যোগত আজিৰে পৰা গুৱাহাটীত আৰম্ভ হৈছে দুদিনীয়া পূব মণ্ডল ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতা। ল'ৰা-ছোৱালীৰ উভয় শাখাৰ উক্ত পূব মণ্ডল ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতাত প্ৰায় দুশ খেলুৱৈ-কৰ্মকৰ্তাই অংশ লৈছে। আয়োজক অসমৰ লগতে প্ৰতিযোগিতাত অংশ লৈছে ঝাৰখণ্ড, বিহাৰ, চত্তিছগড়, অৰুনাচল প্ৰদেশ আৰু মেঘালয়ে। আজি দুদিনীয়া ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতাখন উদ্বোধন কৰে ভাৰতীয় ৰোল বল ফেডাৰেছনৰ সম্পাদক চেতন ভাণ্ডাৰকাৰে। দিছপুৰ ৰোলাৰ স্কেটিং ৰিঙত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনত অসমৰ ল'ৰা-ছোৱালী দলে ছেমিফাইনেলত প্ৰৱেশ কৰিছে বুলি ব্যক্ত কৰিছে অসম ৰোল বল সন্থাৰ সম্পাদক ভূমিধৰ বৰ্মনে। উল্লেখ্য যে অসম ৰোল বল সন্থাই অলপতে গুৱাহাটীত আয়োজন কৰিছিল পাৰবিন আখতাৰ-লাচিত ডেকা সোঁৱৰণী আন্তঃজিলা ৰোলবল প্ৰতিযোগিতাৰ। এই প্ৰতিযোগিতাৰ প্ৰদৰ্শন ভিত্তিতে অসম দল দুটা ঘোষণা কৰা হৈছিল। কাইলৈ সামৰণি পৰিব পূব মণ্ডল ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ৰোলবল প্ৰতিযোগিতা।




## এছেজ শৃংখলাৰ দিবা-নৈশ দ্বিতীয় টেষ্ট
# অন্তিম দিনা অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাজয় ৰোধৰ সংগ্ৰামত ইংলণ্ড

**এডেলেইড, ১৯ ডিচেম্বৰ ঃ** চলিত এছেজ শৃংখলাৰ দ্বিতীয়খন টেষ্টতো পৰাজয়ৰ সন্ধিক্ষণত উপনীত হৈছে ইংলণ্ড। উল্লেখ্য যে অষ্ট্ৰেলিয়াই দিয়া **468** ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি ইংলণ্ডে দ্বিতীয় ইনিংছ আৰম্ভ কৰি আজি চতুৰ্থ দিনাৰ খেলৰ অন্তত **82** ৰাণত চাৰিটা উইকেট হেৰুৱাইছে। কাইলৈ অন্তিম দিনা জয়ৰ বাবে অষ্ট্ৰেলিয়াক ছটা উইকেট প্ৰয়োজন হোৱাৰ বিপৰীতে ইংলণ্ড **386** ৰাণত পিছ পৰি আছে। উল্লেখ্য যে এডেলেইডত হোৱা দিবা-নৈশ টেষ্টখনত পোনতে বেটিং কৰি অষ্ট্ৰেলিয়াই **473-9** ৰাণত প্ৰথম ইনিংছ ঘোষণা কৰিছিল। অষ্ট্ৰেলিয়াই অপেনাৰ হেৰিছৰ (**3**] উইকেটতো ইনিংছৰ আৰম্ভণিতে হেৰুৱাই যদিও আনজন অপেনাৰ ডেভিদ ৱাৰ্ণাৰে (**95**] অনবদ্য ইনিংছ খেলি দলৰ ইনিংছ আগুৱাই নিয়ে। ৱাৰ্ণাৰ শতকৰ পৰা বঞ্চিত হয় যদিও তেওঁক যোগ্য সহযোগ কৰা লাবুচেঙে **103** ৰাণৰ শতকীয় ইনিংছ খেলে। তদুপৰি স্মিথে **93** তথা এলেক্স কেৰীয়ে **51** ৰাণ কৰে। প্ৰত্যুত্তৰত ইংলণ্ড প্ৰথম ইনিংছত **236** ৰাণত অলআউট হয়। ইংলণ্ডৰ হৈ মালানে **80** ৰাণ আৰু জ' ৰুটে **62** ৰাণ কৰে। অষ্ট্ৰেলিয়াৰ হৈ মিচেল ষ্টাৰ্কে চাৰিটা আৰু লিয়নে তিনিটা উইকেট পায়। ইফালে, কালি তৃতীয় দিনাৰ খেলৰ অন্তত অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছ আৰম্ভ কৰি এক উইকেটত **45** ৰাণ কৰিছিল। আজি ঘৰুৱা দলে **230-9** ৰাণত দ্বিতীয় ইনিংছ ঘোষণা কৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়াই এছেজ শৃংখলাৰ প্ৰথমখন টেষ্টত ন উইকেটত জয়লাভ কৰি শৃংখলাত **1-0** ৰ অগ্ৰগতি লৈছে।



# প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপত বাডৰ জয়



**গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি গুৱাহাটীৰ মেচত বাড ক্ৰিকেট ক্লাব দলে **69** ৰাণৰ ব্যৱধানত পৰাস্ত কৰে টাইটান ক্লাবক। পোনতে বেটিং কৰি বাড ক্ৰিকেট ক্লাবে দুই উইকেটত **281** ৰাণ কৰে। প্ৰত্যুত্তৰত, টাইটান ক্লাব দলে **212-9** ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব **10** লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ। উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ **28** জানুৱাৰীৰ পৰা **15** ফ্ৰেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমুহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ **12** দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব **10** মাৰ্চৰ পৰা **10** এপ্ৰিললৈ।

# ৰাজিন্দৰ সিঙক ৰাজ্যিক ক্ৰিকেট একাডেমীৰ নতুন অধ্যক্ষৰূপে নিযুক্তি অসম ক্ৰিকেট সন্থাৰ

**গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই ৰাজ্যিক ক্ৰিকেট একাডেমীৰ অধ্যক্ষ হিচাপে নিযুক্তি দিছে প্ৰাক্তন ক্ৰিকেটাৰ ৰাজিন্দৰ সিঙক। উল্লেখ্য যে ঘৰুৱা ক্ৰিকেটৰ অভিজ্ঞতাপুষ্ট সিঙৰ কাৰ্যকাল হ'ব তিনি বছৰ। তেওঁৰ পৰিকল্পনা আৰু নীতি অনুসৰিয়েই এতিয়াৰে পৰা অসম ক্ৰিকেট সন্থাৰ ৰাজ্যিক ক্ৰিকেট একাডেমীৰ সকলো কাম-কাজ পৰিচালনা কৰা হ'ব, লগতে ক্ৰিকেট একাডেমীৰ প্ৰশিক্ষক, ফিজিঅ', ট্ৰেইনাৰ সকলো নিযুক্ত কৰা হ'ব অধ্যক্ষ সিঙৰ নিৰ্দেশনাত। আজি অসম ক্ৰিকেট সন্থাই আয়োজন কৰা এক সংবাদ মেলত এই কথা ব্যক্ত কৰে সম্পাদক দেৱজিত শইকীয়াই। উল্লেখ্য যে ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীৰ আধাৰতে অসম ক্ৰিকেট সন্থাই স্থাপন কৰিছিল ৰাজ্যিক ক্ৰিকেট একাডেমী। ইয়াৰ সুফল ইতিমধ্যে ৰাজ্যৰ নৱাগত ক্ৰিকেটাৰে লাভ কৰিছে। ইফালে, আজি বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা বিশেষ সাধাৰণ সভাত অসম ক্ৰিকেট সন্থাই আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰে মাজুলী জিলা ক্ৰিকেট সন্থাক। অসম ক্ৰিকেট সন্থাৰ **42** নম্বৰ গোট হ'ল মাজুলী জিলা ক্ৰিকেট সন্থা। এতিয়াৰে পৰাই মাজুলিয়ে অসম ক্ৰিকেট সন্থাৰ সকলো ৰাজ্যিক প্ৰতিযোগিতাত অংশ ল'ব পাৰিব। ইফালে, অসম ক্ৰিকেট দলে ৰাষ্ট্ৰীয় পৰ্যায়ত আশাপ্ৰদ প্ৰদৰ্শন কৰিব পৰা নাই যদিও এ চি এ সন্তুষ্ট ৰাজ্যৰ ক্ৰিকেটাৰক লৈ। তৃণমূল স্তৰত সম্প্ৰতি আন্তঃগাঠনি উত্তৰণ তথা নৱাগতক সুযোগ দিয়াৰ যি ব্যৱস্থা এ চি এ নিৰলস চেষ্টাৰে অব্যাহত ৰাখিছে সেয়ে অনাগত দিনত অসম ক্ৰিকেটক নতুন শক্তি দিব বুলি আশাবাদী সন্থা।




# নিলয় দত্তৰ স্মৃতিত জানুৱাৰীত আন্তঃবিশ্ববিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা

**গুৱাহাটী, ১৯ ডিচেম্বৰ ঃ** অসমৰ আন্তৰ্জাতিক আম্পায়াৰ প্ৰয়াত নিলয় দত্তৰ স্মৃতিত আসন্ন নতুন বছৰতে অসম ক্ৰিকেট সন্থাই আয়োজন কৰিব আন্তঃবিশ্ববিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা। আজি বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা বিশেষ সাধাৰণ সভাত অসম ক্ৰিকেট সন্থাই এই সিদ্ধান্ত গ্ৰহণ কৰে আৰু পাছত হোৱা সংবাদ মেলত এই কথা ব্যক্ত কৰে এ চি এৰ সম্পাদক দেৱজিত শইকীয়াই। মুঠ আঠটা দলে এই আন্তঃবিশ্ববিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত অংশ লোৱাৰ সম্ভাৱনা আছে আৰু প্ৰতিযোগিতাখন জানুৱাৰীত তেজপুৰ বা যোৰহাটত আয়োজন কৰা হ'ব। ইফালে, অসম ক্ৰিকেট সন্থাই আয়োজন কৰিব অফিচ লীগ ক্ৰিকেট। ৰেলৱে, অইল, অ' এন জি চি, ডাক বিভাগ, এ জি আজি বিভাগে এই অফিচ লীগ ক্ৰিকেটত খেলিব। ইফালে, আজি বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা বিশেষ সাধাৰণ সভাত অসম ক্ৰিকেট সন্থাই আৰু দুটা নতুন আঁচনি কাৰ্যকৰী কৰাৰ সিদ্ধান্ত লয়। অসম চৰকাৰে অসম ক্ৰিকেট সন্থাক গাড়ী পাৰ্কিঙৰ বাবে দিয়া **11** বিঘা মাটিত নিৰ্মানৰ কাম আৰম্ভ কৰাৰ লগতে ইয়াত এ চি এ ব্যৱসায়িক নিৰ্মানো কৰি আত্মনিৰ্ভৰ হোৱাৰ বাবে। আনহাতে, অসম ক্ৰিকেট সন্থাৰ সকলো প্ৰাক্তন ক্ৰিকেটাৰ তথা বিষয়াক পুনৰ এ চি এলৈ ঘুৰাই অনাৰ উদ্দেশ্যেৰে সন্থাই নিৰ্মান কৰিব **'91** য়াৰ্ড' নামেৰে এটা ক্লাব হাউছ। ইয়াৰ সদস্য ভৰ্তীও পেছাদাৰী হ'ব। অৱশ্যে কোনো অপৰাধী এই ক্লাবৰ সদস্য হ'ব নোৱাৰে লাগিলে তেওঁ অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন ক্ৰিকেটাৰ বা বিষয়া হওঁক। এই দিশত কঠোৰ হ'ব অসম ক্ৰিকেট সন্থা।


## বিল্যাসনন্দন চ'ৰা



# নতুন বছৰৰ 'মেহেংগাই'

**নতুন** বছৰ এটা আহি আছে। আৰু এই নতুন বছৰটোত এটা বৰ ভাল চংবাদ দিবলৈ সাজু হৈছে দিল্লীৰ দৰবাৰ। নাই, এই চংবাদ কোনো চংবাদ মাধ্যমে দিয়া নাই। বেলেগ বেলেগ মাধ্যমেহে দিছে। আজি-কালি চংবাদ মাধ্যমে সকলো চংবাদ দিব নোৱাৰে। দিলে চাংবাদিকবোৰ দেছদ্ৰোহী হৈ যায়। নিউজ চেনেলবোৰতো আজি-কালি নিউজ চেনেল হৈ থকা নাই, মিউট চেনেল হৈ গৈছে। যিমান যি বৰবাদ নহওক কিয়, সেইবোৰ কেতিয়াও চংবাদ হ'ব নোৱাৰে। এই নীতিকে পালন কৰি নিউজ চেনেলবোৰে প্ৰজাতন্ত্ৰৰ বৰবাদীক লৈ সদায় মিউট হৈ থাকে। এক জানুৱাৰীৰ পৰা যে সৰ বস্তু মেহেংগা হ'ব, তাকে লৈও নিউজ চেনেলবোৰ অলৰেডি মিউট হৈ গৈছে। বৰ্তমান চেনেলবোৰ ব্যস্ত ইউপিখন কেনেকৈ জিকাই আনিব পাৰি তাৰেই হিচাপ-নিকাচ কৰাত। হিচাপ-নিকাচ কৰিবলৈও বৰ বিশেষ একো নাই। কেৱল নিমিলা হিচাপবোৰ জোৰকৈ মিলাই বাদশ্বাহহঁতৰ অমিল অমিল কথাবোৰৰ মহামিলন ঘটাই ইউপিত তেৰাসৰৰ ইউএছপি বঢ়াই দিয়াটোৰে হ'ল চেনেলবোৰৰ প্ৰধান হিচাপ। এই হিচাপবোৰৰ মাজলৈ মেহেংগাইৰ হিচাপবোৰ টানি আনিবলৈ সিহঁত মুঠেই ইণ্টাৰেষ্টেড্ নহয়। গতিকে মেহেংগাইক লৈ সিহঁত কমপ্লিট্‌লী মিউট চেনেল।

মিউট চেনেলে নেদেখালে বুলিয়েতো আৰু হ'ব লগা কথাবোৰ নোহোৱা হৈ নাযায়। কথাটো সঁচা যে এক জানুৱাৰীৰ পৰা কাপোৰৰ পৰা জোতালৈকে বহু বস্তুৰে মেহেংগা হ'ব। বহুতে হয়তো ভাবিব পাৰে বা প্ৰশ্ন কৰিব পাৰে যে মেহেংগা হ'বলৈ বাকী আছেইনে? তেওঁলোকে জনা উচিত যে বৰ্তমানৰ জামানাত যিটো বস্তুৰ কোনো অন্ত নাই বা সীমা নাই, সেই সীমান্ত নোহোৱা বস্তুটোৰে হ'ল মেহেংগাই। মেহেংগাই আকৌ বাদশ্বাহহঁতৰ কাৰণে হোৱা নাই। হৈছে জিএছটিৰ কাৰণে। এই জিএছটি কি? এইটো বেলেগ একো নহয়। এইটো হ'ল 'জইণ্ট ছিষ্টেম অৰ টৰচাৰ'। মানে অত্যাচাৰৰ যৌথ ব্যৱস্থা। ইণ্টাৰনেছনেল বেপাৰীৰ পৰা নেছনেল বেপাৰীলৈকে, দিল্লীৰ পৰা দিছপুৰলৈকে আটায়ে যৌথভাৱে প্ৰজাগণক কৰা অত্যাচাৰৰ ব্যৱস্থাটোৰে হ'ল জিএছটি। এই ব্যৱস্থাটো চমতাৰে কোবোৰা বা শূলত দিয়া ব্যৱস্থা নহয়। কমচে কম দেখাত তেনে যেন নালাগে। কষ্টটো কিন্তু সমানৰ হয়। বা ক'ব পাৰে যে সেই পুৰণিকলীয়া ছিষ্টেমবোৰৰে মডাৰ্ণ ভাৰ্ছন হ'ল এই জিএছটি। এই জিএছটিৰ কাৰণেই বোলে এক জানুৱাৰীৰ পৰা বহু বস্তুৰে মেহেংগা হ'ব।




এই চংবাদটো পোৱাৰ পাছত দিল্লীৰ দৰবাৰত অলপ হ'লেও খলৰলী হ'ল। ভোট আহি আছে। কণ্ডিছন এনেয়ে এয়াৰ কণ্ডিছন হৈ আছে। মিটিংবোৰত ভিৰ যিমান, এয়াৰ মানে বতাহ তাতকৈ বেছি। তেনেস্থলত সৰ বস্তু মেহেংগা কৰি দিলে পাব্লিক নাৰাজ হৈ যাব। পাব্লিক নাৰাজ হ'লে ৰাজ কেনেকৈ চলিব? নে এই মেহেংগাইৰ আঁৰতো বাদশ্বাহে কিবা 'ৰাজ' (ৰহস্য) লুকাই থৈছে?

একো বুজি-তুজি নাপাই দৰবাৰৰ বহুতে গৈ বাদশ্বাহকে সুধি পেলালে— 'জাহাপনা! এইবোৰ সঁচানে?।'

ঃ কি সঁচা?

ঃ নতুন চংবাদ এটা পালো।

ঃ কি চংবাদ?

ঃ পহিলা জানুৱাৰীৰ পৰা বহু বস্তুৰে বোলে মেহেংগা হ'ব?

ঃ চাংগা নিউজ!

ঃ তাৰ মানে সঁচা?

ঃ একেবাৰে!

ঃ মেহেংগা হ'লে কি হ'ব?

ঃ মিডল ক্লাছটোত মাধমাৰ পৰিব আৰু মোৰ লগত পাংগা ল'ব নোৱাৰিব।

ঃ সৰ বস্তু ইমান মেহেংগা হ'লে মানুহবোৰ দেখোন অভাৱত মৰিব।

ঃ ভালহে হ'ব। তেতিয়া আৰু বেলেগে অনশন কৰিব আহিব নালাগে।

ঃ আৰু ভোটৰ ৰিজাল্ট?

ঃ চাংগা হ'ব।

ঃ দেশৰ ছিটুৱেছন?

ঃ দাংগা হ'ব।

ঃ আৰু প্ৰজাগণৰ কি হ'ব?

ঃ নাংগা হ'ব!

ঃ আৰু চৰকা বিকাছ?

বাদশ্বাহে হাঁহি মাৰি ক'লে— 'আণ্ডা (কণী) হ'ব!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## নিৰামষ আহাৰৰ বাবেই মন্দিৰৰ দৰ্শনাৰ্থীৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু 'ঈশ্বৰৰ দূত'

# মাছ-মাংসত ৰুচি নাই ৭০ বছৰীয়া 'সাত্ত্বিক' ঘঁৰিয়ালৰ



**বিষয়টো কিছু হ'লেও অস্বাভাৱিক। যিটো ঘঁৰিয়ালক নিৰামিষভোজী বুলি বৰ্ণনা কৰা হৈছে, সি আচলতে নিৰ্মল পানীৰ কুম্ভীৰ বা মগৰ। ইহঁতৰ স্বাভাৱিক খাদ্য হৈছে মাছ। অৱশ্যে ইহঁতে হৰিণ, বনৰীয়া গাহৰিৰ দৰে প্ৰাণীৰ মাংসও খায়। আচলতে ঘঁৰিয়ালৰ জীয়াই থকাৰ তাগিদা আন জীৱ-জন্তুৰ তুলনাত বহু বেছি। ইহঁতে যিকোনো পৰিস্থিতিৰ স'তে নিজক খাপ খুৱাব পাৰে। অৱশ্যে বিকল্প থাকিলে ইহঁতে সকলো সময়তে স্বাভাৱিক খাদ্যকে বাছি লয়। সেই ক্ষেত্ৰত মাছ পোৱা সত্ত্বেও নোখোৱাৰ বিষয়টো কিছু অদ্ভুত।**

■ **নিউজ ব্যুৰ'**

**তিৰুঅনন্তপুৰম, ১৯ ডিচেম্বৰ ঃ** হিংস্ৰ প্ৰাণীৰূপেই পৰিচিত ঘঁৰিয়ালৰ প্ৰধান খাদ্যই হৈছে মাছ আৰু মাংস। অথচ এই প্ৰিয় খাদ্য অবিহনেই জীৱনৰ ৭০টা বছৰ অতিক্ৰম কৰিলে এটা 'সাত্ত্বিক' ঘঁৰিয়ালে। মৰমতে এই ঘঁৰিয়ালক মতা হয় বাবিয়া বুলি। হাতত ভাতৰ কাঁহী লৈ মন্দিৰৰ পুৰোহিতে যেতিয়া বাবিয়া বুলি মাতে, তেতিয়াই পুখুৰীৰ পানী ফালি নেজ লৰাই লৰাই আহি উপস্থিত হয় এই বিশালকায় সৰীসৃপ। অতি আপোনমনে বাবিয়াই গ্ৰহণ কৰে পুৰোহিতে দিয়া নিৰামিষ আহাৰ।

কেৰালাৰ এটা মন্দিৰত থকা পুখুৰীতে বাস কৰে বাবিয়াই। মন্দিৰৰ খটখটী শেষ হোৱা স্থানৰ পৰাই আৰম্ভ পুখুৰীৰ ঘাট। মাছ-মাংস খোৱাতো দূৰৰে কথা, স্পৰ্শ কৰাও তাত 'পাপ' বুলি গণ্য কৰা হয়। ঘঁৰিয়াল হ'লেও এই নিয়মৰ পৰা বাবিয়ায়ো ৰেহাই পোৱা নাই। এই মন্দিৰত 'শ্ৰী অনন্ত পদ্মনাভস্বামী' ৰূপত ভগৱান বিষ্ণুক পূজা কৰা হয়। কথিত আছে যে কেৰালাৰ তিৰুঅনন্তপুৰমৰ পদ্মনাভস্বামীৰ আদিৰূপ এই বিগ্ৰহ। দিনে-নিশাই এই মন্দিৰৰ প্ৰসাদতে তুষ্ট হৈ থাকে বাবিয়া। দুপৰীয়া পুৰোহিতে বিগ্ৰহলৈ থালিত অন্ন আগবঢ়ায়। তাৰ পাছতে তেওঁ সেই প্ৰসাদৰ থালি লৈ মন্দিৰৰ সংলগ্ন পুখুৰীৰ ঘাটত নামে। বাবিয়াক তেওঁ নিজৰ হাতে ভাত খুৱায়। মন্দিৰৰ পুৰোহিতে দাবী কৰে যে এই ব্যৱস্থাত ঘঁৰিয়ালটোৰ কোনো অসুবিধা নহয়। ঘঁৰিয়াল হৈ জন্ম ল'লেও বাবিয়া আচলতে নিৰামিষভোজী। মাছ বা মাংস নহয়, তাৰ প্ৰিয় খাদ্য হৈছে ভাত। দুপৰীয়া সি পেট পূৰাই ভাত খায়। নিশাও ভাতেই



আহাৰ। খাদ্য-সম্ভাৰত বিশেষ সাল-সলনি নহয়। দৈনিক দুবেলা এক কেজিকৈ চাউলৰ ভাত খায় বাবিয়াই। লক্ষ্যণীয়ভাৱে মন্দিৰৰ পুখুৰীত প্ৰচুৰ মাছ আছে যদিও বাবিয়াই সেইবোৰক স্পৰ্শও নকৰে বুলি পুৰোহিতে জনায়। উৎসৱ-পাৰ্বণত মন্দিৰৰ ভোগত সামান্য হেৰফেৰ হয়। অন্যথা ভাত খায়েই ৭০টা বছৰ অতিক্ৰম কৰিলে বাবিয়াই। বাবিয়াৰ 'বন্ধু' মন্দিৰৰ প্ৰধান পুৰোহিত চন্দ্ৰশেখৰে এই দাবী কৰিছে। আনকি বাবিয়া যে সঁচাকৈয়ে নিৰীহ, সেয়া প্ৰমাণ কৰিবলৈ প্ৰধান পুৰোহিতে নিতৌ কমেও দুবাৰ পুখুৰীত নামি স্নান কৰে আৰু সাঁতোৰে।

মন্দিৰলৈ অহা ভক্তসকলকো বাবিয়াৰ কাষলৈ যোৱাৰ বাবে প্ৰধান পুৰোহিতে উৎসাহ দিয়ে। তেওঁ আনকি ভক্তক এইদৰেও কয়, 'কাষলৈ গ'লেও একো নকৰে। কাৰণ ই সাধাৰণ ঘঁৰিয়াল নহয়, সাক্ষাৎ ঈশ্বৰৰ দূত।' প্ৰধান পুৰোহিতৰ অভয়বাণীতো কাষলৈ যোৱাৰ সাহস নহ'লেও ভক্ত-দৰ্শনাৰ্থীৰ মাজত বাবিয়াক কেন্দ্ৰ কৰি উৎসাহো বৃদ্ধি পাইছে। নিৰামিষভোজী ঘঁৰিয়ালৰূপে বাবিয়াৰ নাম দূৰ-দিগন্তলৈ বিয়পি পৰিছে। আজিকালি কেৱল বাবিয়াক চাবলৈকে কেৰালাৰ এই মন্দিৰত ভিৰ হয়। অৱশ্যে ঘঁৰিয়াল জানো সঁচাকৈয়ে নিৰামিষভোজী হ'ব পাৰে? ইমান বছৰ নিজৰ স্বাভাৱিক খাদ্য মাছ বা মাংস নোখোৱাকৈ জানো এটা ঘঁৰিয়াল জীয়াই থাকিব পাৰে? এই সন্দৰ্ভত প্ৰধান পুৰোহিত চন্দ্ৰশেখৰৰ ব্যাখ্যা, 'সাধাৰণ ঘঁৰিয়ালে হয়তো নোৱাৰিলেহেঁতেন, কিন্তু বাবিয়াতো আৰু 'সাধাৰণ' নহয়। ই স্বয়ং 'ঈশ্বৰৰ দূত'। দেৱালয়ক ৰক্ষা কৰাৰ বাবেই ঈশ্বৰে তাক প্ৰেৰণ কৰিছে। সেই বাবেই সি অসাধ্য সাধন কৰিব পাৰে।' এই কথাক বিশ্বাসযোগ্য কৰি তোলাৰ বাবে প্ৰধান পুৰোহিতে ভক্তসকলক এক পৌৰাণিক কাহিনীও শুনায়। প্ৰধান পুৰোহিতৰ মতে, ভগৱান বিষ্ণুৱে সৃষ্টি কৰা এটা গুহাতে বাবিয়াই বাস কৰে আৰু সি হ'ল প্ৰকৃততে বিষ্ণু দেৱালয়ৰ প্ৰহৰী। অৱশ্যে প্ৰধান পুৰোহিতৰ এই দাবী মানি লোৱা নাই বিশেষজ্ঞসকলে।

এই সন্দৰ্ভত ঘঁৰিয়াল বিশেষজ্ঞ অনিৰ্বাণ চৌদুৰীয়ে কয়, 'বিষয়টো কিছু হ'লেও অস্বাভাৱিক। যিটো ঘঁৰিয়ালক নিৰামিষভোজী বুলি বৰ্ণনা কৰা হৈছে, সি আচলতে নিৰ্মল পানীৰ কুম্ভীৰ বা মগৰ। ইহঁতৰ স্বাভাৱিক খাদ্য হৈছে মাছ। অৱশ্যে ইহঁতে হৰিণ, বনৰীয়া গাহৰিৰ দৰে প্ৰাণীৰ মাংসও খায়। আচলতে ঘঁৰিয়ালৰ জীয়াই থকাৰ তাগিদা আন জীৱ-জন্তুৰ তুলনাত বহু বেছি। ইহঁতে যিকোনো পৰিস্থিতিৰ স'তে নিজক খাপ খুৱাব পাৰে। অৱশ্যে বিকল্প থাকিলে ইহঁতে সকলো সময়তে স্বাভাৱিক খাদ্যকে বাছি লয়। সেই ক্ষেত্ৰত মাছ পোৱা সত্ত্বেও নোখোৱাৰ বিষয়টো কিছু অদ্ভুত।' আন এজন ঘঁৰিয়াল বিশেষজ্ঞ জিগৰ উপাধ্যায়ে কয়, 'ঘঁৰিয়াল সাধাৰণতে কিছু লাজুক প্ৰকৃতিৰ। হয়তো দিনৰ ভাগত সকলোৰে আগত মাছ নাখায়, কিন্তু নিশা সি পুখুৰীৰ মাছ খাইছে নে নাই, সেয়া কোনে চাই আছে?' আনহাতে, পানীত নমাৰ পাছতো পুৰোহিতক আক্ৰমণ নকৰা বিষয়টোত বিশেষজ্ঞসকলে মন্তব্য কৰিছে যে ঘঁৰিয়ালে সাধাৰণতে সহজে পোহ মানে। ইহঁতক কুকুৰতকৈও সহজে পোহ মনাব পাৰি। ইয়াৰ উপৰি যিসকলে ইহঁতক আহাৰ দিয়ে, তেওঁলোকৰ স'তেও বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠে।

# ৰৌতাত পথ দুৰ্ঘটনাত আহত চাৰিজন

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৯ ডিচেম্বৰ ঃ** বনভোজৰ আনন্দ উৎসাহৰ মাজতে আজি ওদালগুৰি জিলাৰ ৰৌতা আৰক্ষী থানাৰ অন্তৰ্গত পানীখাইটিৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। নিয়ন্ত্ৰণ হেৰুৱাই এখন আই-২০ বাহনে খুন্দা মাৰে পকী কালভাৰ্টত। ফলত দুৰ্ঘটনাটিত চাৰিজন আৰোহী গুৰুতৰভাৱে আহত হয়।প্ৰাপ্ত খবৰ অনুসৰি, ৰৌতা চাৰিআলি দিশৰ পৰা গুৱাহাটী অভিমুখে গৈ থকা এএছ-০১ইএ-৭৬৭৩ নম্বৰৰ আই-২০ বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই ৰাষ্ট্ৰীয় ঘাইপথটিৰ সমীপৰ কালভাৰ্টত খুন্দা মাৰে।




**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com